www.asombarta.in
শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক
PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

জীৱনটো হৈছে এখন আৰ্চী। আমি নিজকে তাত প্ৰতিফলিত হোৱা দেখা পাওঁ। - ফ্লৰেন্স স্কোভেল শ্বিন

# অসম বাৰ্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৩৬ | দেওবাৰ | ০৫ জুলাই, ২০২৬ চন | Volume/Year- I | Issue- 236 | Saturday | 05th July, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

## ই-২০ ইন্ধন নিৰাপদ, বিশেষজ্ঞৰ দাবী

**গাড়ীৰ ইঞ্জিন-মাইলেজৰ কোনো সমস্যা নাই**




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ জুলাই ঃ** ইথানল মিশ্ৰিত ইন্ধন (ই-২০) ব্যৱহাৰক লৈ সম্প্ৰতি ভাৰতত বিতৰ্কৰ সৃষ্টি হৈছে। বহু ঠাইৰ পৰা অভিযোগ উঠিছে যে এই ইন্ধন ব্যৱহাৰ কৰিলে বাহনৰ ইঞ্জিনত সমস্যা আৰু মাইলেজ হ্ৰাস পায়। কিন্তু শনিবাৰে উদ্যোগ বিশেষজ্ঞসকলে এই উদ্বেগ নাকচ কৰি কয় যে ই-২০ ইন্ধন সম্পূৰ্ণ নিৰাপদ আৰু ইয়াৰ ৬ পৃষ্ঠাত

**পৰ্যাপ্ত পানী পান কৰা আৰু ৰ'দৰ পৰা আঁতৰি থকাৰ পৰামৰ্শ**

# প্ৰচণ্ড গৰমত বিপৰ্যস্ত অসমৰ জনজীৱন

### ৰাজ্যত বৃদ্ধি উত্তাপ ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সাৱধানতাৰ আহ্বান

**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ জুলাই ঃ** ৰাজ্যখনত বিৰাজ কৰা অসহনীয়া গৰমে স্বাভাৱিক জীৱন-যাত্ৰা বিপৰ্যস্ত কৰি তুলিছে। প্ৰচণ্ড তাপপ্ৰবাহৰ ফলত ৰাজ্যবাসী চৰম দুৰাৱস্থাত পৰিছে। এই পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ শনিবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাইজক প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। লগতে তেওঁ অতিপাত গৰমৰ বাবে উৎপন্ন হ'ব পৰা ৰোগ-বিঘিনিৰ পৰা বাচি থাকিবলৈ নিজৰ স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দিবলৈ অনুৰোধ জনায়। ফেচবুক যোগে প্ৰেৰণ কৰা এক বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে যোৱা কেইদিনমান ধৰি ৰাজ্যৰ তাপমাত্ৰা স্বাভাৱিক পৰিস্থিতিতকৈ যথেষ্ট বৃদ্ধি পাইছে। গৰমৰ প্ৰকোপ বৃদ্ধি পোৱাত ৰাইজক সতৰ্ক থাকিবলৈ পৰামৰ্শ দি তেওঁ কয় যে এই জ্বলন্ত ৰ'দৰ পৰা সুৰক্ষিত হ'বলৈ নিয়মীয়াভাৱে নিৰ্দিষ্ট সময়ৰ অন্তৰালত পৰ্যাপ্ত পৰিমাণে পানী খাই শৰীৰক হাইড্ৰেটেড অৱস্থাত ৰাখিব লাগে। লগতে বৰ্তমানৰ প্ৰতিকূল বতৰত নিজকে সুস্থ ৰাখিবলৈ খাদ্য তালিকাত স্থানীয়ভাৱে উপলব্ধ সতেজ ফল-মূল আৰু প্ৰাকৃতিক পানীয় (যেনে নেমু-গুৰৰ পানী, ডাবৰ পানী আদি) অন্তৰ্ভুক্ত কৰিবলৈও মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাইজক উৎসাহিত কৰে। প্ৰখৰ ৰ'দৰ তাপত আটাইতকৈ বেছি বিপদাশংকা থকা লোকসকলৰ প্ৰতি লক্ষ্য ৰাখি ড° শৰ্মাই বাহিৰত কাম কৰা শ্ৰমিক, বিক্ৰেতা আৰু দিনৰ ভাগত যাত্ৰা কৰিবলগীয়া ৰাইজক বিশেষ সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনায়। তেওঁ স্পষ্টকৈ কয় যে পুৱা ৰ বজাৰ পৰা আবেলি ৩ বজালৈকে প্ৰত্যক্ষ ৬ পৃষ্ঠাত



## লখিমপুৰত পাহাৰ খহি ডাম্পাৰ চালকৰ মৃত্যু

**অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱাত সংঘটিত কৰুণ ঘটনা**

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৪ জুলাই ঃ** লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱা অঞ্চলত সংঘটিত হৈছে এক শোকাবহ ঘটনা। পাহাৰৰ পৰা খহি পৰা মাটি ডাম্পাৰৰ ওপৰত পৰাত চালকে থিতাতে প্ৰাণ হেৰুৱায়। ৬ পৃষ্ঠাত

## গুৱাহাটীৰ কৃত্ৰিম বান সমস্যা সমাধানৰ বাবে মন্ত্ৰী কৌশিক ৰায়ৰ পদক্ষেপ

**ক্ষেত্ৰভিত্তিক পৰিদৰ্শন আৰু দিছপুৰত পৰ্যালোচনা সভা; জিআইএছ-ভিত্তিক নিষ্কাশন পৰিকল্পনাৰ ওপৰত গুৰুত্ব**

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৪ জুলাই ঃ** এজাক বৰষুণ দিলেই জলমগ্ন হৈ পৰা গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বান সমস্যাৰ উৎস আৰু সমাধান বিচাৰি পুনৰ ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰিলে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে। শনিবাৰে তেওঁ জালুকবাৰী সমষ্টিৰ অন্তৰ্গত মালিগাঁও আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী ৬ পৃষ্ঠাত

## গুৱাহাটীত আৰক্ষীৰ গুলীত আহত জালনোট সৰবৰাহকাৰী অজয় বিশ্বকৰ্মা

**জিম্মাৰ পৰা পলায়নৰ চেষ্টা, আৰক্ষীৰ গুলীচালনা; চিকিৎসালয়ত ভৰ্তি**




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৪ জুলাই ঃ** মহানগৰী গুৱাহাটীত সংঘটিত হৈছে এক চাঞ্চল্যকৰ ঘটনা। আৰক্ষীৰ গুলীত আহত হৈছে জালনোট সৰবৰাহকাৰী অজয় বিশ্বকৰ্মা নামৰ এজন দুৰ্বৃত্ত। আহত অৱস্থাত তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় (জিএমচিএইচ)ত ভৰ্তি ৬ পৃষ্ঠাত

## ইউএপিএৰ অধীনত ২৩ জনক সন্ত্ৰাসবাদী ঘোষণা কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ

**জৈছ-ই-মহম্মদ আৰু লস্কৰ-ই-তৈবাৰৰ সৈতে জড়িত সকলোকে তালিকাভুক্ত**



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ জুলাই ঃ** সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। শনিবাৰে মন্ত্ৰণালয়ে এখন অধিসূচনা জাৰি কৰি ২৩জন ব্যক্তিক সন্ত্ৰাসবাদী হিচাপে চিনাক্ত কৰে। এই সকলোকে অবৈধ কাৰ্যকলাপ (প্ৰতিৰোধ) আইন (UAPA), ১৯৬৭-ৰ অধীনত তালিকাভুক্ত কৰা হৈছে। গৃহ মন্ত্ৰণালয়ৰ সূত্ৰে জানিবলৈ দিয়া মতে, এই ২৩জন সন্ত্ৰাসবাদীক UAPA-ৰ চতুৰ্থ অনুসূচীত অন্তৰ্ভুক্ত কৰা হৈছে। তালিকাভুক্ত সকলো ব্যক্তিয়েই পাকিস্তান বা পাকিস্তানৰ দখলত থকা কাশ্মীৰ (PoK) অঞ্চলত বাস কৰা বুলি ধাৰণা কৰা হৈছে। তেওঁলোক জৈছ-ই-মহম্মদ শ্চগ্নঙ্গত্ত্বা, লস্কৰ-ই-তৈবাৰ (LeT) আৰু আন কেইবাটাও নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠনৰ সৈতে জড়িত। এই পদক্ষেপৰ জৰিয়তে গৃহ মন্ত্ৰণালয়ে সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বিৰুদ্ধে কঠোৰ মনোভাৱ প্ৰকাশ কৰিছে। স্মৰ্তব্য যে, UAPA-ৰ অধীনত ব্যক্তিক সন্ত্ৰাসবাদী হিচাপে চিনাক্ত ৬ পৃষ্ঠাত

## ২০ জুলাইৰ পৰা সংসদৰ বৰ্ষাকালীন অধিৱেশন

**১৩ আগষ্টলৈ চলিব অধিৱেশন; পূৰ্বৰ বাজেট অধিৱেশনত ৩১খন বৈঠক**



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ জুলাই ঃ** সংসদৰ বৰ্ষাকালীন অধিৱেশন আগন্তুক ২০ জুলাই তাৰিখে আৰম্ভ হ'ব। ১৩ আগষ্টলৈকে চলিব এই তিনি সপ্তাহজোৰা অধিৱেশন। কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শ ক্ৰমে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে উভয় সদনৰ বৈঠক আহ্বান কৰাত অনুমোদন প্ৰদান কৰিছে। সংসদীয় পৰম্পৰা অনুসৰি, দুয়োখন সদনৰ যুটীয়া অধিৱেশনত ৰাষ্ট্ৰপতিৰ ভাষণৰ জৰিয়তে এই বৰ্ষাকালীন অধিৱেশনৰ ৬ পৃষ্ঠাত

## ১৫ বছৰ ৯১ দিনত ভাৰতীয় ক্ৰিকেটত অভিষেক বৈভৱ সূৰ্যবংশীৰ

**শচীন টেণ্ডুলকাৰৰ অভিলেখ ভংগ; ইংলেণ্ডৰ বিৰুদ্ধে টি-২০ত অভিষেক**



**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ জুলাই ঃ** ভাৰতীয় ক্ৰিকেটৰ ইতিহাসত ৰচিত হ'ল এক নতুন অভিলেখ। বিহাৰৰ যুৱ ক্ৰিকেটাৰ বৈভৱ সূৰ্যবংশীয়ে আটাইতকৈ কম বয়সত ভাৰতৰ হৈ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত আত্মপ্ৰকাশ কৰি ক্ৰিকেট জগতত চমক সৃষ্টি কৰিলে। ইংলেণ্ডৰ বিৰুদ্ধে দ্বিতীয়খন টি-২০ মেচত তেওঁ ভাৰতীয় দলৰ হৈ নিজৰ কেৰিয়াৰৰ প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় মেচ খেলিব। এই ঐতিহাসিক অভিষেকৰ জৰিয়তে বৈভৱে ক্ৰিকেটৰ ভগৱান শচীন টেণ্ডুলকাৰৰ ৩৭ বছৰ পুৰণি অভিলেখ ভংগ কৰিবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বে ভাৰতৰ হৈ আটাইতকৈ কম বয়সত আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত পদাৰ্পণ কৰাৰ অভিলেখ আছিল শচীন টেণ্ডুলকাৰৰ নামত। শচীনে ১৬ বছৰ ২০৫ দিন বয়সত অভিষেক ঘটিছিল আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত। কিন্তু বৈভৱে মাত্ৰ ১৫ বছৰ ৯১ দিন বয়সতে ৬ পৃষ্ঠাত

## দুৰ্নীতি দমনৰ লগতে ভূমি ক্ষতিপূৰণ আৰু সাংবাদিক কল্যাণত গুৰুত্ব বিটিচিৰ

**কাৰ্যবাহী পৰিষদৰ বৈঠকত গঠন হ'ব বিশেষ তদাৰকী সমিতি**

**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ৪ জুলাই ঃ** প্ৰশাসনিক দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত লৈছে বড়োলেণ্ড টেৰিটৰিয়েল কাউঞ্চিল (বিটিচি)। শনিবাৰে বিটিচি সচিবালয়ত অনুষ্ঠিত কাৰ্যবাহী পৰিষদৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ সভাপতিত্বত কেইবাটাও ৬ পৃষ্ঠাত



## জিএমচিএইচত জ্বৰৰ ৰোগীক দিলে বক্কৰ বেজী

**প্ৰশিক্ষণৰত নাৰ্চৰ ভুলৰ বাবে ৰোগীৰ স্বাস্থ্যৰ অৱনতি; অধীক্ষকৰ তদন্ত ঘোষণা**

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৪ জুলাই ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু সদৌ অসম চিকিৎসালয় (জিএমচিএইছ) ত এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। এগৰাকী ৰোগীক ভুল বেজী প্ৰয়োগ কৰাৰ অভিযোগত চিকিৎসালয়খনৰ এগৰাকী প্ৰশিক্ষণৰত নাৰ্চক জবাবদিহিৰ সন্মুখীন কৰোৱা হৈছে। জ্বৰত আক্ৰান্ত মহিলাগৰাকীক বৃক্ক ৰোগ সংক্ৰান্তিয় ৬ পৃষ্ঠাত

## মাজুলীৰ স্বাস্থ্যখণ্ডৰ পয়ালগা স্বৰূপ উদঙাইছে ইটোৰ পিছত অন্যটো মৃত্যুৱে

**১০৮ এম্বুলেন্সৰ চৰম অকৰ্মণ্যতাৰ বাবেই কৰুণ মৃত্যু শিশুৰাম ৰাজখোৱাৰ; গড়মূৰ জিলা চিকিৎসালয়ত উত্তপ্ত পৰিস্থিতি**



**অসম বাৰ্তা, উজনী মাজুলী, ৪ জুলাই ঃ** চৰকাৰৰ চৰম অৱহেলাত মাজুলী চিকিৎসা খণ্ডৰ চৰম দুৰাৱস্থাৰ বাবে জিলাখনত বিনা চিকিৎসাই ৰোগীৰ মৃত্যু হোৱা ঘটনা বোৰটো বাদেই চিকিৎসাধীন অৱস্থাত চিকিৎসকৰ সন্মুখতে ইজনৰ পিছত আনজন ৰোগীৰ মৃত্যু হোৱা ঘটনাক সচেতন মহলে উদ্বেগ প্ৰকাশ কৰিছে। কালি পুনৰ উদং খাইছে মাজুলীৰ পয়ালগা চিকিৎসা ব্যৱস্থাৰ আচল স্বৰূপ। এইবাৰ ১০৮ জৰুৰীকালীন সেৱাৰ চৰম ৬ পৃষ্ঠাত

## গৌৰৱ গগৈ কংগ্ৰেছত থকা মানে ৰাইজে আৰু কংগ্ৰেছ দলক ভোট নিদিয়ে !

**চামগুৰিৰ বাজিয়াগাঁৱত বিজেপিৰ বিশাল জনসভাত মন্ত্ৰী পীযূষ হাজৰিকা**



**অসম বাৰ্তা, পুৰণিগুদাম, ৪ জুলাই ঃ** গৌৰৱ গগৈক কংগ্ৰেছৰ পৰা হতাও কৰাটো উচিত নহয়। তেখেত কংগ্ৰেছত থকা মানে ৰাইজে আৰু কংগ্ৰেছ দলক ভোট নিদিয়ে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আজি আপোনালোকৰ আগত কিবা এটা কথা ক'বলৈ আমাক নিৰ্দেশ দিছে বা পঠিয়াইছে। মহিলা উদ্যমিতা আঁচনিৰ দহ হাজাৰ টকা আপোনালোকক লাগিবনে, নালাগে কওক। এই মাহৰ শেষৰফালে আমি আপোনালোকৰ ইয়াতে যআহি মহিলা উদ্যমিতা আঁচনিৰ টকা দিম। কেৱল ইয়াতে নহয়, ধিং সমষ্টিৰ, ৰূপহী সমষ্টিৰ আৰু চামগুৰি সমষ্টিৰ এই তিনিওটা সমষ্টিৰ প্ৰায় ৭৫ হাজাৰ মহিলাই অহা বিশ দিনৰ ভিতৰত মহিলা উদ্যমিতা আঁচনিৰ ধন লাভ কৰিব। এই মন্তব্য কৃষি ৬ পৃষ্ঠাত

## ব্ৰহ্মপুত্ৰৰ বালিচৰত আবদ্ধ মাজুলীৰ যাত্ৰীবাহী ফেৰী

**এছ.ডি.আৰ.এফৰ তৎপৰতাত উদ্ধাৰ ৮০ যাত্ৰী**

**অসম বাৰ্তা, উজনী মাজুলী, ৪ জুলাই ঃ** ব্ৰহ্মপুত্ৰৰ বুকুত পুনৰ সংঘটিত হ'ল এক ফেৰী অঘটন। নিমাতী ঘাটৰ পৰা মাজুলীৰ কমলাবাৰী ঘাট অভিমুখে আহি থকা এখন যাত্ৰীবাহী ফেৰীব্ৰহ্মপুত্ৰৰ মাজত আবদ্ধ হৈ পৰাত তীব্ৰ আতংকৰ সৃষ্টি হয়। ৬ পৃষ্ঠাত

## ভাৰত-ভূটান সম্পৰ্কত নতুন অধ্যায় কোকৰাঝাৰ-গেলেফু ৰে'ল সংযোগ

**৬৯.০৫ কিলো মিটাৰ দৈৰ্ঘ্যৰ ঐতিহাসিক প্ৰকল্পটোত ব্যয় ৩৪৫৬.৩৬ কোটি টকা**



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৪ জুলাই ঃ** ভাৰত আৰু ভূটানৰ মাজৰ দীৰ্ঘদিনীয়া বন্ধুত্বপূৰ্ণ সম্পৰ্কই লাভ কৰিব এখন নতুন মাত্ৰা। অসমৰ কোকৰাঝাৰক ভূটানৰ গেলেফুৰ সৈতে সংযোগ কৰিবলৈ প্ৰস্তাৱিত ৬৯.০৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'ল পথটোৱে অৰ্থনৈতিক উন্নয়ন আৰু আঞ্চলিক সংযোগৰ ক্ষেত্ৰত এক যুগান্তকাৰী পদক্ষেপ হিচাপে পৰিগণিত হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শনিবাৰে ৬ পৃষ্ঠাত



# ৰূপাই চাইডিঙত বিহু নাচ আৰু বিহু বাদ্য প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ জুলাই ঃ** উজনি অসমৰ তিনিচুকীয়া জিলাৰ ডুমডুমাৰ সমীপৰ ৰূপাই চাইডিংস্থিত জিলা ট্ৰাইবেল সংঘৰ প্ৰেক্ষাগৃহত সমগ্ৰ তিনিচুকীয়া জিলাখনকে সামৰি বিহু নাচ, বিহু বাদ্য তথা অসমীয়া জাতিৰ স্বাভিমানৰ প্ৰতীক বিহুৰ লগত সম্পৰ্ক ৰাখি নৱ প্ৰজন্মক বিভিন্ন দিশত জ্ঞান দিয়াৰ মানসেৰে এখন বিহুনাচ আৰু বিহুবাদ্য প্ৰশিক্ষণ বিদ্যালয় যোৱা ২ জুলাইৰ বিয়লি শুভ উদ্বোধন কৰা হয়। অসমৰ এগৰাকী বিহুনাচৰ সম্ৰাজ্ঞী কৰবী বৰুৱা দুৱৰা আৰু বাদ্য প্ৰশিক্ষক মৃদুল শইকীয়াৰ প্ৰচেষ্টাত এক নতুন চিন্তাকৰ্ষক আগত ৰাখি স্থাপন কৰা বিদ্যালয়খন অঞ্চলটোৰ বহু গণ্য-মান্য ব্যক্তিৰ উপস্থিতিত শুভাৰম্ভ কৰে। প্ৰতি শনিবাৰ আৰু দেওবাৰে এই বিহু প্ৰশিক্ষণ কেন্দ্ৰত বিহুৰ লগত সংগতি ৰাখি বিহু নাচ, বিহুনাম, ঢোল, পেঁপা, বাঁহী, গগণা, হুতুলী আদি কৰি বিভিন্ন দিশত পাঠ্যক্ৰমৰ লগত সংগতি ৰাখি প্ৰশিক্ষণ কেন্দ্ৰত বিভিন্ন ৰূপৰেখাৰ ওপৰত শিক্ষা প্ৰদান কৰা হ'ব। এই উপলক্ষে সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কিৰণময়ী হাজৰিকা বৰুৱাৰ সঞ্চালনাত এখন উদ্বোধনী সভা অনুষ্ঠিত হয়। অনুষ্ঠানটো বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে ডুমডুমা শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকাই। ইয়াৰ পাছতে কেন্দ্ৰটোৰ অন্যতম সঞ্চালিকা তথা প্ৰশিক্ষক কৰবী বৰুৱা দুৱৰাই কেন্দ্ৰটোৰ লক্ষ্য, উদ্দেশ্য আৰু ভৱিষ্যতৰ পৰিকল্পনা আদিৰ প্ৰসংগত বিৱৰি দীৰ্ঘদিন পুহি ৰখা মনৰ এক ইচ্ছাৰ ইতিবাচক দিশ সমূহ উঠি অহা নৱ-প্ৰজন্মক বিলাই দিয়াৰ প্ৰয়াস কৰা বুলি উল্লেখ কৰে। কেন্দ্ৰটো উদ্বোধন কৰে সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক মৃগেন শইকীয়াই। সভাত অতিথিৰ ভাষণত অসম নাট্য সন্মিলন তিনিচুকীয়া জিলা সমিতিৰ সভাপতি জয়সূৰ্য বৰাই এনে অনুষ্ঠানৰ যোগাত্মক আৰু বিয়োগাত্মক দিশ সমূহক সামৰি বক্তব্য প্ৰদান কৰে। তেখেতে চাৰিবেৰৰ শিক্ষাৰ মাজত আৱদ্ধ থাকি এনে অনুষ্ঠান চলাই নিব পৰাটো জটিল বুলিও উল্লেখ কৰে। ইয়াৰ উপৰিও সভাত উপস্থিত থকা ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্তই বিহুক কেন্দ্ৰ কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত উচ্চতৰ শাখাত এটি বিষয় মুকলি কৰাৰ প্ৰসংগ উল্লেখ কৰি ব্যৱহাৰিক দিশত এই কেন্দ্ৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব বুলি কয়। লগতে ছাত্ৰ-ছাত্ৰীৰ পঢ়াৰ বোজাৰ মাজত এনে কেন্দ্ৰ চলাই নিয়াত তীব্ৰ প্ৰত্যাহ্বান আহিব বুলি কয় ইয়াক পৰিকল্পনা আৰু পাঠ্যক্ৰম ভিত্তিক চলাই নিবলৈ আহ্বান জনায়। সভাত তিনিচুকীয়া জিলা ট্ৰাইবেল সংঘৰ সভাপতি ৰাতুল হাজৰিকা, মৰাণ মহিলা পৰিষদৰ সম্পাদিকা পদ্মা চেতিয়া, প্ৰাক্তন পঞ্চায়ত সভানেত্ৰী টুটুমণি মৰাণ আদিয়ে এই কেন্দ্ৰৰ প্ৰাসংগিকতা আদিক সামৰি এয়া এলেকাৰ লোক সংস্কৃতিৰ চৰ্চা কেন্দ্ৰ হৈ উঠিব বুলি আশা প্ৰকাশ কৰে। শেষত শলাগ জ্ঞাপন কৰে সঞ্চালিকা কৰবী বৰুৱা দুৱৰাই।

# বৰপথাৰ মহাবিদ্যালয়ত "নাহৰ উদ্যান"ৰ শুভ উদ্বোধন

## সেউজীয়া পৰিৱেশ গঢ়াৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ৪ জুলাই ঃ** প্ৰকৃতিৰ সেউজীয়া স্পৰ্শে শিক্ষাৰ পৰিৱেশ অধিক সজীৱ আৰু মনোমোহা কৰি তোলাৰ লক্ষ্যৰে বৰপথাৰ মহাবিদ্যালয়ৰ চৌহদত নতুনকৈ নিৰ্মাণ কৰা "নাহৰ উদ্যান"ৰ শুক্ৰবাৰে এক গাম্ভীৰ্যপূৰ্ণ আৰু উৎসৱমুখৰ অনুষ্ঠানৰ মাজেৰে শুভ উদ্বোধন কৰে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে। এই অনুষ্ঠানৰ জৰিয়তে মহাবিদ্যালয়খনত পৰিৱেশ সংৰক্ষণ আৰু সেউজীকৰণৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা হয়। উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিধায়ক বিশ্বজিৎ ফুকনে কয় যে, শিক্ষানুষ্ঠান কেৱল জ্ঞান আহৰণৰ স্থানেইনহয়, বৰং সুস্থ মূল্যবোধ, সামাজিক দায়বদ্ধতা আৰু প্ৰকৃতিৰ প্ৰতি ভালপোৱা গঢ়ি তোলাৰ অন্যতম পীঠস্থান। বৰ্তমান সময়ত পৰিৱেশ প্ৰদূষণ, বনাঞ্চল ধ্বংস আৰু জলবায়ু পৰিৱৰ্তনৰ দৰে জটিল সমস্যাৰ মাজত




শিক্ষাৰ্থীসকলৰ মাজত পৰিৱেশ সংৰক্ষণৰ মানসিকতা গঢ়ি তোলাটো সময়ৰ এক অত্যন্ত প্ৰয়োজনীয় আহ্বান বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে, "নাহৰ উদ্যান" কেৱল মহাবিদ্যালয়খনৰ সৌন্দৰ্য বৃদ্ধি কৰাৰ বাবে নিৰ্মাণ কৰা হোৱা নাই; ই শিক্ষাৰ্থীসকলৰ মাজত গছ-গছনিৰ প্ৰতি মৰম, প্ৰকৃতিৰ প্ৰতি দায়বদ্ধতা, জীৱবৈচিত্ৰ্য সংৰক্ষণৰ চেতনা আৰু পৰিৱেশ সচেতনতাৰ বীজ সিঁচি দিয়াৰ এক সাৰ্থক প্ৰয়াস। এনে সেউজীয়া পদক্ষেপে ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃতিৰ অধিক ওচৰ চপাই অনাৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ বাবে এখন সুস্থ, সেউজীয়া আৰু পৰিৱেশ-অনুকূল সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত ইতিবাচক ভূমিকা পালন কৰিব বুলি তেওঁ আশা ব্যক্ত কৰে। বিধায়কগৰাকীয়ে লগতে শিক্ষানুষ্ঠানসমূহত অধিকসংখ্যক গছপুলি ৰোপণ, পৰিৱেশ সংৰক্ষণমূলক কাৰ্যসূচী গ্ৰহণ আৰু শিক্ষাৰ্থীসকলক পৰিৱেশ আন্দোলনৰ সৈতে জড়িত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। তেওঁৰ মতে, সৰু সৰু সেউজীয়া পদক্ষেপেই আগন্তুক সময়ত এখন সুস্থ আৰু বাসযোগ্য পৃথিৱী গঢ়াৰ শক্তিশালী ভেটি স্থাপন কৰিব। অনুষ্ঠানত বৰপথাৰ পৌৰসভাৰ পৌৰপতি সঞ্জীৱ কুমাৰ বৰুৱা, বৰপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পবিত্ৰ চুতীয়া, বৰপথাৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়া নিকিতা বৰুৱা, ৰাজ্যিক কৃষক মৰ্চাৰ উপ-সভাপতি হৰেন গগৈ, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, সমাজৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে বহু সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। তেওঁলোকৰ উপস্থিতিয়ে অনুষ্ঠানটোৰ গাম্ভীৰ্য আৰু সৌন্দৰ্য অধিক বৃদ্ধি কৰে। উদ্বোধনী অনুষ্ঠানত উপস্থিত বক্তাসকলেও শিক্ষানুষ্ঠানৰ চৌহদত সেউজীয়া পৰিৱেশ গঢ়ি তোলাৰ এনে পদক্ষেপৰ শলাগ লয়। তেওঁলোকে কয় যে, এই উদ্যান ভৱিষ্যতে কেৱল বিশ্ৰাম আৰু সৌন্দৰ্য উপভোগৰ স্থান হিচাপে সীমাবদ্ধ নাথাকি শিক্ষাৰ্থীসকলৰ মাজত পৰিৱেশ শিক্ষা, গছ-গছনি সংৰক্ষণ আৰু প্ৰকৃতিৰ প্ৰতি দায়িত্ববোধ জাগ্ৰত কৰাৰ এক জীৱন্ত প্ৰেৰণা হিচাপে পৰিগণিত হ'ব। উল্লেখযোগ্য যে, মহাবিদ্যালয় চৌহদত গঢ়ি তোলা "নাহৰ উদ্যান"এ বৰপথাৰ মহাবিদ্যালয়ৰ সামগ্ৰিক সৌন্দৰ্য বহুগুণে বৃদ্ধি কৰাৰ লগতে শিক্ষানুষ্ঠানখনক এক সেউজীয়া, স্বাস্থ্যকৰ আৰু নান্দনিক পৰিৱেশ প্ৰদান কৰিছে। উপস্থিত সকলোৱে আশা প্ৰকাশ কৰে যে, এই উদ্যান আগন্তুক দিনত পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত এক আদৰ্শ নিদৰ্শন হিচাপে পৰিচিত হোৱাৰ লগতে সমাজত সেউজীয়া বিপ্লৱৰ বাৰ্তা কঢ়িয়াই নিব।

# অৰুণাচল প্ৰদেশ পেঞ্চনাৰ সন্থাৰ ছমহীয়া সাধাৰণ সভা

**অসম বাৰ্তা, নিমাতীঘাট, ৪ জুলাই ঃ** অৰুণাচল প্ৰদেশৰ চৰকাৰী পেঞ্চনাৰ সন্থাৰ যোৰহাট, গোলাঘাট আৰু শিৱসাগৰ জিলাৰ ২০২৬ বৰ্ষৰ ছমহীয়া সাধাৰণ সভা ১/৭/২০২৬ তাং বুধবাৰে পুৱা ১১-০০ বজাত যোৰহাটৰ জেইল ৰোড স্থিত সমন্বয় পথৰ ছিনিঅৰ ছিটিজেন ফ'ৰামৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সন্থাৰ সভাপতি প্ৰদীপ খুমাৰ তামোলী আৰু উপদেষ্টা বৈকুণ্ঠ মহন্ত দেৱৰ দ্বাৰা বন্তি প্ৰজ্জ্বলনেৰে সভাৰ শুভাৰম্ভ কৰা হয়। ইয়াত সহযোগ কৰে সন্থাৰ সদস্যা ইলা চক্ৰবৰ্তীয়ে। গুৰুবন্দনা কৰে মনোৰোমা ভট্টাচাৰ্যই। সভাপতি প্ৰদীপ কুমাৰ তামোলীয়ে তেখেতৰ আদৰনি ভাষণত সকলো সদস্য তথা বিষয়ববীয়াকে দুৰ দুৰনিৰ পৰা প্ৰচণ্ড গৰমকো আওকান কৰি সভাত অংশ গ্ৰহণ কৰাৰ বাবে ধন্যবাদ জনায় আৰু সকলোকে স্বাস্থ্যৰ যত্ন লবলৈ অনুৰোধ জনায়। তেখেতে সন্থাৰ পূৰ্বৰ সকলো সদস্য সদস্যা তথা বিষয়ববীয়া আৰু সভাপতি সম্পাদক সকলৰ যি সকল লোক সন্থাৰ প্ৰতিষ্ঠা কালৰে পৰা জড়িত হৈ আছিলে তেখেত সকলৰ এখন তালিকা প্ৰস্তুত কৰিবলৈ সন্থাৰ সম্পাদক মানবেন্দ্ৰ ৰায়ক অনুৰোধ জনায়। লগতে প্ৰয়াত লোক সকলৰ যদি সম্ভৱ হয় তেখেত সকলৰ ফটো সংগ্ৰহ কৰিবলৈও সম্পাদকক অনুৰোধ জনায়। সন্থাৰ উপদেষ্টা শ্ৰীযুত বৈকুণ্ঠ মহন্ত দেৱে তেখেতৰ ভাষণত পেঞ্চনাৰ সন্থাৰ সভাত সকলোকে উপস্থিত থাকি মত বিনিময় কৰিবলৈ অনুৰোধ জনায়। তেখেতে পৰৱৰ্তী কালত সন্থাৰ প্ৰয়াত ব্যক্তি সকলৰ এখন শ্ৰদ্ধাঞ্জলি অনুষ্ঠান পাতিবলৈ অনুৰোধ জনায়। তেখেতে ভাষণত বৰ্তমান বানত ক্ষতিগ্ৰস্ত অৰুণাচলৰ লোক সকললৈ অৰুণাছল প্ৰদেশ ছৰকাৰৰ যোগেদি সন্থাৰ তৰফৰ পৰা কিছু অৰ্থ সাহায্য আগবঢ়াবলৈ সন্থাৰ সকলো সদস্য সদস্যাক অনুৰোধ জনায়। সন্থাৰ সম্পাদক মানবেন্দ্ৰ ৰায়ে বৰ্তমান মহামান্য ছুপ্ৰীম কৰ্টৰ অধীনত থকা ২০১৬ চনৰ পুৰ্বৰ পেঞ্চনাৰ সকলৰ পেঞ্চন নীতিৰ সংশোধনী সংক্ৰান্তত ছলি থকা গোছৰৰ বিষয়ে সভাত অৱগত কৰে। এই গোচৰৰ পৰৱৰ্তী শুনানী অহা ১৪ জুলাই ২০২৬ তাৰিখে ধাৰ্য কৰা হৈছে বুলি জনায়। তেখেতে ৩খন জিলাৰ সদ্য অৱসৰ প্ৰাপ্ত পেঞ্চনাৰ সকলক সন্থাৰ অন্তৰ্ভুক্ত হবলৈ অনুৰোধ জনায়। তেখেতে লগতে বিগত ১৩-১২-২০২৫ তাৰিখে অনুষ্ঠিত সন্থাৰ ৩০ তম বাৰ্ষিক সাধাৰণ সভাৰ প্ৰতিবেদন পাঠ কৰে। সন্থাৰ বিত্ত সচিৱ যাদবেন্দ্ৰ হাজৰীকা দেৱে ২০২৫ বৰ্ষৰ সন্থাৰ বিত্তিয় প্ৰতিবেদন পাঠ কৰে আৰু সভাই সৰ্বসন্মতি ক্ৰমে গ্ৰাহ্য কৰে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়াই সন্থাৰ উপ সভানেত্ৰী অঞ্জু বৰদলৈয়ে। তেখেতে সভাত উপস্থিত সকলো সদস্য সদস্যা তথা বিষয় ববীয়া সকলক ধন্যবাদ জনায়। এটি প্ৰাৰ্থনাই সভাৰ সামৰণি পৰে। সভাৰ শেষত আয়োজন কৰা খেল ধেমালীয়ে সকলোকে আমোদ দিয়ে। দুপৰীয়াৰ আহাৰ সন্থাৰ তৰফৰ পৰা আগবঢ়োৱা হয়।

# হাঁহচৰাত আদৰ্শ অংগনবাড়ী কেন্দ্ৰ উদ্বোধন বিধায়ক ৰূপেশ গোৱালাৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ জুলাই ঃ** ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত হাঁহচৰা ডিপু লাইনৰ ৬নং ৱাৰ্ডত ২৫ লাখ টকা ব্যয় সাপেক্ষে নতুনকৈ নিৰ্মাণ কৰা আদৰ্শ অংগনবাড়ী কেন্দ্ৰটো আজি ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অসম বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে নিৰ্মাণ কাৰ্য আৰম্ভ কৰা এই আদৰ্শ অংগনবাড়ী কেন্দ্ৰটোৰ উদ্বোধনী অনুষ্ঠানত স্থানীয় পঞ্চায়ত প্ৰতিনিধি আৰু ৰাইজে অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে বিধায়ক গোৱালাই হাঁহচৰাৰ টিকৰাপাৰাত নতুনকৈ নিৰ্মাণ কৰা এটা পথৰো শুভ উদ্বোধন কৰে। উল্লেখযোগ্য যে ২ জুলাইতো বিধায়কগৰাকীয়ে বিধানসভা নিৰ্বাচনৰ পূৰ্বে সমষ্টিটোৰ বিভিন্ন প্ৰান্তত আধাৰশিলা স্থাপন কৰা মুঠ সাতটা পথৰো শুভ উদ্বোধন কৰিছিল। আগন্তুক দিনবোৰতো সমষ্টিটোৰ উন্নয়নৰ বাবে কাম কৰি যোৱাৰ সংকল্প দোহাৰি বিধায়ক গোৱালাই এই ক্ষেত্ৰত ৰাইজৰ সহযোগিতা কামনা কৰে।

# চামগুৰিৰ ৰাষ্ট্ৰীয় ঘাইপথৰ মাটি দখলমুক্ত কৰিবলৈ জাননী এন এইচ আই ডিচিএলৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ৪ জুলাই ঃ** ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড চমুকৈ এন এইছ ডিচিএলে ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত অবৈধ ভাবে দখল কৰি থকা ব্যৱসায়িক প্ৰতিষ্ঠানৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলোৱাৰ জাননী জাৰি কৰিছে বিশেষত চামগুৰি অঞ্চলত। কেইবাখনো ব্যৱসায়িক প্ৰতিষ্ঠানৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত স্থানীয় একাংশ লোকে পকী চৌহদ নিৰ্মাণ কৰি ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ ভূমি বেদখল কৰি আহিছে। ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ এই ভূমি অবৈধভাৱে দখল কৰি অহাৰ পাছত চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত বহুকেইজন লোকলৈ এই ভূমি সমূহ মুক্ত কৰি দিবলৈ জাননী জাৰি কৰা পৰিলক্ষিত হৈছে। ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডৰ তেজপুৰস্থিত কাৰ্যালয়ৰ জেনেৰেল মেনেজাৰ বিনায়ক কুমাৰ স্বাক্ষৰিত জাননীখনৰ জৰিয়তে অবৈধভাৱে দখল কৰি থকা ভূমি সমূহ খালী কৰি দিবলৈ এক সপ্তাহৰ সময়সীমা নিৰ্ধাৰণ কৰি দিছে। এই জাননী লাভ কৰাৰ পিছত এক সপ্তাহৰ ভিতৰত খালী কৰি নিদিলে প্ৰশাসনৰ জৰিয়তে উচ্ছেদ অভিযান চলোৱা হ'ব বুলি ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডে ঘোষণা কৰিছে। ইতিমধ্যে চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত চামগুৰি তিনিআলিত অৱস্থিত পংকজ হোটেলকে ধৰি কেইবাখনো ব্যৱসায়িক প্ৰতিষ্ঠানৰ লগতে কেইবাটাও পৰিয়ালে জাননী লাভ কৰিছে বুলি জানিব পৰা গৈছে। চামগুৰি তিনিআলিৰ লগতে ভেলেউগুৰি, হেমাৰবড়ি, সোণাৰীবালি, গতঙ্গা আদি অঞ্চলৰ লগতে ১২৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ দাঁতিত এন এইছ ডিচিএলে উচ্ছেদ অভিযান চলাব বুলি জানিব পৰা গৈছে।

## পৰিতোষ কুমাৰ দাস সভাপতি, আব্দুল খালিক লস্কৰ সাধাৰণ সম্পাদক নিৰ্বাচিত

# হোজাই জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ সাধাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, ডবকা, ৪ জুলাই ঃ** হোজাই জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ এখন গুৰুত্বপূৰ্ণ সাধাৰণ সভা যোৱা বুধবাৰে হোজাইস্থিত তেলিবস্তি এম, ভি, স্কুল প্ৰাঙ্গণত সফলতাৰে অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শতাধিক শিক্ষক- শিক্ষয়িত্ৰীৰ উপস্থিতিত অনুষ্ঠিত সভাখনত শিক্ষক সমাজৰ বিভিন্ন জ্বলন্ত সমস্যা আৰু সাংগঠনিক দিশসমূহক লৈ বিস্তৃত আলোচনা কৰা হয়। সভাত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত বিশিষ্ট প্ৰধান শিক্ষক মাখন চন্দ্ৰ বিশ্বাসে। সভাৰ আৰম্ভণিতে সংস্থাৰ সাধাৰণ সম্পাদক আব্দুল খালিক লস্কৰে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি শিক্ষক সকলৰ ঐক্য আৰু সংগঠনৰ শক্তি অধিক সুদৃঢ় কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আলোচনাৰ সময়ত জিলা খনৰ মধ্য ইংৰাজী বিদ্যালয় সমূহত বিদ্যমান বিভিন্ন সমস্যাৰ লগতে প্ৰধান শিক্ষক সকলৰ দীৰ্ঘদিন ধৰি অমীমাংসিত হৈ থকা পদোন্নতিৰ বিষয়টো বিশেষভাৱে উত্থাপন কৰা হয়। এই সমস্যাক লৈ উপস্থিত শিক্ষক সকলে গভীৰ উদ্বেগ আৰু ক্ষোভ প্ৰকাশ কৰাৰ লগতে শীঘ্ৰে সমাধানৰ দাবী জনায়। সভাত শিক্ষক সমাজৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ উদ্দেশ্যে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ সৰ্বসন্মতি ক্ৰমে গৃহীত হয়। সভাত সংস্থাৰ প্ৰাক্তন সভাপতি সঞ্জয় দত্ত, জমিৰ উদ্দিন লস্কৰ, কমলা কান্ত নাথ ভৌমিককে ধৰি সংস্থাৰ কেইবাগৰাকীও প্ৰাক্তন বিষয়ববীয়া উপস্থিত থাকে। ইয়াৰ উপৰিও জিলাখনৰ বিভিন্ন অঞ্চলৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে সক্ৰিয় ভাৱে অংশগ্ৰহণ কৰি সভাখন সফল কৰি তোলে। সভাৰ অন্তত আগন্তুক কাৰ্যকালৰ বাবে এখন শক্তিশালী নতুন জিলা সমিতি গঠন কৰা হয়। সৰ্বসন্মতি ক্ৰমে পৰিতোষ কুমাৰ দাসক সভাপতি আৰু আব্দুল খালিক লস্কৰক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। নৱনিৰ্বাচিত সভাপতি পৰিতোষ কুমাৰ দাসে নিজৰ ভাষণত শিক্ষক সমাজৰ মৰ্যাদা আৰু অধিকাৰ অক্ষুণ্ণ ৰখাৰ লগতে শিক্ষক সকলৰ ন্যায্য দাবীসমূহ আদায়ৰ বাবে ঐক্যবদ্ধভাৱে, দায়বদ্ধ তাৰে আৰু দৃঢ়তাৰে কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰে। লগতে সংস্থাটোক অধিক শক্তিশালী আৰু গতিশীল ৰূপত গঢ়ি তোলাৰ ক্ষেত্ৰত সকলো শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগিতা কামনা কৰে।

# পুৰণিগুদাম গায়ন বৈৰাগী গাঁৱত গৌৰৱোজ্বল ১৯৮ সংখ্যক পানীতোলা সবাহ

**অসম বাৰ্তা, পুৰণিগুদাম, ৪ জুলাই ঃ** নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামৰ গায়ন বৈৰাগী গাঁৱৰ বৰনামঘৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে ১৯৮ সংখ্যক পানীতোলা সবাহ। কাৰ্যসূচী অনুসৰি ২ জুলাইৰ পুৱা পৰম্পৰাগতভৱে গাঁৱৰ গায়ন-বায়নসকলে খোল-তাল বজাই আয়তীসকলৰ সমন্বিতে পুৰণিকলীয়া এটা কুঁৱাৰ পৰা পানী তোলে। উল্লেখ্য যে, এই পানীতোলা পৰ্ব তিনিদিন ধৰি পালন কৰা হয়। সেই অনুসৰি আজিও শতাধিক ৰাইজ গোপিনীয়ে খোল-তাল লৈ নাম প্ৰসঙ্গ কৰি পানীতোলা পৰিলক্ষিত হয়। ৪ জুলাইৰ পুৱা একেধৰণৰ কাৰ্য্যসূচী মৰ্মে কলং নৈৰ পৰা পানীতুলি তিনিওদিনৰ পানীৰে বৰুণ দেৱতাৰ পূজা-অৰ্চনা কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। দুপৰীয়াৰ ভাগত অঞ্চলৰ ভকত-বৈষ্ণৱ সকলে নাম-প্ৰসঙ্গ কৰিব আৰু নিশালৈ "কালকুঞ্জ বধ" নামৰ এখন অসমীয়া ভাওনা শিশু সকলৰ দ্বাৰা প্ৰদৰ্শিত হ'ব। উল্লেখ্য যে, আগন্তুক ২০২৮-২৯ বৰ্ষত গায়ন বৈৰাগী গাঁৱৰ বৰনামঘৰে ২০০ বছৰ সম্পূৰ্ণ কৰিব। বিগত ১৯৮ বছৰে প্ৰজন্মৰ পাছত প্ৰজন্মই অবিৰত ভাৱে পানীতোলা সবাহৰ পৰম্পৰা অটুত ৰাখিছে। অসমীয়া সমাজৰ শুভ বিবাহৰ পানীতোলা পৰ্বৰ সৈতে সবাহৰ পানীতোলা পৰ্বৰ কিছু সাদৃশ্য আছে যদিও ইয়াত অংশগ্ৰহণকাৰী সকলৰ সাজপাৰ, গীত-মাত আদিৰ ক্ষেত্ৰত এক সুকীয়া স্বকীয়তা আছে বুলি জানিব পৰা গৈছে।

# টংলা সামূহিক চিকিৎসালয়ৰ নতুন সমিতি গঠন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৪ জুলাই ঃ** টংলা সামূহিক চিকিৎসালয়খনৰ উন্নয়ন, জনসেৱাৰ মান অধিক শক্তিশালী কৰা তথা ৰাইজক উন্নত মানৰ স্বাস্থ্যসেৱা আগবঢ়োৱাৰ লক্ষ্যৰে আজি টংলা বিধানসভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকাৰ নেতৃত্বত টংলা সামূহিক চিকিৎসালয়ৰ নতুনকৈ পৰিচালনা সমিতিখন গঠন কৰা হয়। আজি আবেলি চিকিৎসালয়খনত বিধায়ক বিকন চন্দ্ৰ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত গুৰুত্বপূৰ্ণ সভাত চিকিৎসালয়খনৰ উন্নয়নৰ বিভিন্ন দিশত আলোচনা কৰা হয়। চিকিৎসক ডাঃ মৃণ্ময় নাথে উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিটিচিৰ পাৰিষদ তথা টংলা পৌৰসভাৰ অধ্যক্ষ অৰ্জুন দৈমাৰী, জ্যেষ্ঠ সাংবাদিক গৌৰীশংকৰ দাসকে ধৰি উপস্থিত ৰাইজে মতামত আগবঢ়ায়। চিকিৎসালয়খনত চিকিৎসক আৰু নাৰ্চৰ অভাৱ আৰু পৰীক্ষাগাৰত শীতলীকৰণ ব্যৱস্থা নথকাৰ বিষয়ৰ উপৰি আনুসাংগিক বিভিন্ন দিশত আলোচনা কৰে। বিধায়ক বিকন চন্দ্ৰ ডেকাই সমস্যাসমূহ জিলা স্বাস্থ্য বিষয়াৰ সৈতে আলোচনা মৰ্মে সমাধান কৰাৰ ব্যৱস্থা কৰে। নতুনকৈ নিৰ্মাণ কৰি থকা চিকিৎসালয় ভৱনটো বিভাগীয়ভাৱে নিৰ্ধাৰণ কৰি দিয়া সময়সীমা চলিত মাহৰ ডিচেম্বৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰি তোলাৰ বাবে নিবিদাপ্ৰাপ্ত ঠিকাদাৰ আৰু বিভাগীয় অভিযন্তাক সভাই দাবী জনায়। বিধায়ক বিকন চন্দ্ৰ ডেকাক সভাপতি, চিকিৎসালয়খনৰ অধীক্ষক ডাঃ অঞ্জন হাজৰিকাক সদস্য সচিব, টংলা পৌৰসভাৰ পৌৰপতি অৰ্জুন দৈমাৰী, উপ পৌৰপতি অজিত সাহা, মুদৈবাৰী সমষ্টিৰ পাৰিষদ দিগন্ত বৰুৱা, হৰিশিঙা ৰাজহ চক্ৰ বিষয়া মদিৰা বেগম, টংলা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জীৱেন্দ্ৰ ব্ৰহ্ম, পৌৰসভাৰ ৱাৰ্ড কমিচনাৰ ক্ৰমে তুম্পা পাল, নৱীন ডেকা, সুব্ৰত সাহা, ৰীতামনি তালুকদাৰ, সমাজসেৱক ক্ৰমে গৌৰীশংকৰ দাস, দেৱানন্দ বৰ্মন, নাৰায়ণ ডেকাক সদস্যৰূপে মনোনিত কৰি চিকিৎসালয় পৰিচালনা সমিতিখন গঠন কৰি দিয়ে। নৱনিৰ্বাচিত সমিতিখনে বিধায়ক বিকন চন্দ্ৰ ডেকাৰ নেতৃত্বত চিকিৎসালয়খনৰ নৱনিৰ্মীত চিকিৎসালয় ভৱনৰ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰি অভিযন্তা আৰু ঠিকাদাৰক মানবিশিষ্ট সামগ্ৰী ব্যৱহাৰেৰে নিৰ্মাণ কাৰ্য চলাই নিয়াৰ বাবে টানি অনুৰোধ জনায়। বিধায়ক বিকন চন্দ্ৰ ডেকাৰ নেতৃত্বত টংলা চিকিৎসালয়ৰ সেৱাৰ মানদণ্ড আৰু স্বাস্থ্যসেৱাৰ অধিক উন্নতি সাধন হ'ব বুলি ৰাইজে আশা প্ৰকাশ কৰে।

**NAME CORRECTION**

I, Angoor Bibi, W/O-Nizam Uddin, residing at Village Barpurahuria, P.O.-Manikganj, District-Sribhumi, Assam, have changed my name to Zolikha Khanom by way of an affidavit duly swarn before the competent authority. Henceforth, I shall be known as Zolikha Khanom for all purposes. Angoor Bibi and Zolikha Khanom are one and the same person.

AB-96/2026

**NAME CORRECTION**

Sworn before Notary Public at Udalguri on 01-07-2026, I, Smt. Hima Boro Kachari, W/O Upen Kachari, D/O Kula Ram Boro, R/O Vill. Betagaon, P.O. Malmura, P.S. Tangla, Dist. Udalguri, Assam, declare that my paternal surname is Boro. After marriage, I now write my name as Hima Boro Kachari in place of Himma Boro, as recorded in my Aadhaar Card (Aadhar No. 7067 9087 8734) and PAN Card (Pan No. CJCPB2573A). Hima Boro Kachari, Hima Boro, and Himma Boro are one and the same person.

Sd/- Hima Boro Kachari

AB-97/2026

# নাথ যোগী জনগোষ্ঠীৰ সৰ্বাংগীণ উন্নয়নৰ আশ্বাস দুধনৈ আৰু পশ্চিম গোৱালপাৰাৰ বিধায়কদ্বয়ৰ

## গোৱালপাৰাত কৃতী ছাত্ৰ-ছাত্ৰী আৰু নৱ-নিৰ্বাচিত বিধায়কক উষ্ম সম্বৰ্ধনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ৪ জুলাই ঃ** গোৱালপাৰা জিলা নাথ যোগী সন্মিলনীৰ উদ্যোগত আৰু ভাতৃ-ভগ্নী সংগঠনসমূহৰ সহযোগত ২ জুলাইত এক গাম্ভীৰ্যপূৰ্ণ সম্বৰ্ধনা সভা অনুষ্ঠিত হৈ যায়। জিলাখনৰ মুখ্য কাৰ্যালয় বুধিপাৰাত অনুষ্ঠিত এই বিশেষ কাৰ্যসূচীত স্বজাতিৰ ৭৫ শতাংশ বা তাতকৈ অধিক নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ লগতে, সদ্যসমাপ্ত নিৰ্বাচনত জয়লাভ কৰা ১৫নং দুধনৈ অনুসূচীত জনজাতি বিধানসভা সমষ্টিৰ বিধায়ক টংকেশ্বৰ ৰাভা আৰু ১৩নং পশ্চিম গোৱালপাৰা অনুসূচীত জনজাতি বিধানসভা সমষ্টিৰ বিধায়ক পবিত্ৰ কুমাৰ ৰাভাকো উষ্ম আদৰণি জনোৱা হয়। উমেশ চন্দ্ৰ নাথৰ সভাপতিত্বত আৰু কৃপল নাথৰ সুচাৰু পৰিচালনাত অনুষ্ঠিত এই সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকে এ চি এছ(ACS) বিষয়া মৌচুমী নাথ। সভাত উপস্থিত থাকি বিধায়ক তথা ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই ছাত্ৰ-ছাত্ৰীসকলক কেৱল পাঠ্যপুথিতে আৱদ্ধ নাথাকি, জ্ঞানৰ সঠিক ব্যৱহাৰেৰে নিজকে সমাজৰ একো একোজন সুনাগৰিক হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনায়। তেওঁ কয়- "নাথ যোগীসকলৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক উত্তৰণৰ বাবে মই সদায় সঁহাৰি জনাম। বিশেষকৈ নাথ যোগী জনগোষ্ঠীৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ যি দীৰ্ঘদিনীয়া দাবী, সেই বিষয়টো মই বিধানসভাৰ মজিয়াত জোৰদাৰভাৱে উত্থাপন কৰিম।" আনহাতে, ১৩নং পশ্চিম গোৱালপাৰা সমষ্টিৰ বিধায়ক পবিত্ৰ কুমাৰ ৰাভাই উঠি অহা প্ৰজন্মক নিজৰ শিপা আৰু ধৰ্মীয় অনুভূতিক সন্মান জনাই আগবাঢ়ি যাবলৈ পৰামৰ্শ দিয়ে। চহৰমুখী প্ৰৱণতা হ্ৰাস কৰি স্বাৱলম্বী হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ কয়- "শত্ৰুৱে বৰঘৰত প্ৰৱেশ কৰিছে, গতিকে কেৱল মুখেৰে 'পথাৰ আমাৰ বজাৰ আমাৰ' বুলিলেইনহ'ব, হাতে-কামে কৰি দেখুৱাব লাগিব। বজাৰৰ পৰা ভেজালি খাদ্য খোৱাৰ সলনি নিজে ফল-মূল, শাক-পাচলি, মাছ-মাংস বিক্ৰী কৰি স্বাভিমানী অসমীয়া হিচাপে প্ৰতিষ্ঠিত হ'ব লাগে।" তেওঁ আৰু কয় যে চহৰত অট্টালিকা সজাতকৈ গাঁৱৰ ঘৰখন ধুনীয়াকৈ সজাই নিজ পিতৃ-মাতৃ আৰু গাওঁখনলৈ গৌৰৱ কঢ়িয়াই আনিব লাগে। নিৰ্বাচনৰ সময়ত নাথ যোগী জনগোষ্ঠীৰ ৰাইজে দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি বিধায়কগৰাকীয়ে আশ্বাস দিয়ে যে জাতিটোৰ প্ৰতিটো আপদ-বিপদত তেওঁ সহায় কৰিব আৰু উন্নয়নৰ স্বাৰ্থত মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা মৰ্মে বিহিত ব্যৱস্থা ল'ব। পবিত্ৰ কুমাৰ ৰাভাই জিলাখনৰ বাবে এটা অতি গুৰুত্বপূৰ্ণ ঘোষণা কৰি কয় যে গোৱালপাৰাবাসীৰ দীৰ্ঘদিনীয়া সপোন "গোৱালপাৰা চিকিৎসা মহাবিদ্যালয়'ৰ কাম আগন্তুক বিধানসভা অধিৱেশনৰ পিছতেই মুখ্যমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি বালিজানাত স্থাপন কৰা হ'ব। উক্ত অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে দীপাংক কুমাৰ নাথ (সভাপতি, বিজেপি গোৱালপাৰা জিলা) দীপক নাথ (অধ্যক্ষ, গোৱালপাৰা জিলা নগৰ উন্নয়ন প্ৰাধিকৰণ)সূচীত্ৰা নাথ (সাধাৰণ সদস্যা, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদ)নৱদ্বীপ নাথ (ৰাজ্যিক সম্পাদক, OBC মৰ্চা, অসম প্ৰদেশউদ্ধব চন্দ্ৰ নাথ (কাৰ্যবাহী সভাপতি, সদৌ অসম নাথ যোগী যুৱ পৰিষদ) আৰু। কৃষ্ণা দেৱী (বিজেপি মহিলা মৰ্চা, গোৱালপাৰা) সম্বৰ্ধনা সভাখনত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা দুশৰো অধিক স্থানীয় ৰাইজ তথা সমাজকৰ্মী উপস্থিত থাকি কাৰ্যসূচীটো সফল কৰি তোলে।

# বিশ্বনাথ আৰু বিহালীত ক্ষুদ্ৰ চাহ খেতিয়কৰ কৃষক পঞ্জীয়নৰ শুভাৰম্ভ কৰিলে কৃষি মন্ত্ৰী পীযূষ হাজৰিকাই

## উপকৃত হ'ব ৰাজ্যখনৰ লক্ষাধিক ক্ষুদ্ৰ চাহ খেতিয়কসক



**অসম বাৰ্তা, বিহালী, ৪ জুলাই ঃ** অসম চৰকাৰৰ কৃষি আৰু জলসিঞ্চন বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই আজি বিশ্বনাথ জিলাৰ দুটা পৃথক স্থানত ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ কৃষক পঞ্জীকৰণৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উল্লেখ্য যে সমগ্ৰ অসমতে চলি থকা এই পঞ্জীয়ন অভিযানত এতিয়াৰে পৰা চাহ খেতিয়কসকলক কৃষকৰ মৰ্যাদা প্ৰদান কৰি সকলো চৰকাৰী আঁচনিৰ সুবিধা প্ৰদান কৰা হ'ব। এই উপলক্ষে বিহালীত অনুষ্ঠিত হোৱা প্ৰথমখন সভাত কৃষি মন্ত্ৰী গৰাকীয়ে উপস্থিত কৃষক ৰাইজক সম্বোধন কৰি এই পঞ্জীয়নৰ জৰিয়তে ক্ষুদ্ৰ চাহ খেতিয়ক সকল কেনেদৰে চৰকাৰীভাৱে উপকৃত হ'ব সেই বিষয়ে বক্তব্য দাঙি ধৰে। বৰগাংস্থিত শ্ৰীমন্তশঙ্কৰদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এই বিশেষ অনুষ্ঠানটিত জিলা কৃষি বিষয়া বানেশ্বৰ বেই আদৰণি ভাষণ প্ৰদান কৰাৰ লগতে শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই নাতিদীৰ্ঘ ভাষণ প্ৰদান কৰে। এই কাৰ্যসূচীত বিহালীৰ বিধায়ক মুনীন্দ্ৰ দাস, জিলা আয়ুক্ত কৰৱী শইকীয়া কৰণ, প্ৰাক্তন বিধায়ক দিগন্ত ঘাটোৱাল, অসম বীজ নিগমৰ অধ্যক্ষ প্ৰবীণ হাজৰিকা, বিহালী সম-জিলা আয়ুক্ত কবিতা কাকতি কোঁৱৰ, বিশ্বনাথ জিলা পৰিষদৰ সভানেত্ৰী সুনীতা তাঁতী, প্ৰমুখ্যে বহু কেইগৰাকী সন্মানীয় ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানটিত বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ পঞ্জীয়ন প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰা হয়। আনহাতে বিশ্বনাথ চাৰিআলিৰ কমলাকান্ত নাট্য সমাজত অনুষ্ঠিত হোৱা দ্বিতীয়খন সভাতো কৃষি মন্ত্ৰী পীযুষ হাজৰীকাই ভাষণ প্ৰদান কৰি কৃষক পঞ্জীয়ন প্ৰক্ৰিয়াত ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ অন্তৰ্ভুক্তিকৰণৰ ফলত চাহ খেতিয়কসকলৰ ইতিবাচক দিশ সমূহৰ কথা উল্লেখ কৰে। মন্ত্ৰী হাজৰিকাই ভাষণত কয় যে, ৰাজ্য চৰকাৰে প্ৰথমবাৰৰ বাবে ক্ষুদ্ৰ চাহ খেতিয়কসকলক কৃষক হিচাপে স্বীকৃতি দিছে। পঞ্জীয়নৰ জৰিয়তে তেওঁলোকে পি এম কিষাণ, শস্য বীমা, কৃষি যন্ত্ৰপাতিৰ ৰাজসাহায্য আদি সকলো সুবিধা লাভ কৰিব। তেওঁ সকলো যোগ্য ক্ষুদ্ৰ চাহ খেতিয়কক শীঘ্ৰে পঞ্জীয়ন কৰাবলৈ আহ্বান জনায়। অনুষ্ঠানটিত কৃষি বিভাগ আৰু ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ দ্বাৰা অতিথিসকলক আদৰণি জনোৱা হয়। বিশ্বনাথৰ বিধায়ক পল্লবলোচন দাসে নাতিদীৰ্ঘ ভাষণ প্ৰদান কৰা অনুষ্ঠানটিত কৃষি মন্ত্ৰী গৰাকীয়ে বিশ্বনাথ বিধানসভা সমষ্টিৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ কৃষক পঞ্জীয়নৰ শুভাৰম্ভ কৰে। অনুষ্ঠানটিত আঞ্চলিক ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সচিব ভাৰত কলিতায়ো বক্তব্য দাঙি ধৰে। এই বিশেষ কাৰ্যসুচীতো জিলা আয়ুক্ত কৰৱী শইকীয়া কৰণ, প্ৰাক্তন বিধায়ক প্ৰমোদ বৰঠাকুৰ, বীজ নিগমৰ অধ্যক্ষ প্ৰবীণ হাজৰিকা, বিশ্বনাথ চাৰিআলি পৌৰ সভাৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰ, সমাজকৰ্মী অসীম দাস প্ৰমুখ্যে সন্মানীয় ব্যক্তিসকল উপস্থিত আছিল। উল্লেখ্য যে এই পঞ্জীয়ন প্ৰক্ৰিয়াৰ জৰিয়তে ৰাজ্যখনৰ লক্ষাধিক ক্ষুদ্ৰ চাহ খেতিয়ক উপকৃত হ'ব।

# অসম দক্ষতা বিশ্ববিদ্যালয়ত ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচীৰ শুভাৰম্ভ

## ২০২৬-২৭ শিক্ষাবৰ্ষৰ বাবে ২৫০ৰো অধিক শিক্ষাৰ্থীৰ নামভৰ্তি

**অসম বাৰ্তা, মঙলদৈ, ৪ জুলাই ঃ** মঙলদৈস্থ অসম দক্ষতা বিশ্ববিদ্যালয়ে ১ জুলাইৰ পৰা বিভিন্ন বিভাগত ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচী আৰম্ভ কৰিছে। ইয়াৰ মূল উদ্দেশ্য হৈছে শিক্ষাৰ্থীসকলক ব্যৱহাৰিক অভিজ্ঞতা, হাতে-কামে শিকাৰ সুযোগ আৰু উদীয়মান তথা উদ্যোগ-সম্পৰ্কীয় ক্ষেত্ৰসমূহত দক্ষতাভিত্তিক প্ৰশিক্ষণ প্ৰদান কৰা। ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচীসমূহৰ অন্তৰ্গত ইলেক্ট্ৰিক ভেহিকল, সৌৰ শক্তি, ছেমিকণ্ডাক্টৰ এছেম্বলী এণ্ড টেষ্টিং, আইঅ'টি আৰু পিচিবি ডিজাইন, পাইথন প্ৰগ্ৰামিং, মেচিন লাৰ্নিং, স্পীচ টেকন'লজী, খাদ্য, পুষ্টি ২০২৬-২৭ শিক্ষাবৰ্ষৰ বাবে আৰু ডায়েট মেনেজমেণ্ট, ছফ্‌ট স্কিল্স আৰু পেছাগত আচাৰ-ব্যৱহাৰ, মাশ্বৰুম টেকন'লজী, এডভান্সড ছাৰ্ভেয়িং, চিএনচি মিলিং আদি বিভিন্ন প্ৰশিক্ষণ কাৰ্যসূচী অন্তৰ্ভুক্ত কৰা হৈছে। উপাচাৰ্য সুভাষ চন্দ্ৰ দাস, আইএএছ (অৱসৰপ্ৰাপ্ত)-এ এই উদ্যোগ-সম্পৰ্কীয় ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচীসমূহ আৰম্ভ কৰাত সংশ্লিষ্ট সকলো বিভাগীয় মুৰব্বীসকলৰ প্ৰচেষ্টাৰ প্ৰশংসা কৰে। অসম দক্ষতা বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক হানিফ নুৰানীয়ে জনায় যে, 'এই ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচীসমূহৰ আৰম্ভণিয়ে বিশ্ববিদ্যালয়ত দক্ষতাভিত্তিক শিক্ষাক অধিক শক্তিশালী কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত হৈছে। আমি সু-শৃংখল শৈক্ষিক সমন্বয় নিশ্চিত কৰা আৰু শিক্ষাৰ্থীসকলক অৰ্থৱহ ব্যৱহাৰিক তথা উদ্যোগমুখী শিক্ষাৰ সুযোগ প্ৰদান কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।' এই উদ্যোগৰ শৈক্ষিক গুৰুত্বৰ বিষয়ে উল্লেখ কৰি অসম দক্ষতা বিশ্ববিদ্যালয়ৰ শৈক্ষিক ডীন প্ৰফেছৰ মনোজ ডেকাই জনায় যে, 'ইণ্টাৰ্ণশ্বিপ হৈছে শ্ৰেণীকোঠাৰ শিক্ষা আৰু বাস্তৱ ক্ষেত্ৰৰ প্ৰয়োগৰ মাজৰ এক গুৰুত্বপূৰ্ণ সেতু। এই কাৰ্যসূচীসমূহৰ জৰিয়তে শিক্ষাৰ্থীসকলে হাতে-কামে অভিজ্ঞতা লাভ কৰিব, আত্মবিশ্বাস বৃদ্ধি কৰিব আৰু ব্যৱহাৰিক অভিজ্ঞতাৰ জৰিয়তে তেওঁলোকৰ শৈক্ষিক জ্ঞান অধিক শক্তিশালী কৰিব।' বিশ্ববিদ্যালয়ৰ সাতটা বিভাগত মুঠ ২৫০ গৰাকীতকৈ অধিক শিক্ষাৰ্থীয়ে ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচীত নামভৰ্তি কৰিছে। বিভাগ অনুসৰি, এপ্লাইড মেনেজমেণ্ট বিভাগত ৩৭গৰাকী, চিভিল ইঞ্জিনিয়াৰিং বিভাগত ৫৯গৰাকী, ইলেক্ট্ৰিকেল ইঞ্জিনিয়াৰিং বিভাগত ৩২গৰাকী, ইলেক্ট্ৰনিক্‌ছ এণ্ড কমিউনিকেচন বিভাগত ২৭ গৰাকী, ইনফৰ্মেচন টেকন'লজী বিভাগত ১৭৭ গৰাকী, ফুড টেকন'লজী বিভাগত ১০গৰাকী আৰু মেকানিকেল ইঞ্জিনিয়াৰিং বিভাগত ৮গৰাকী শিক্ষাৰ্থীয়ে নামভৰ্তি কৰিছে। অসমৰ বিভিন্ন জিলাৰ পৰা অংশগ্ৰহণ কৰা শিক্ষাৰ্থীসকলৰ উপস্থিতিয়ে সমগ্ৰ ৰাজ্যৰ শিক্ষাৰ্থীসকলৰ বাবে গুণগত দক্ষতা শিক্ষা বিস্তাৰ আৰু অন্তৰ্ভুক্তিমূলক, উদ্যোগমুখী শিক্ষাৰ সুযোগ সৃষ্টি কৰাৰ ক্ষেত্ৰত অসম দক্ষতা বিশ্ববিদ্যালয়ৰ প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰে। এই উদ্যোগৰ বিষয়ে বক্তব্য ৰাখি অসম দক্ষতা বিশ্ববিদ্যালয়ৰ ইণ্ডাষ্ট্ৰী এংগেজমেণ্ট এণ্ড আউটৰিচৰ সঞ্চালক প্ৰফেছৰ বিকাশ সিং ভাদোৰিয়াই জনায় যে, 'অসম দক্ষতা বিশ্ববিদ্যালয় অসমৰ বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীসকলক দক্ষ কৰি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ, যাতে তেওঁলোকে বৰ্তমান উদ্যোগ ক্ষেত্ৰৰ প্ৰয়োজনীয়তাৰ সৈতে খাপ খাব পাৰে। এই ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচীসমূহ শিক্ষাৰ্থীসকলক ব্যৱহাৰিক অভিজ্ঞতা প্ৰদান, নিয়োগযোগ্যতা বৃদ্ধি আৰু আজিৰ পেছাগত জগতত প্ৰয়োজনীয় দক্ষতাসমূহ বুজি পোৱাত সহায় কৰাৰ উদ্দেশ্যৰে ৰূপায়ণ কৰা হৈছে।' এই ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচীসমূহৰ জৰিয়তে অসম দক্ষতা বিশ্ববিদ্যালয়ে ব্যৱহাৰিক শিক্ষা, নিয়োগযোগ্যতা বৃদ্ধি আৰু দক্ষতাভিত্তিক শিক্ষাৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতি অধিক শক্তিশালী কৰি আগবাঢ়ি গৈছে। এই উদ্যোগে শিক্ষাৰ্থীসকলক পেছাগত পৰিৱেশ, উদীয়মান প্ৰযুক্তি, কৰ্মক্ষেত্ৰৰ দক্ষতা আৰু প্ৰয়োগমুখী শিক্ষাৰ অভিজ্ঞতা লাভ কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

# বৰজলাহ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অনুপমা ভট্টাচাৰ্যক বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৪ জুলাই ঃ** ওদালগুৰি খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ অধীনৰ বৰজলাহ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অনুপমা ভট্টাচাৰ্যক যোৱা ১ জুলাইত জংগলপাৰা প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে বিদায় সম্বৰ্ধনা জনায়। বৰজলাহ প্ৰাথমিক বিদ্যালয়ত ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গৌৰীশংকৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সভা আৰম্ভ হয় বৰজলাহ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা এক সমবেত সংগীতেৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষক কেন্দ্ৰৰ সম্পাদক চন্দ্ৰশেখৰ কাকতিয়ে। সভাত আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰি জলাহ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিষ্ণু ৰাম ডেকা আৰু কলাগুৰু বিষ্ণুৰাভা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কনক শইকীয়াই অনুপমা ভট্টাচাৰ্যৰ গুণাৱলীৰ উল্লেখ কৰি প্ৰশংসা কৰে আৰু বৰ্তমান কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে তেওঁ প্ৰেৰণাৰ উৎস বুলি অভিহিত কৰে। ইয়াৰ পিছতে তেওঁক গামোচা, শৰাই, মান-পত্ৰ আৰু গ্ৰন্থ প্ৰদান কৰি সম্বৰ্ধনা জনোৱা হয়। সমজুৱাৰ হৈ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি কৈলাস ভৰালী, বিমল শৰ্মা, প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ সভাপতি নিৰদা দেৱী ডেকা আৰু বৰজলাহ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী পবিত্ৰা ছেত্ৰীয়ে দুআষাৰকৈ কয়। সভাৰ মাজতে বটাবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী প্ৰণতি হাজৰিকাই এটি কবিতা আবৃত্তি কৰে। শলাগ জ্ঞাপন কৰে শিক্ষক কেন্দ্ৰৰ সম্পাদক চন্দ্ৰশেখৰ কাকতিয়ে।

### এই আঁচনৰ পৰা প্ৰতিটো ৱাৰ্ডৰ কোনো যোগ্য ব্যক্তি যাতে বঞ্চিত নহয় ঃ মন্ত্ৰী নিলীমা দেৱী

# দৰং জিলাত 'বিকশিত ভাৰত-জি ৰাম জি আঁচনি'ৰ শুভ উদ্বোধন

**অসম বাৰ্তা, মঙলদৈ, ৪ জুলাই ঃ** সমগ্ৰ দেশৰ লগতে বৃহস্পতিবাৰে দৰং জিলাতো 'বিকশিত ভাৰত-জি ৰাম জি আঁচনি'ৰ উদ্বোধনী অনুষ্ঠান মঙলদৈস্থিত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। এই আঁচনিখনৰ মূল লক্ষ্য হৈছে গ্ৰাম্য অৰ্থনীতি অধিক শক্তিশালী কৰাৰ লগতে গ্ৰামাঞ্চলত বহনক্ষম জীৱিকাৰ সুযোগ সৃষ্টিৰ জৰিয়তে অন্তিমজন ব্যক্তিলৈ উন্নয়নৰ সুফল নিশ্চিত কৰা। জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত আজিৰ এই আনুষ্ঠানিক উদ্বোধন অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ মীন, পশুপালন আদি বিভাগৰ মন্ত্ৰী নিলীমা দেৱীয়ে আনুষ্ঠানিকভাৱে আঁচনিখন উদ্বোধন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি প্ৰসংগক্ৰমে তেওঁ মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চয়তা আঁচনি আৰু 'বিকশিত ভাৰত-জি ৰাম জি আঁচনি'ৰ মাজৰ মৌলিক পাৰ্থক্য ব্যাখ্যা কৰি কয় যে নতুন আঁচনিখন গ্ৰামাঞ্চলৰ সামগ্ৰিক উন্নয়ন আৰু স্থায়ী সম্পদ সৃষ্টিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে আঁচনিখনৰ সঠিক আৰু ফলপ্ৰসূ ৰূপায়ণৰ প্ৰয়োজনীয়তাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি ৰাজ্য চৰকাৰে গাঁও আৰু নগৰৰ মাজৰ বৈষম্য দূৰ কৰি সমন্বিত উন্নয়নৰ লক্ষ্যৰে নিৰন্তৰভাৱে কাম কৰি আহিছে বুলিও মন্তব্য কৰে। প্ৰতিখন পঞ্চায়তে উন্নয়নমূলক কাৰ্যসূচী ৰূপায়ণৰ বাবে বছৰি প্ৰায় ২ কোটি টকাৰ অনুদান লাভ কৰিব বুলি উল্লেখ কৰাৰ লগতে আঁচনিখনৰ অধীনত ১২৫ দিনৰ কৰ্মসংস্থাপনৰ নিশ্চয়তা প্ৰদান কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। ইয়াৰ উপৰি মন্ত্ৰীগৰাকীয়ে পঞ্চায়ত প্ৰতিনিধিসকলক নিজ নিজ এলেকাত উন্নয়নমূলক আঁচনিসমূহ দায়িত্বশীলভাৱে ৰূপায়ণ কৰাৰ আহ্বান জনায় আৰু চৰকাৰৰ কল্যাণমূলক আঁচনিসমূহ যাতে প্ৰতিটো ৱাৰ্ডৰ অন্তিমজন যোগ্য হিতাধিকাৰীৰ ওচৰ পায়গৈ আৰু কোনো যোগ্য ব্যক্তি যাতে বঞ্চিত নহয়, সেই দিশত সজাগ আৰু দায়বদ্ধভাৱে কাম কৰিবলৈও আহ্বান জনায়। উক্ত অনুষ্ঠানত ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, দলগাঁও সমষ্টিৰ বিধায়ক মজিবুৰ ৰহমান, অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা আৰু দৰং জিলাৰ জিলা আয়ুক্ত আয়ুষী জৈনেও ভাষণ প্ৰদান কৰি আঁচনিখনৰ সফল ৰূপায়ণৰ বাবে সংশি-ষ্ট সকলো বিভাগ, পঞ্চায়ত প্ৰতিনিধি আৰু অংশীদাৰসকলক সমন্বয় আৰু নিষ্ঠাৰে কাম কৰি যাবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে, উদ্বোধনী অনুষ্ঠানত দৰং জিলাৰ ৭৫খন গাঁও পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধি, দৰং জিলা পৰিষদৰ ১২গৰাকী সদস্য, বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু গণ্যমান্য ব্যক্তিসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ অংশ হিচাপে অন্ধ্ৰপ্ৰদেশৰ তিৰুপতিত অনুষ্ঠিত কেন্দ্ৰীয় উদ্বোধনী কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰ অনুষ্ঠানত উপস্থিত সকলোৱে উপভোগ কৰিব পৰাকৈ দৃশ্যায়নৰো ব্যৱস্থা কৰা হয়।

# বৰগাং ক্ৰিকেট একাডেমী পুনৰ উদ্বোধন

**অসম বাৰ্তা, জিনজিয়া, ৪ জুলাই ঃ** ২০২৪ চনৰ ১৯ মে পৰাই আৰম্ভ হোৱা বৰগাং ক্ৰিকেট একাডেমীৰ বিশ্বনাথ জিলা ক্ৰীড়া বিভাগৰ স্বিকৃতি লাভ কৰাত আজি পুনৰ উদ্বোধন কৰা হয়। আজি বিহালীৰ বিধায়ক মুনীন্দ্ৰ দাসে আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে। এই অনুষ্ঠানৰ আত ধৰে বিতুপন লহকৰে। অনুষ্ঠানত বিহালী স্নাতক মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° বিনোদ সুবেদী, বিহালী চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ কৃষ্ণ বৰাল, সমাজকৰ্মী জৈনুনদ্দিন আনচাৰী, নিপুল শইকীয়া, বিহালী প্ৰেছক্লাবৰ সভাপতি ভুবন লুইটেল, উপ-সভাপতি খগেন মটক, সম্পাদক অম্লান কাশ্যপ চাহা, সাংবাদিক মিণ্টু বৰা লগতে অভিভাৱক অভিভাৱিকা সকল উপস্থিত আছিল। প্ৰশিক্ষক আছিফ আলিয়ে বৰগাং ক্ৰিকেট একাডেমীৰ কেতবোৰে সমস্যা উল্লেখ কৰে আৰু বিধায়ক দাসে খেল মন্ত্ৰীৰ লগত আলোচনা কৰি পৰ্যায়ক্ৰমে সমাধান কৰাৰ আশ্বাস দিয়ে।

# চাইবাৰ অপৰাধীৰ নতুন কৌশল; লোন দিয়াৰ চলেৰে লুটিলে সমস্ত ধন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৪ জুলাই ঃ** চাইবাৰ অপৰাধীয়ে বিভিন্ন কৌশলেৰে ধন লুট কৰা ঘটনা নিতৌ সংঘটিত কৰি অহাৰ খবৰ প্ৰকাশ পাই আহিছে। এইবাৰ এই অপৰাধীসকলে অৱলম্বন কৰিছে নতুন কৌশল। এইবাৰ অনলাইনযোগে নহয়, খোদ ধনৰ গৰাকীৰ সন্মুখত থিয় হৈ লোন দিয়াৰ চলেৰে লুটিলে একাউণ্টৰ সমস্ত ধন। এই ঘটনা সংঘটিত হৈছে গোলাঘাট নগৰৰ হোটেল কামধেনুৰ গৰাকী বিজয় বৰাৰ লগত। বিজয় বৰাই জানিবলৈ দিয়া মতে কালি তেওঁৰ হোটেললৈ আহিছিল দুগৰাকী যুৱক। যুৱক দুগৰাকীয়ে হোটেলত ভাত খাই বৰাৰ লগত বিভিন্ন কথা বতৰাৰ মাজতে তেওঁ লোকে PayTmৰ জৰিয়তে লোণ দিব পাৰিব বুলি জানিবলৈ দিয়ে। বৰাই নিজৰ হোটেলত বহিয়েই লোণ পোৱাৰ সুবিধা দেখি payTim কাৰ্ডৰ লগতে আধাৰ আৰু পান কাৰ্ড লোক দুজনৰ হাতত তুলি দিয়ে। লোক দুজনে বৰাৰ মোবাইল খুলি চাই ক'লে আপুনি আপোনাৰ একাউণ্টৰ পৰা লোণ পাব বুলি লোক দুজন গুচি যায় আৰু বৰাও হোটেলৰ অন্য গ্ৰাহকৰ সৈতে ব্যস্ত হৈ পৰে। পুনৰ দেৰিকে লোক দুজন বৰাৰ হোটেললৈ আহি বেংকৰ পৰা ফোন আহিছিল নেকি বুলি সুধি গুচি যায়। বৰাৰ মনত সন্দেহ হোৱাত নিজৰ একাউণ্ট পৰীক্ষা কৰাত দেখিলে তেওঁৰ G-pay বন্ধ হৈ গৈছে আৰু ATMৰ জৰিয়তে ধন উলিয়াবলৈ গৈ দেখে মাথোঁ এশ টকাহে তেওঁৰ একাউণ্টত আছে। অপৰাধী দুজনে বৰাৰ প্ৰায় অৰ্ধ লক্ষাধিক ধন লুটি নিয়ে। বৰাই জনোৱা মতে অপৰাধী দুজন বহি ৰাজ্যৰ বুলি। ইতিমধ্যে ভুক্তভোগী বৰা গোলাঘাট আৰক্ষীৰ কাষ চাপিছে।

### পুৰণিগুদাম আৰক্ষী চকীত ন্যায় বিচাৰি উপস্থিত দুই শতাধিক লোক

# পুৰণিগুদামৰ পথ দুৰ্ঘটনাক লৈ চাঞ্চল্য অব্যাহত

**অসম বাৰ্তা, পুৰণিগুদাম, ৪ জুলাই ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত তথা পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ পুৰণিগুদাম গড়মূৰত যোৱা ৩০ জুনৰ নিশা সংঘটিত হোৱা শোকাৱহ পথ দুৰ্ঘটনাটো বৰ্তমান অতি ৰহস্যঘন হৈ পৰিছে। যোৱা ৩০ জুনৰ নিশা পুৰণিগুদাম গড়মূৰত এখন বগা ৰঙৰ মিনি ট্ৰাকে এখন স্কুটিত খুন্দা মৰাৰ ফলতেই পথ দুৰ্ঘটনাটো সংঘটিত হৈছিল আৰু উক্ত পথ দুৰ্ঘটনাত পুৰণিগুদাম কঢ়ালী গাঁৱৰ হৃষিকেশ বৰা আৰু বিকাশদীপ মুদৈ নামৰ দুজন উদীয়মান যুৱকৰ অকাল মৃত্যু হৈছিল। পথ দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পূৰ্বে মৃত হৃষিকেশ বৰাক পুৰণিগুদাম মুঢ়ানী গাঁৱৰ বনদ্বীপ নামৰ এজন যুৱকে পুৰণিগুদাম গড়মূৰলৈ মাতি নিয়াৰ অভিযোগ উত্থাপন কৰিছে পৰিয়ালৰ লোকে। উক্ত নিশা পুৰণিগুদাম গড়মূৰত পুৰণিগুদাম মুঢ়ানী গাঁৱৰ বনদ্বীপ নামৰ এজন ল'ৰাৰ লগত নগাঁও আৰু পুৰণিগুদামৰ দুটা নিচামুক্তি কেন্দ্ৰৰ একাংশ লোকৰ প্ৰেমজনিত কাৰণত এক মাৰপিটৰ ঘটনা সংঘটিত হৈ আছিল। পাছত বনদ্বীপে মৃত হৃষিকেশক ফোন কৰি সহায়ৰ আহ্বান জনাইছিল। পাছত বনদ্বীপৰ সেই ফোন পায় হৃষিকেশ বৰাই বিকাশদীপ মুদৈ আৰু পল শইকীয়াক এখন স্কুটীৰে লৈ পুৰণিগুদাম গড়মূৰত উপস্থিত হৈছিল। তিনিও যুৱক সেই স্থানত উপস্থিত হোৱাৰ পাছতেই নিচামুক্তি কেন্দ্ৰৰ দলটোৱে তিনিওকে লাঠি, জোং লৈ উপৰ্যুপৰি প্ৰহাৰ কৰে। ইয়াৰ পাছতেই চাপানালা দিশৰ পৰা এখন এম্বুলেন্স চায়ৰেন বজাই আগবাঢ়ি অহাত দুইপক্ষই আৰক্ষীৰ বাহন বুলি ভাবি পলাই পত্ৰং দিয়ে। সেই সুযোগতে পল শইকীয়াই নগাঁও দিশেৰে দৌৰি দৌৰি পলাই নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ চেষ্টা কৰাৰ লগতে হৃষিকেশ বৰা আৰু বিকাশদীপ মুদৈয়ে নিজৰ স্কুটীখন লৈ বিপৰীত দিশেৰে পলায়ন কৰোঁতেই পুৰণিগুদামৰ ভাৰতীয় জনতা পাৰ্টিৰ কলিয়াবৰ জিলা কাৰ্যালয়ৰ ঠিক সন্মুখতে এখন বগা ৰঙৰ মিনি ট্ৰাকে খুন্দা মাৰে যাৰ ফলত হৃষিকেশ বৰাৰ ঘটনাস্থলীতে মৃত্যু হোৱাৰ লগতে বিকাশদীপ মুদৈক চিকিৎসালয়লৈ নি থকা অৱস্থাত মৃত্যু হয়। যুৱক দুজনক খুন্দা মৰা বগা ৰঙৰ মিনি ট্ৰাকৰ দৃশ্য ইতিমধ্যে চিচি টিভিত বন্দী হৈছে। ইয়াৰ পাছতেই পুৰণিগুদাম আৰক্ষী চকীত হৃষিকেশৰ পৰিয়ালে এজাহাৰ দাখিল কৰি ঘটনাৰ উচিত তদন্তৰ দাবী কৰিছে। এই সন্দৰ্ভত হৃষিকেশৰ মাতৃয়ে সংবাদ-মাধ্যমৰ জৰিয়তে মোৰ বুকু উদং কৰি যিদৰে মোৰ ল'ৰাটোক লৈ গ'ল ঠিক সেইদৰে চৰকাৰ তথা প্ৰশাসনে উচিত তদন্ত কৰি আমাক ন্যায় দিয়ক বুলি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ আহ্বান জনাইছে। ইফালে, মৃত বিকাশদীপ মুদৈৰ ঘৰখনতো বিৰাজ কৰিছে শোকাকুল পৰিৱেশ। বিকাশদীপ মুদৈৰ পিতৃৱো চৰকাৰলৈ আহ্বান আমাক ন্যায় দিয়ক। আনহাতে, আজি বিয়লি পুৰণিগুদাম আৰক্ষী চকীত পুৰণিগুদাম কঢ়ালী গাঁৱৰ প্ৰায় দুই শতাধিক লোক উপস্থিত হৈ ঘটনাৰ উচিত তদন্তৰ দাবী কৰাৰ লগতে আৰক্ষীক ক্ষিপ্ৰতাৰে ঘটনাৰ তদন্ত কৰিবলৈ আহ্বান জনাইছে। লগতে স্থানীয় ৰাইজে দোষীক চিনাক্ত কৰি কঠোৰৰ পৰা কঠোৰতম শাস্তি প্ৰদান কৰিবলৈ আৰক্ষী তথা প্ৰশাসনক দাবী জনাইছে।

# ভাৰতীয় গৌ ৰক্ষা বাহিনীৰ নগাঁও জিলা সংখ্যালঘু কোষৰ প্ৰথম কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত

**অসম বাৰ্তা, বটদ্ৰৱা, ৪ জুলাই ঃ** ভাৰতীয় গৌ ৰক্ষা বাহিনীৰ সংখ্যালঘু কোষ, নগাঁও জিলাৰ প্ৰথমখন জিলা কাৰ্যনিৰ্বাহক সভা আজি কদমনি জামতলস্থিত ৰামপুৰ-সত্ৰ গাঁও পঞ্চায়তৰ প্ৰাংগণত অনুষ্ঠিত হয়। সভাত নগাঁও জিলা সংখ্যালঘু মৰ্চা আৰু ধিং সমষ্টি সমিতিৰ কাৰ্যকৰ্তাসকলেও অংশগ্ৰহণ কৰে। সভাত সংগঠনৰ সাংগঠনিক কাৰ্যকলাপ অধিক শক্তিশালী কৰা, গৌ সুৰক্ষা, সামাজিক সম্প্ৰীতি ৰক্ষা, জনসচেতনতা বৃদ্ধি আৰু আগন্তুক কাৰ্যসূচীসমূহ ৰূপায়ণ সন্দৰ্ভত বিস্তৃত আলোচনা অনুষ্ঠিত হয়। উক্ত সভাত ভাৰতীয় গৌ ৰক্ষা বাহিনীৰ ৰাজ্যিক মুখ্য উপদেষ্টা কৌস্তভ জ্যোতি মহন্ত, নগাঁও জিলা বিজেপিৰ উপ-সভাপতি অমৰজিৎ গোস্বামী, বটদ্ৰৱা থানাৰ সহ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, সংখ্যালঘু কোষ নগাঁও জিলা সভাপতি বাবুল ইছলাম, সংখ্যালঘু কোষ ধিং সমষ্টিৰ সভাপতি জহিৰুল ইছলামৰ লগতে ভাৰতীয় গৌ ৰক্ষা বাহিনীৰ নগাঁও জিলা আৰু ধিং সমষ্টিৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে।

# সৰুপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ বিনামূলীয়া গ্ৰীষ্মকালীন পাঠদান শিবিৰ

**অসম বাৰ্তা, সৰুপথাৰ, ৪ জুলাই ঃ** ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশটোৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰি তথা গ্ৰীষ্মকালীন বন্ধৰ সময়খিনিৰ সঠিক সদ্ব্যৱহাৰ কৰাৰ এক সুন্দৰ লক্ষ্যৰে সৰুপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ এক বিশেষ উদ্যোগত নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে এখন ২১ দিনীয়া বিনামূলীয়া গ্ৰীষ্মকালীন পাঠদান শিবিৰৰ আয়োজন কৰা হৈছে। অহা ১০ জুলাইৰ পৰা আৰম্ভ হৈ ৩১ জুলাই, ২০২৬ তাৰিখলৈকে ১ নং সৰুপথাৰ টাউন নিম্ন বুনিয়াদী বিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া এই গুৰুত্বপূৰ্ণ শিবিৰটি প্ৰতিদিনে পুৱা ১০ বজাৰ পৰা দুপৰীয়া ১২ বজালৈকে সুচাৰুৰূপে পৰিচালনা কৰা হ'ব। সৰুপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক আদিত্য যাদৱে জানিবলৈ দিয়া অনুসৰি সাধাৰণতে ছাত্ৰ-ছাত্ৰীসকলে কিছু জটিলতা অনুভৱ কৰা মূলতঃ তিনিটা বিষয়— ইংৰাজী, বিজ্ঞান আৰু গণিতৰ ওপৰত এই শিবিৰত বিশেষভাৱে পাঠদান কৰা হ'ব, যাতে আগন্তুক পৰীক্ষাসমূহৰ বাবে তেওঁলোকৰ শৈক্ষিক ভেটি অধিক সুদৃঢ় হয়। ছাত্ৰ সন্থাৰ এই বিনামূলীয়া আৰু সমাজমুখী প্ৰয়াসৰ ফলত অঞ্চলটোৰ বহুতো মেধাৱী তথা আৰ্থিকভাৱে পিছপৰা ছাত্ৰ-ছাত্ৰী বিশেষভাৱে উপকৃত হ'ব বুলি ছাত্ৰ-ছাত্ৰীসকলে আশা প্ৰকাশ কৰিছে। ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰিক উত্তৰণৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰহণ কৰা এই প্ৰশংসনীয় পদক্ষেপত অংশগ্ৰহণ কৰিব বিচৰা আগ্ৰহী ছাত্ৰ-ছাত্ৰী বা তেওঁলোকৰ অভিভাৱকসকলে নামভৰ্তি তথা আন যিকোনো প্ৰয়োজনীয় অধিক তথ্যৰ বাবে সৰুপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সৈতে 8822063119 অথবা 99542 74600 নম্বৰত যোগাযোগ কৰিব পাৰিব।

# দৰং জিলা প্ৰশাসনৰ অসম লোকসেৱা আয়োগৰ প্ৰাৰম্ভিক পৰীক্ষা সন্দৰ্ভত নিষেধাজ্ঞা জাৰি

**অসম বাৰ্তা, দেওমৰনৈ, ৪ জুলাই ঃ** অহা ৫ জুলাই তাৰিখে অনুষ্ঠিত হ'বলগীয়া অসম লোকসেৱা আয়োগৰ প্ৰাৰম্ভিক পৰীক্ষা মঙলদৈ ড'নবস্কো হাইস্কুল আৰু ৰণজিৎ শৰ্মা একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, মঙলদৈত অনুষ্ঠিত হ'ব। এই আনুষ্ঠিতব্য পৰীক্ষা প্ৰক্ৰিয়া শান্তিপূৰ্ণ, শৃংখলাবদ্ধ আৰু নকলমুক্তভাৱে অনুষ্ঠিত কৰাৰ স্বাৰ্থত দৰং জিলাৰ জিলা দণ্ডাধীশ আয়ুষী জৈনে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা (BNSS)-ৰ ধাৰা ১৬৩ৰ অধীনত সমগ্ৰ দৰং জিলাতে প্ৰযোজ্য হোৱাকৈ কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষা কেন্দ্ৰসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পৰীক্ষা চলি থকা সময়ত পৰীক্ষা কেন্দ্ৰসমূহৰ আশে-পাশে লাউডস্পীকাৰ, মাইক্ৰ'ফোন আৰু অন্যান্য শব্দবৃদ্ধিকাৰী সঁজুলিৰ ব্যৱহাৰ, পৰীক্ষা কেন্দ্ৰৰ চৌহদ আৰু ইয়াৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত অনধিকৃত ব্যক্তিৰ প্ৰৱেশ, অপ্ৰয়োজনীয় সমাগম বা ভিৰ কৰা, পৰীক্ষাৰ্থীসকলে পৰীক্ষা কক্ষলৈ অধ্যয়ন সামগ্ৰী, মোবাইল ফোন, ইলেক্ট্ৰনিক ডিভাইচ, ডিজিটেল ঘড়ী, কেলকুলেটৰ অথবা অন্য কোনো নিষিদ্ধ সামগ্ৰী আদি সন্দেহজনক বস্তু কঢ়িয়াই নিয়া, পৰীক্ষা পৰিচালনাৰ সৈতে জড়িত কোনো ব্যক্তিয়ে পৰীক্ষাৰ্থীক অসাধু উপায় অৱলম্বন কৰাত সহায় বা সহযোগিতা কৰা। তৎকালীনভাৱে বলবৎ হোৱাকৈ এই নিষেধাজ্ঞা জাৰি কৰিছে।

# গোলকগঞ্জত ই-ৰিস্কা চোৰ গ্ৰেপ্তাৰ; চুৰি হোৱা বাহন উদ্ধাৰ বহিঃৰাজ্যত

**অসম বাৰ্তা, গোলকগঞ্জ, ৪ জুলাই ঃ** গোলকগঞ্জ আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই এজন ই-ৰিস্কা চুৰি কাণ্ডৰ অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ লগতে চুৰি হোৱা ই-ৰিস্কাখন পশ্চিমবংগৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ধৃত অভিযুক্তক আজি ধুবুৰী আদালতত হাজিৰ কৰোৱা হয়। আৰক্ষী সূত্ৰে জানিবলৈ দিয়া মতে, বিছনদৈ প্ৰথম খণ্ডৰ বাসিন্দা ৰহিবুল হক ওৰফে ৰিংকু, যোৱা ৩ জানুৱাৰীত নালিয়া ডিমাকুৰীৰ বিৰকান্দ ৰায়ৰ বাসগৃহৰ পৰা এখন ই-ৰিস্কা চুৰি কৰি পশ্চিমবংগত বিক্ৰী কৰিছিল। ঘটনাৰ পিছতে বিৰকান্দ ৰায়ে গোলকগঞ্জ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত চলাই যোৱা নিশা ৰহিবুল হকক গ্ৰেপ্তাৰ কৰে। লগতে পশ্চিমবংগৰ পৰা চুৰি হোৱা ই-ৰিস্কাখনো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আজি আৰক্ষীয়ে ধৃত অভিযুক্তক ধুবুৰী আদালতত প্ৰেৰণ কৰে। ঘটনাটোৰ তদন্ত অব্যাহত আছে।

## সম্পাদকীয়

# গ্ৰীষ্মপ্ৰৱাহত অসম

**প্ৰ**কৃতিৰ অস্বাভাবিক ৰূপে এইবাৰ অসমবাসীক জ্বলাকলা খুৱাইছে। চলিত জুলাই মাহত ৰাজ্যৰ ১৬খন জিলাত প্ৰচণ্ড গৰমৰ বাবে সতৰ্কবাণী জাৰি কৰিছে আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই। গুৱাহাটীৰ তাপমাত্ৰা ৩৭ ডিগ্ৰী চেলছিয়াছত উপনীত হৈছে, আনহাতে ধুবুৰী আৰু শিলচৰত ৩৫.৬ ডিগ্ৰী চেলছিয়াছ তাপমাত্ৰা ৰেকৰ্ড কৰা হৈছে। আৰ্দ্ৰতাৰ পৰিমাণ ৭০ শতাংশলৈ বৃদ্ধি পোৱা এই পৰিস্থিতিত প্ৰকৃত অনুভূত তাপমাত্ৰা ৪৫ ডিগ্ৰী চেলছিয়াছলৈকে যাব পাৰে।

অতিৰিক্ত গৰমে জনজীৱনৰ প্ৰতিটো দিশতে প্ৰভাৱ পেলাইছে। স্বাস্থ্যক্ষেত্ৰত সৰ্বাধিক প্ৰভাৱ পৰিছে- শিশু, বৃদ্ধ, গৰ্ভৱতী মহিলা আৰু পূৰ্বৰ ৰোগত আক্ৰান্ত ব্যক্তিসকল আটাইতকৈ বেছি বিপদজনক অৱস্থাত পৰিছে। দৈনিক কাম কৰা শ্ৰমিকসকলৰ অৱস্থা আৰু বেয়া- গৰমৰ ফলত উচ্চ ৰক্তচাপ, বমি ভাব আৰু পাচনজনিত সমস্যাৰ সৃষ্টি হৈছে। কৃষিক্ষেত্ৰতো ধান উৎপাদন গুৰুতৰভাৱে প্ৰভাৱিত হৈছে; ব্ৰহ্মপুত্ৰ উপত্যকাত বাৰ্ষিক তাপমাত্ৰা বৃদ্ধি আৰু আৰ্দ্ৰতাজনিত চাপে ধানৰ শস্যৰ বাবে গুৰুতৰ সংকটৰ সৃষ্টি কৰিছে। অসমৰ ৭৭ শতাংশ কৃষি ভূমি বৰষুণনিৰ্ভৰ; গৰম আৰু বৰষুণৰ অভাৱে খাদ্য ওপৰতো প্ৰশ্নৰ সন্মুখীন কৰিছে। বিদ্যুৎ খণ্ডতো সংকট- ৰাজ্যৰ বিদ্যুৎ চাহিদা ২০২৬-২৭ বৰ্ষত ৩, ১৫০ মেগাৱাট পাৰ হোৱাৰ সম্ভাৱনা, কিন্তু অসমৰ নিজা উৎপাদন মাত্ৰ ৪০০ মেগাৱাট। গৰমৰ কাৰণে শীতাতাপ নিয়ন্ত্ৰণ যন্ত্ৰৰ ব্যৱহাৰ বৃদ্ধিয়ে এই চাহিদা আৰু বঢ়াইছে।

এই অস্বাভাবিক গৰমৰ মূল কাৰণবোৰ বহুস্তৰীয়। প্ৰথমতে, জলবায়ু পৰিৱৰ্তন এক গুৰুত্বপূৰ্ণ কাৰণ—১৯৫১ চনৰ পৰা ২০১০ চনলৈ অসমৰ বাৰ্ষিক গড় তাপমাত্ৰা ০.৫৯ ডিগ্ৰী চেলছিয়াছ বৃদ্ধি পাইছে, আৰু ২০৫০ চনলৈ এই বৃদ্ধি ২.২ ডিগ্ৰী চেলছিয়াছ হ'ব পাৰে বুলি আশংকা কৰা হৈছে। দ্বিতীয়তে, নগৰীকৰণ আৰু কংক্ৰিটীকৰণে উত্তাপ দ্বীপৰ সৃষ্টি কৰিছে; গছ-গছনি হ্ৰাস পোৱা আৰু কংক্ৰিটৰ আধিক্যই নগৰবোৰত গৰমৰ তীব্ৰতা বঢ়াইছে। তৃতীয়তে, বনাঞ্চল ধ্বংস আৰু গোলকীয় উষ্ণতা বৃদ্ধিয়েও এই পৰিস্থিতি জটিল কৰি তুলিছে।

ৰাজ্য চৰকাৰে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে নাগৰিকসকলক নিয়মিত পানী পান কৰিবলৈ, স্থানীয় ফল-মূল আৰু প্ৰাকৃতিক পানীয় সেৱন কৰিবলৈ আৰু প্ৰয়োজন নোহোৱালৈকে ৰ'দত ওলাব নিবাৰণ কৰিবলৈ আহ্বান জনাইছে। কামৰূপ জিলাৰ শিক্ষা বিষয়াই গৰমৰ কাৰণে বিদ্যালয়ত সাজ-পোছাক পিন্ধিব নালাগে বুলি নিৰ্দেশ জাৰি কৰিছে। বাক্সা জিলাৰ এক বিদ্যাৰ্থীৰ অনুৰোধত মুখ্যমন্ত্ৰীয়ে স্কুলত ফেন যোগাৰ কৰাৰ নিৰ্দেশ দিছে। কিন্তু এই ব্যৱস্থাবোৰ যথেষ্ট নহয়। অসমত এতিয়ালৈকে গ্ৰীষ্মপ্ৰৱাহক দুৰ্যোগ হিচাপে স্বীকৃতি দিয়া হোৱা নাই; ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰবন্ধন কৰ্তৃপক্ষৰ নিৰ্দেশিকা অনুযায়ী এখন সুসংহত উত্তাপ কাৰ্যপৰিকল্পনাৰ প্ৰয়োজন।

শেষত, গ্ৰীষ্মপ্ৰৱাহৰ এই ভয়াবহ ৰূপে আমাক বহু কথা মনত পেলাই দিয়ে। ই কেৱল এটা ঋতুৰ অস্বাভাৱিকতা নহয়; ই জলবায়ু পৰিৱৰ্তনৰ এক গুৰুতৰ সংকেত। এই সংকট মোকাবিলা কৰিবলৈ চৰকাৰ, সংস্থা আৰু নাগৰিক সকলোৱে একত্ৰিত হ'ব লাগিব। স্বল্পম্যাদী ব্যৱস্থা হিচাপে শীতলীকৰণ কেন্দ্ৰ স্থাপন, পানী যোগান নিশ্চিত কৰা আৰু স্বাস্থ্যসেৱা ব্যৱস্থা শক্তিশালী কৰা প্ৰয়োজন। দীৰ্ঘম্যাদী সমাধান হিচাপে বনাঞ্চল সংৰক্ষণ, চহৰ অঞ্চলত সেউজ অঞ্চল বৃদ্ধি কৰিব লাগিব। উত্তাপ এতিয়া কেৱল অস্বস্তিৰ কাৰণ নহয়- ই জীৱনৰ বাবে এক প্ৰকৃত ভাবুকি। সচেতনতা, প্ৰস্তুতি আৰু সমষ্টিগত পদক্ষেপৰ মাধ্যমেহে আমি এই সংকটৰ মোকাবিলা কৰিব পাৰিম। ইতিমধ্যে সময় নষ্ট কৰাৰ সময় নাই; এতিয়াই সক্ৰিয় হৈ উঠিব লাগিব।

অসমবাসীৰ জীৱন আৰু প্ৰকৃতিৰ মাজৰ এই সংকটপূৰ্ণ মুহূৰ্তত সজাগ আৰু সংহত হৈ থাকিবলৈ আহ্বান জনাইছোঁ।

# ডিজিটেল আসক্তি আৰু সামাজিক বিচ্ছিন্নতা



হিমাংশু ৰণ্জন ভূঞা



*যিকোনো বিষয়ৰ গভীৰলৈ গৈ চিন্তা কৰা বা অধ্যয়ন কৰাৰ বাবে যি ধৈৰ্যৰ প্ৰয়োজন, সেয়া আজিৰ মানুহৰ নাই। সকলো কথাতে তাৎক্ষণিকতা বিচাৰি থকাৰ বাবে মানুহে জটিল সমস্যাবোৰ সমাধান কৰিবলৈ অপাৰগ হৈ পৰিছে। কিতাপ পঢ়াৰ অভ্যাস কমি যোৱাৰ ফলত মানুহৰ শব্দ ভাণ্ডাৰ আৰু কল্পনা শক্তি সংকুচিত হৈছে। আগতে মানুহে আজৰি সময়ত কিতাপ পঢ়িছিল, ছবি আঁকিছিল বা গান শুনিছিল। এই কামবোৰে মনক প্ৰশান্তি দিছিল আৰু মগজুৰ বিকাশ ঘটাইছিল। কিন্তু এতিয়া আজৰি সময় মানেই হ'ল যান্ত্ৰিক পৰ্দাত চকু ৰখা। ইয়াৰ ফলত মানুহৰ মগজুৱে জিৰণি ল'বলৈ সময় নাপায়। অহৰহ তথ্যৰ সোঁতত উটি-ভাহি থকা মগজুৱে একো কথাতে স্থিৰ হ'ব নোৱাৰে। এই মনোযোগহীনতাই বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক জীৱনত বিৰূপ প্ৰভাৱ পেলাইছে। পাঠ্যপুথিত মনোযোগ দিয়াটো তেওঁলোকৰ বাবে কঠিন হৈ পৰিছে আৰু তেওঁলোকৰ বিশ্লেষণাত্মক ক্ষমতা হ্ৰাস পাইছে।*

**মা**নৱ সভ্যতাৰ ইতিহাস আচলতে এক অন্তহীন পৰিৱৰ্তনৰ ইতিহাস। আদিম যুগৰ গুহা মানৱৰ পৰা আৰম্ভ কৰি আজিৰ অত্যাধুনিক কৃত্ৰিম বুদ্ধিমত্তাৰ যুগৰ মানুহলৈকে- এই দীঘলীয়া যাত্ৰাত মানুহে বহুদূৰ বাট অতিক্ৰম কৰিছে। কিন্তু কালৰ সোঁতত আজি আমি এনে এক সন্ধিক্ষণত আহি উপনীত হৈছোঁ, য'ত বিজ্ঞানে আমাক ভৌতিক সুখ দিছে সঁচা, কিন্তু আমাৰ আত্মিক শান্তি আৰু সামাজিক বান্ধোনক এক গভীৰ সংকটৰ মুখলৈ ঠেলি দিছে। সাম্প্ৰতিক সময়ত সমগ্ৰ বিশ্বজুৰি চৰ্চিত হোৱা এক অন্যতম গুৰুত্বপূৰ্ণ তথা উদ্বেগজনক বিষয় হ'ল ডিজিটেল প্ৰযুক্তিৰ প্ৰতি মানুহৰ অদম্য আসক্তি আৰু ইয়াৰ ফলশ্ৰুতিত গঢ় লৈ উঠা সামাজিক বিচ্ছিন্নতা। আমি বাস কৰা এই একবিংশ শতিকা হ'ল তথ্য আৰু প্ৰযুক্তিৰ যুগ। এই যুগত মানুহৰ জীৱন যাত্ৰা ইমানেই দ্ৰুত আৰু যান্ত্ৰিক হৈ পৰিছে যে মানুহে নিজৰ সত্তাক অনুভৱ কৰাৰ অৱকাশো হেৰুৱাই পেলাইছে। আমাৰ হাতৰ মুঠিতে থকা যান্ত্ৰিক সঁজুলিবিধ, যিটো আমাৰ যোগাযোগৰ মাধ্যম হোৱা উচিত আছিল, সেয়া এতিয়া আমাৰ জীৱনৰ হৰ্তা-কৰ্তা-বিধাতা হৈ পৰিছে। এই সঁজুলিৰ জৰিয়তে আমি হাজাৰ মাইল দূৰৈৰ মানুহৰ লগত নিমিষতে সংযোগ স্থাপন কৰিব পাৰো, অথচ একেখন ঘৰতে কাষৰ কোঠাত থকা আপোন মানুহজনৰ পৰা আমি যোজন যোজন দূৰলৈ আঁতৰি গৈছোঁ। এইটোৱেই হৈছে বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ বিড়ম্বনা।

ডিজিটেল আসক্তি কেৱল সময়ৰ অপচয় নহয়, ই এক গভীৰ মনস্তাত্ত্বিক ব্যাধি যিয়ে মানুহৰ মগজুৰ গঠন আৰু কাৰ্যপ্ৰণালীক সলনি কৰি পেলাইছে। মানুহৰ মনটো স্বাভাৱিকতে নতুনত্বৰ পিয়াসী। আমাৰ মগজুৱে সদায় নতুন তথ্য, নতুন দৃশ্য আৰু নতুন উদ্দীপনা বিচাৰে। এই আভাৰী জগতখনে মানুহৰ এই দুৰ্বলতাৰ সুযোগ লৈছে। পৰ্দাৰ ওপৰত অহা প্ৰতিটো নতুন দৃশ্য, প্ৰতিটো শব্দ, প্ৰতিটো ৰং আমাৰ মগজুৰ বাবে একোটা পুৰস্কাৰৰ দৰে। যেতিয়াই আমি এই যন্ত্ৰটো ব্যৱহাৰ কৰোঁ, আমাৰ মগজুৱে এক বিশেষ ধৰণৰ ৰাসায়নিক দ্ৰব্য নিঃসৰণ কৰে যিয়ে আমাক সাময়িক সুখৰ অনুভূতি দিয়ে। এই সুখ ইমানেই ক্ষন্তেকীয়া অথচ ইমানেই তীব্ৰ যে মানুহে বাৰে বাৰে সেই সুখ বিচাৰি যন্ত্ৰটোৰ কাষলৈ ঘূৰি আহে। লাহে লাহে এই অভ্যাসে মানুহক এনে এক পৰ্যায়লৈ লৈ যায় য'ত বাস্তৱ জগতৰ সাধাৰণ সুখবোৰ- যেনে জোনাক নিশাৰ সৌন্দৰ্য, বৰষুণৰ শব্দ, বা আপোনজনৰ লগত কটোৱা নিৰিবিলি সময়- এইবোৰ অতি আমনিদায়ক যেন লাগিবলৈ ধৰে। মানুহে বাস্তৱৰ মাটিৰ পৰা ভৰি ডাঙি এক কাল্পনিক জগতত বিচৰণ কৰিবলৈ লয়, য'ত সকলোবোৰ ৰঙীন, কিন্তু সকলোবোৰেই স্পৰ্শৰ অতীত।

এই আসক্তিৰ আটাইতকৈ ভয়াৱহ প্ৰভাৱ পৰিছে আমাৰ পাৰিবাৰিক গাঁথনিৰ ওপৰত। পৰিয়াল হ'ল মানৱ সমাজৰ আধাৰশিলা। ই কেৱল তেজৰ সম্পৰ্কৰে গঢ়া এটা গোট নহয়, ই হ'ল আৱেগ, মৰম, বিশ্বাস আৰু নিৰাপত্তাৰ এক আশ্ৰয়স্থল। কিন্তু ডিজিটেল ধুমুহাত এই আশ্ৰয়স্থলৰ ভেটি কঁপি উঠিছে। পূৰ্বতে দিনটোৰ কামৰ অন্তত গধূলি সময়ত পৰিয়ালৰ সকলো সদস্য একলগ হৈ দিনটোৰ সুখ-দুখৰ কথা পাতিছিল। সেই আড্ডাবোৰত আন্তৰিকতা আছিল, ইজনে সিজনৰ প্ৰতি সহমৰ্মিতা আছিল। কিন্তু আজিৰ দৃশ্যপট সম্পূৰ্ণ বেলেগ। এতিয়া ঘৰৰ ড্ৰয়িং ৰুমত মানুহ থাকে, কিন্তু কাৰো মুখত মাত নাথাকে। নীৰৱ নিস্তব্ধ পৰিৱেশত কেৱল আঙুলিৰ স্পৰ্শৰ শব্দ আৰু মাজে মাজে ভাহি অহা যান্ত্ৰিক সংকেতধ্বনি শুনা যায়। পিতৃ-মাতৃ ব্যস্ত থাকে নিজৰ যান্ত্ৰিক জগতত, সন্তান ব্যস্ত থাকে তেওঁলোকৰ নিজস্ব আভাৰী পৃথিৱীত। একেখন মেজত বহি ভাত খাই থাকোঁতেও বহুতে বাঁওহাতেৰে যন্ত্ৰটো চলাই থাকে আৰু সোঁহাতেৰে যান্ত্ৰিকভাৱে ভাতৰ গৰাঁস মুখত ভৰায়। খাদ্যৰ সোৱাদ লোৱা বা একেলগে বহি খোৱাৰ যি আনন্দ, সেয়া আজিৰ প্ৰজন্মৰ বাবে এক অচিনাকি ধাৰণা। এই মানসিক দূৰত্বই স্বামী-স্ত্ৰীৰ সম্পৰ্কতো ফাট মেলাইছে। পাৰস্পৰিক ভাবৰ আদান-প্ৰদান কমি যোৱাৰ ফলত ভুল বুজাবুজি, সন্দেহ আৰু অৱসাদে ঘৰবোৰত বাহ লৈছে। যি ঘৰখন এদিন কলৰৱৰ মুখৰ আছিল, সেই ঘৰখন এতিয়া কেৱল কেইটামান মানুহ থকা এক অতিথিশালা সদৃশ হৈ পৰিছে।

সামাজিক বিচ্ছিন্নতাৰ দিশটো বিশ্লেষণ কৰিলে দেখা যায় যে ই এক মহামাৰীৰ দৰে বিয়পি পৰিছে। মানুহ সামাজিক প্ৰাণী, সমাজৰ অবিহনে মানুহৰ অস্তিত্ব কল্পনা কৰিব নোৱাৰি। কিন্তু বৰ্তমানৰ 'সামাজিক মাধ্যম' নামৰ যি ব্যৱস্থা গঢ় লৈ উঠিছে, সি আচলতে সমাজক একগোট কৰাৰ সলনি বিচ্ছিন্নহে কৰিছে। ইয়াত মানুহৰ বন্ধুৰ সংখ্যা হাজাৰৰ ঘৰত হ'ব পাৰে, কিন্তু প্ৰয়োজনৰ সময়ত এষাৰ মাত দিয়া বা বিপদত হাত আগবঢ়োৱা প্ৰকৃত বন্ধুৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা। আভাৰী জগতৰ সম্পৰ্কবোৰ অত্যন্ত ঠুনুকা আৰু স্বাৰ্থপৰ। ইয়াত প্ৰতিজন মানুহে নিজকে সুখী, সফল আৰু সুন্দৰ বুলি দেখুৱাবলৈ অহৰহ প্ৰচেষ্টা চলাই থাকে। এই প্ৰদৰ্শনকামিতাৰ ফলত আনৰ মনত ঈৰ্ষা আৰু হীনমান্যতাৰ সৃষ্টি হয়। আনে ফুৰিবলৈ যোৱা ঠাই, খোৱা খাদ্য বা পিন্ধা কাপোৰৰ ছবি দেখি বহুতে নিজৰ জীৱনক লৈ অসন্তুষ্ট হৈ পৰে। এই অসন্তুষ্টিয়ে মানুহক সমাজৰ পৰা আঁতৰাই নিয়ে আৰু একাকিত্বৰ অন্ধকাৰলৈ ঠেলি দিয়ে। মানুহে এতিয়া উৎসৱ-পাৰ্বন, বিয়া-সবাহ বা সামাজিক অনুষ্ঠানত উপস্থিত থাকে কেৱল নিজৰ উপস্থিতি জাহিৰ কৰিবলৈ আৰু ফটো তুলিবলৈ। অনুষ্ঠানৰ মূল উদ্দেশ্য বা তাত উপস্থিত থকা মানুহবোৰৰ লগত আন্তৰিকতা গঢ়ি তোলাৰ মানসিকতা এতিয়া প্ৰায় বিলুপ্ত। মানুহে মানুহৰ লগত কথা পতাৰ অভ্যাস হেৰুৱাই পেলাইছে, যাৰ ফলত মানুহৰ সামাজিক দক্ষতা কমি গৈছে আৰু সামান্য কথাতে ভুল বুজাবুজিৰ সৃষ্টি হৈছে।

বৌদ্ধিক আৰু মানসিক বিকাশৰ ক্ষেত্ৰতো এই আসক্তিয়ে এক অপূৰণীয় ক্ষতি সাধন কৰিছে। মানুহৰ চিন্তা শক্তি, সৃজনীশীলতা আৰু মনোযোগৰ ক্ষমতা— এই সকলোবোৰ লাহে লাহে ধ্বংস হৈ গৈছে। যিকোনো বিষয়ৰ গভীৰলৈ গৈ চিন্তা কৰা বা অধ্যয়ন কৰাৰ বাবে যি ধৈৰ্যৰ প্ৰয়োজন, সেয়া আজিৰ মানুহৰ নাই। সকলো কথাতে তাৎক্ষণিকতা বিচাৰি থকাৰ বাবে মানুহে জটিল সমস্যাবোৰ সমাধান কৰিবলৈ অপাৰগ হৈ পৰিছে। কিতাপ পঢ়াৰ অভ্যাস কমি যোৱাৰ ফলত মানুহৰ শব্দ ভাণ্ডাৰ আৰু কল্পনা শক্তি সংকুচিত হৈছে। আগতে মানুহে আজৰি সময়ত কিতাপ পঢ়িছিল, ছবি আঁকিছিল বা গান শুনিছিল। এই কামবোৰে মনক প্ৰশান্তি দিছিল আৰু মগজুৰ বিকাশ ঘটাইছিল। কিন্তু এতিয়া আজৰি সময় মানেই হ'ল যান্ত্ৰিক পৰ্দাত চকু ৰখা। ইয়াৰ ফলত মানুহৰ মগজুৱে জিৰণি ল'বলৈ সময় নাপায়। অহৰহ তথ্যৰ সোঁতত উটি-ভাহি থকা মগজুৱে একো কথাতে স্থিৰ হ'ব নোৱাৰে। এই মনোযোগহীনতাই বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক জীৱনত বিৰূপ প্ৰভাৱ পেলাইছে। পাঠ্যপুথিত মনোযোগ দিয়াটো তেওঁলোকৰ বাবে কঠিন হৈ পৰিছে আৰু তেওঁলোকৰ বিশ্লেষণাত্মক ক্ষমতা হ্ৰাস পাইছে। ই ভৱিষ্যতৰ বাবে এক বৌদ্ধিকভাৱে পংগু প্ৰজন্ম গঢ়ি তোলাৰ ইংগিত বহন কৰিছে।

ইয়াৰোপৰি দীঘলীয়া সময় ধৰি এক নিৰ্দিষ্ট ভংগিমাত বহি বা শুই যন্ত্ৰ ব্যৱহাৰ কৰাৰ ফলত মানুহৰ মেৰুদণ্ড, ডিঙি আৰু চকুৰ সমস্যাই দেখা দিছে। কিন্তু তাতকৈ বেছি চিন্তনীয় বিষয় হ'ল মানসিক স্বাস্থ্য। অনিদ্ৰা, উদ্বেগ, হতাশা আৰু খ খঙাল স্বভাৱ— এইবোৰ বৰ্তমান সময়ৰ সাধাৰণ সমস্যা হৈ পৰিছে। ৰাতি টোপনি ক্ষতি কৰি আভাৰী জগতত বিচৰণ কৰা মানুহৰ শৰীৰত বিভিন্ন ধৰণৰ হৰম'নৰ ভাৰসাম্যহীনতা ঘটে, যিয়ে সমগ্ৰ শৰীৰৰ ক্ৰিয়াকলাপত ব্যাঘাত জন্মায়। বিশেষকৈ শিশু আৰু কিশোৰ-কিশোৰীসকলৰ বাবে ই অতি ভয়াৱহ। তেওঁলোকৰ মানসিক বিকাশৰ সময়ত এই আসক্তিয়ে তেওঁলোকক বাস্তৱ জগতৰ পৰা বিচ্ছিন্ন কৰি পেলায়। খেলা-ধূলা আৰু শাৰীৰিক ক্ৰিয়াকলাপৰ অভাৱত তেওঁলোকৰ শৰীৰ দুৰ্বল হৈ পৰে আৰু ৰোগ প্ৰতিৰোধ ক্ষমতা কমি যায়। তদুপৰি, আভাৰী জগতত ঘটা চাইবাৰ বুলিং বা বিভিন্ন ধৰণৰ অপৰাধমূলক কাৰ্যকলাপৰ বলি হৈ বহুতো কোমলমতীয়া শিশোৱে মানসিকভাৱে ভাগি পৰে, আনকি কেতিয়াবা আত্মহননৰ দৰে চৰম পন্থা বাচি ল'বলৈও কুণ্ঠাবোধ নকৰে।

নৈতিক মূল্যবোধৰ স্খলনৰ বাবেও এই ডিজিটেল আসক্তি বহু পৰিমাণে জগৰীয়া। আমাৰ সমাজৰ যি চিৰন্তন মূল্যবোধ আছিল— যেনে জ্যেষ্ঠক সন্মান কৰা, অতিথি পৰায়ণতা, সহনশীলতা আৰু পৰোপকাৰ— এইবোৰ এতিয়া ক্ৰমান্বয়ে হেৰাই গৈছে। বিশ্বায়নৰ প্ৰভাৱত আৰু ইণ্টাৰনেটৰ জৰিয়তে আমি বিদেশী সংস্কৃতিৰ দ্বাৰা ইমানেই প্ৰভাৱিত হৈছোঁ যে আমি নিজৰ শিপাক পাহৰি গৈছোঁ। নতুন প্ৰজন্মই নিজৰ ভাষা, সাহিত্য আৰু সংস্কৃতিক অৱহেলা কৰি এক খিচিৰি সংস্কৃতিৰ পিনে ধাৱমান হৈছে। মানুহৰ সহনশীলতা কমি গৈছে আৰু সামান্য মতবিৰোধতে মানুহে ইজনে সিজনক আক্ৰমণ কৰিবলৈ উদ্যত হয়। সামাজিক মাধ্যমত বিয়পি পৰা ভুৱা বাতৰি আৰু উৰাবাতৰিয়ে সমাজত অশান্তি আৰু হিংসাৰ সৃষ্টি কৰিছে। সত্য আৰু অসত্যৰ পাৰ্থক্য বিচাৰ কৰাৰ ক্ষমতা মানুহৰ নোহোৱা হৈছে। যিকোনো খবৰ বা তথ্য যাচাইনকৰাকৈ বিশ্বাস কৰা আৰু প্ৰচাৰ কৰা প্ৰৱণতাই সমাজত বিশৃংখলতাৰ সৃষ্টি কৰিছে। তদুপৰি, মানুহৰ ব্যক্তিগত গোপনীয়তা বুলি এতিয়া একো নাই। সকলো কথাই ৰাজহুৱা কৰাৰ এক অসুস্থ প্ৰতিযোগিতা চলিছে, যিয়ে বহু সময়ত মানুহক বিপদত পেলাইছে।

এই পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে আমি প্ৰযুক্তিৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে বন্ধ কৰিব নোৱাৰো, কাৰণ আধুনিক জীৱনত প্ৰযুক্তিৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য। কিন্তু আমি প্ৰযুক্তিক আমাৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ দিয়া উচিত নহয়। আমি হ'ব লাগিব প্ৰযুক্তিৰ গৰাকী, দাস নহয়। ইয়াৰ বাবে আমাক প্ৰয়োজন এক শক্তিশালী ইচ্ছাশক্তি আৰু আত্মনিয়ন্ত্ৰণৰ। আমি আমাৰ দৈনন্দিন জীৱনত কিছুমান নিয়ম বান্ধি লোৱা উচিত। দিনটোৰ এক নিৰ্দিষ্ট সময় আমি সকলো ধৰণৰ ডিজিটেল সঁজুলিৰ পৰা আঁতৰি থাকিব লাগে। সেই সময়খিনি আমি আমাৰ পৰিয়াল, বন্ধু-বৰ্গ বা নিজৰ সৃষ্টিশীল কামত ব্যয় কৰিব পাৰো। প্ৰকৃতিৰ লগত সময় কটোৱা, শাৰীৰিক শ্ৰম কৰা বা সমাজ সেৱাত অংশগ্ৰহণ কৰা- এই কামবোৰে আমাক মানসিক শান্তি দিব পাৰে আৰু বাস্তৱ জগতৰ লগত আমাৰ সম্পৰ্ক সুদৃঢ় কৰিব পাৰে। অভিভাৱকসকলে নিজৰ সন্তানক কেৱল যন্ত্ৰৰ হাতত এৰি নিদি তেওঁলোকক সময় দিব লাগিব, তেওঁলোকৰ লগত খেলিব লাগিব আৰু তেওঁলোকক কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগিব। শিক্ষা প্ৰতিষ্ঠানসমূহেও ছাত্ৰ-ছাত্ৰীসকলক ডিজিটেল আসক্তিৰ কুফল সম্পৰ্কে সচেতন কৰিব লাগিব আৰু তেওঁলোকক সৃষ্টিশীল কামত উৎসাহিত কৰিব লাগিব।

'ডিজিটেল ডিট" বা ডিজিটেল উপবাস বৰ্তমান সময়ত এক প্ৰয়োজনীয় ধাৰণা হৈ পৰিছে। সপ্তাহত অন্ততঃ এটা দিন বা দিনটোৰ কেইঘণ্টামান সময় ফোন বা ইণ্টাৰনেট ব্যৱহাৰ নকৰাকৈ থকাৰ অভ্যাস গঢ়ি তুলিব পাৰিলে আমাৰ মন আৰু মগজুৱে জিৰণি পায়। ই আমাক নিজৰ বিষয়ে চিন্তা কৰিবলৈ আৰু চৌপাশৰ জগতখনক নতুন দৃষ্টিৰে চাবলৈ সুযোগ দিয়ে। আমি বুজি পাব লাগিব যে আভাৰী জগতৰ লাইক বা কমেণ্টবোৰে আমাৰ জীৱনৰ সাৰ্থকতা নিৰ্ণয় নকৰে। প্ৰকৃত সুখ আছে মানুহৰ মৰমত, প্ৰকৃতিৰ সান্নিধ্যত আৰু সৎ কৰ্মৰ মাজত। যেতিয়া আমি এই কথা উপলব্ধি কৰিব পাৰিম, তেতিয়াহে আমি এই যান্ত্ৰিক কাৰাগাৰৰ পৰা মুক্ত হৈ এক মুক্ত আৰু সুন্দৰ জীৱন যাপন কৰিব পাৰিম।

সমাজৰ প্ৰতিজন সচেতন নাগৰিকৰ দায়িত্ব হ'ল এই বিষয়ত জনমত গঢ়ি তোলা। কেৱল চৰকাৰ বা প্ৰশাসনৰ ওপৰত নিৰ্ভৰ কৰিলেই নহ'ব, এই সমস্যা সমাধানৰ বাবে এক সামাজিক আন্দোলনৰ প্ৰয়োজন। গাওঁ, চহৰ, বিদ্যালয়, মহাবিদ্যালয়— সকলো স্তৰতে আলোচনা চক্ৰ, সজাগতা শিবিৰ আদি অনুষ্ঠিত কৰি মানুহক এই বিষয়ে সচেতন কৰিব লাগিব। লেখক, সাহিত্যিক আৰু বুদ্ধিজীৱীসকলে তেওঁলোকৰ লেখনীৰ জৰিয়তে এই সমস্যাৰ গভীৰতা আৰু সমাধানৰ উপায়সমূহ সমাজৰ আগত দাঙি ধৰিব লাগিব। সংবাদ মাধ্যমেও এই ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। কেৱল বাণিজ্যিক লাভৰ কথা চিন্তা নকৰি সমাজৰ হিতৰ বাবে এনেবোৰ বিষয়ত গুৰুত্ব প্ৰদান কৰা উচিত।

শেষত এই কথা পুনৰ দোহাৰিব লাগিব যে প্ৰযুক্তি আমাৰ শত্ৰু নহয়, কিন্তু প্ৰযুক্তিৰ অন্ধ ব্যৱহাৰ আৰু অপব্যৱহাৰহে আমাৰ শত্ৰু। আমি যদি আজি সচেতন নহওঁ, তেন্তে আমাৰ ভৱিষ্যত প্ৰজন্মই এক নিৰ্দিষ্ট যান্ত্ৰিক জীৱন যাপন কৰিবলৈ বাধ্য হ'ব, য'ত মানৱীয় অনুভূতিৰ কোনো স্থান নাথাকিব। আমি আমাৰ সন্তানসকলক এনে এখন পৃথিৱী দি যাব লাগিব য'ত প্ৰযুক্তি থাকিব, কিন্তু তাৰ লগতে থাকিব মানুহৰ প্ৰতি মানুহৰ মৰম, শ্ৰদ্ধা আৰু আন্তৰিকতা। য'ত মানুহে যন্ত্ৰৰ ভাষা নহয়, হৃদয়ৰ ভাষা বুজি পাব। য'ত সন্ধিয়া নামিলে ঘৰবোৰত মোবাইলৰ পোহৰ নহয়, হাঁহিৰ পোহৰ বিৰাজ কৰিব। আহক, আমি সকলোৱে মিলি এই যান্ত্ৰিকতাৰ বিৰুদ্ধে এক সুস্থ মানসিকতাৰ যুঁজ আৰম্ভ কৰো আৰু আমাৰ হেৰাই যোৱা সামাজিক বান্ধোনবোৰক পুনৰুজ্জীৱিত কৰো। কাৰণ জীৱনটো কোনো স্ক্ৰীনৰ ওপৰত ভাহি উঠা দৃশ্য নহয়, জীৱনটো হ'ল অনুভৱৰ এক বিশাল সাগৰ, যাৰ গভীৰতা কেৱল মানৱীয়তাৰেহে জুখিব পাৰি। আমি মানুহ, আমাৰ পৰিচয় আমাৰ মানৱীয়তাত, আমাৰ যান্ত্ৰিকতাত নহয়। এই সত্যক উপলব্ধি কৰি আগবাঢ়ি গ'লেহে আমি এক সুস্থ আৰু সুন্দৰ ভৱিষ্যত গঢ়ি তুলিবলৈ সক্ষম হ'ম। সময় এতিয়াও শেষ হৈ যোৱা নাই, কেৱল প্ৰয়োজন আমাৰ সদিচ্ছা আৰু সচেতন প্ৰচেষ্টাৰ।

# অসমীয়া চলচ্চিত্ৰ 'এ' ৱাই জেড'

'XYZ'। বিভিন্ন অনুভৱৰ সমাহাৰে নিৰ্মিত এই ছবিখনে ইতিমধ্যে মুকলি হোৱা পোষ্টাৰৰ জৰিয়তে দৰ্শকৰ মাজত যথেষ্ট কৌতূহলৰ সৃষ্টি কৰিছে। Rhythm Creationৰ নিবেদনত নিৰ্মিত এই ছবিখনৰ পৰিচালনা কৰিছে হিমাংশু প্ৰসাদ দাসে আৰু প্ৰযোজনা কৰিছে হেমন্ত কলিতাই। কাহিনী আশ্বিক জামানৰ, চিত্ৰনাট্য আৰু সংলাপ: চাংকু নিৰঞ্জন নাথ, ছাহজাহান, মহৰ্ষি তুহিন কাশ্যপ, হিমাংশু প্ৰসাদ দাসৰ। চিত্ৰগ্ৰহণ কৰিছে: অনিৰুদ্ধ বৰুৱাই, সম্পাদনা হাৰ্দিক কাশ্যপৰ আৰু সংগীতেৰে সজাইছে চন্দন দাসে লগতে শব্দ ব্যৱস্থাপনা কৰিছে অৰ্ণৱ বৰাই। ৰং সংমিশ্ৰণ ধনজিৎ দাসৰ, ভি-এফ-এ' অভিজিৎ সন্দিকৈৰ, মুখ্য সহকাৰী পৰিচালক গৌৰৱ জ্যোতি দাস, কলা নিৰ্দেশনা আগবঢ়াইছে ৰূপজ্যোতি মহন্তই, প্ৰযোজনা নিয়ন্ত্ৰণ কৰিছে নিৰঞ্জন শৰ্মাই, সহঃ প্ৰযোজনা নিয়ন্ত্ৰণ দায়িত্বত আছে মৃগেন দাস, সাজ-সজ্জা: নৱনীতা গগৈৰ আৰু ৰূপ সজ্জা নিৰ্মালি কাশ্যপৰ। পোষ্টাৰ: সমৃদ্ধ কাজল শইকীয়াৰ। অভিনয়ত আছে সিদ্ধাৰ্থ শৰ্মা, ভৰেশ বৰুৱা, উপকূল বৰদলৈ, অসীম কৃষ্ণ বৰুৱা, অপূৰ্ব বৰ্মন, ৰূপমজ্যোতি দাস, প্ৰণামী বৰা, পল্লৱী ফুকন, পূৰ্ণদা হাজৰিকা, হৃদয়, সৌৰভ, অলিম্পী শ্ৰেয়ম গগৈ, প্ৰেয়সী বৰা আৰু চন্দন দাস। ছবিখনত এক শক্তিশালী অভিনয়শিল্পীৰ দলে অভিনয় কৰিছে, যিসকলৰ অভিনয়ে ছবিখনৰ কাহিনীক অধিক জীৱন্ত কৰি তুলিব বুলি আশা কৰা হৈছে। সম্প্ৰতি মুকলি হোৱা পোষ্টাৰখনত একাধিক চৰিত্ৰৰ আভাসৰ লগতে জীৱনৰ, সামাজিক বাস্তৱতাৰ প্ৰতীকী উপস্থাপন লক্ষ্য কৰা যায়। বিশেষকৈ দুখন পাহাৰৰ মাজত ওলমি থকা দলঙৰ ওপৰত থকা দুটা ছাগলীৰ দৃশ্যই জীৱনৰ সংঘাত, সিদ্ধান্ত আৰু সমন্বয়ৰ গভীৰ বাৰ্তা বহন কৰা যেন অনুভৱ হয়। চলচ্চিত্ৰখন ২৪ জুলাই, ২০২৬ তাৰিখে মুক্তি লাভ কৰিব। নিৰ্মাতাসকলে আশা প্ৰকাশ কৰিছে যে, ছবিখনৰ ব্যতিক্ৰমী কাহিনী, হৃদয়স্পৰ্শী উপস্থাপন আৰু শক্তিশালী অভিনয়ে সকলো শ্ৰেণীৰ দৰ্শকৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হ'ব। অসমীয়া চলচ্চিত্ৰপ্ৰেমী দৰ্শকে ইতিমধ্যে "এক্স ৱাই জেড"ক লৈ যথেষ্ট আগ্ৰহ প্ৰকাশ কৰিছে। মুক্তিৰ দিন চমু চাপি অহাৰ লগে লগে ছবিখনে দৰ্শকৰ মনত কেনে প্ৰভাৱ পেলাব, সেয়া এতিয়া সময়েই ক'ব।




*মৃণাল দাস(জোন)*

# চিকিৎসালয়ৰ পৰিৱেশ ও মন্ত্ৰী বিধায়কৰ দায়িত্ব

**চি**কিৎসালয় মানুহৰ জীৱনৰ এক অতি গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান। ইয়াত অসুস্থ, আহত আৰু বিভিন্ন ৰোগত আক্ৰান্ত লোকসকলে চিকিৎসা কৰিবলৈ আহে। সেয়েহে চিকিৎসালয়ৰ পৰিৱেশ সদায় পৰিষ্কাৰ, শান্ত, স্বাস্থ্যসন্মত আৰু ৰোগীবান্ধৱ হোৱা উচিত। চিকিৎসালয়ৰ প্ৰতিটো ৱাৰ্ড, অপাৰেচন থিয়েটাৰ, বহিৰ্বিভাগ, বাৰাণ্ডা, শৌচাগাৰ আৰু চৌহদ নিয়মিতভাৱে পৰিষ্কাৰ কৰি জীৱাণুমুক্ত কৰি ৰাখিব লাগে। ইয়াৰোপৰি চিকিৎসালয়ৰ পৰিৱেশ সদায় শান্ত আৰু নিয়মানুবৰ্তী হোৱা উচিত। এখন চিকিসালয় কেৱল আধুনিক চিকিৎসা সঁজুলিৰ ওপৰত নিৰ্ভৰ নকৰে, ইয়াৰ সুস্থ পৰিৱেশ, শৃংখলা আৰু মানৱীয় ব্যৱহাৰো সমানেই গুৰুত্বপূৰ্ণ। পৰ্যাপ্ত বিশুদ্ধ বায়ু, প্ৰাকৃতিক পোহৰ আৰু পৰিষ্কাৰ পানীৰ ব্যৱস্থা থকাটো অত্যন্ত জৰুৰী। এখন চিকিসালয়ত চিকিৎসক, নাৰ্ছ, স্বাস্থ্যকৰ্মী আৰু অন্যান্য কৰ্মচাৰীৰ আচৰণ চিকিৎসালয়ৰ পৰিৱেশৰ এক গুৰুত্বপূৰ্ণ অংশ। তেওঁলোকে ৰোগী আৰু আত্মীয়-স্বজনৰ সৈতে সহানুভূতিশীল, বিনয়ী আৰু সন্মানজনক ব্যৱহাৰ কৰিব লাগে। এটি মিঠা কথা, এটি হাঁহি বা এটি সাহসৰ বাণীয়ে বহু সময়ত ঔষধতকৈও অধিক মানসিক শক্তি যোগাব পাৰে। চিকিৎসালয়ৰ পৰিৱেশ সুন্দৰ কৰি ৰখাত চিকিৎসক বা কৰ্মচাৰীৰ লগতে ৰোগী আৰু দৰ্শনাৰ্থীৰো সমানেই দায়িত্ব আছে। সকলোৱে পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখি চিকিৎসালয়ৰ নিয়ম মানি চলা আৰু চিকিৎসা কৰ্মীসকলক সহযোগিতা কৰা উচিত।

*মন্ত্ৰী আৰু বিধায়কৰ দায়িত্ব ঃ*

এখন সুস্থ সমাজ গঢ়ি তোলাৰ মূল ভেটি হৈছে উন্নত স্বাস্থ্যসেৱা। চিকিৎসালয় কেৱল চিকিৎসা প্ৰদানৰ স্থান নহয়, ই জনসাধাৰণৰ জীৱন ৰক্ষাৰ এক গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান। সেয়েহে চিকিৎসালয়ৰ উন্নয়ন, পৰিচালনা আৰু মানদণ্ড বজাই ৰখাত মন্ত্ৰী আৰু বিধায়কৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। এজন স্বাস্থ্য মন্ত্ৰীৰ মুখ্য দায়িত্ব হৈছে ৰাজ্যৰ সকলো চিকিৎসালয়ত মানসম্পন্ন স্বাস্থ্যসেৱা নিশ্চিত কৰা। চিকিৎসক, নাৰ্ছ, স্বাস্থ্যকৰ্মী আৰু প্ৰয়োজনীয় কৰ্মচাৰীৰ অভাৱ দূৰ কৰা, আধুনিক চিকিৎসা সঁজুলি যোগান ধৰা, ঔষধৰ পৰ্যাপ্ত মজুত নিশ্চিত কৰা আৰু জৰুৰীকালীন স্বাস্থ্যসেৱা শক্তিশালী কৰাটো তেওঁৰ অন্যতম কৰ্তব্য। লগতে চিকিৎসালয়সমূহৰ সমস্যা আৰু প্ৰয়োজনসমূহ জনসাধাৰণৰ পৰা জানি চৰকাৰৰ দৃষ্টিগোচৰ কৰিব লাগে। চিকিৎসালয়ত চিকিৎসকৰ অভাৱ, বিছনাৰ অভাৱ, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ সমস্যা, পানী-বিদ্যুতৰ অসুবিধা, এম্বুলেন্সৰ সংকট, ঔষধৰ অভাৱ আদি বিষয়ত তৎপৰতাৰে ব্যৱস্থা গ্ৰহণৰ বাবে চেষ্টা কৰাটো তেওঁলোকৰ দায়িত্ব। তেওঁলোকে নিয়মিতভাৱে চিকিৎসালয় পৰিদৰ্শন কৰি ডক্তৰ আৰু ৰোগীসকলৰ পৰা বাস্তৱ অৱস্থা পৰ্যবেক্ষণ কৰা উচিত। ইয়াৰোপৰি দুৰ্নীতি, অৱহেলা, দালালি আৰু ৰোগীৰ লগত দুৰ্ব্যৱহাৰৰ বিৰুদ্ধে প্ৰয়োজনীয় পদক্ষেপ লোৱাটোও তেওঁলোকৰ নৈতিক আৰু সাংবিধানিক দায়িত্ব। মন্ত্ৰী, বিধায়কৰ লগতে জনসাধাৰণেও যদি আন্তৰিকতা, সততা আৰু জনকল্যাণৰ মনোভাৱেৰে চিকিৎসালয়ৰ উন্নয়নত কাম কৰে, তেন্তে সকলোৱে উন্নত স্বাস্থ্যসেৱা লাভ কৰিব পাৰিব।

*গোলাপ চাংমাই*
*চিলাপথাৰ, ধেমাজি*

# ই-ৰিস্কা অৱসৰৰ সময় পাৰ কৰা বাহন নহয়

**সা**ম্প্ৰতিক সময়ৰ পৰিবহণ ব্যৱস্থাৰ এক উল্লেখযোগ্য বাহন হৈছে ই-ৰিস্কা। ই-ৰিস্কা অবিহনে বৰ্তমান সময়ৰ যাতায়ত কল্পনা কৰিব নোৱাৰি। চহৰৰ পৰা গাঁৱলৈ সকলোতে এতিয়া ই-ৰিস্কা উপলব্ধ। কিন্তু এই ই-ৰিস্কা মানুহৰ যাতায়তৰ বাবে কিমান সুৰক্ষিত? ই-ৰিস্কা চালক সকলে ই-ৰিস্কা সমূহ সঠিক ভাবে চলাইনে? বহু সময়ত ই-ৰিস্কাৰ অবাধ স্বাধীনতাই সমাজৰ প্ৰতি এক ভাবুকিৰ সৃষ্টি কৰিছে। একাংশ চালকে প্ৰতি ঘণ্টাত ৪০-৫০ কি.মি. বেগত পথত ই-ৰিস্কা দৌৰাই আছে। যিকোনো মুহূৰ্ততে দুৰ্ঘটনা সংঘটিত হ'ব পৰা গতিবেগে মানৱ জীৱনলৈ সংকট নমাই আনিছে। অভাৰ লোডিং ব্যৱস্থাৰ বাবে ইতিমধ্যে পথত দুৰ্ঘটনাত পতিত হৈ বহুতো লোক আঘাতপ্ৰাপ্ত হোৱা ঘটনাই ৰাইজৰ চকু কপালত তুলিছে। আনহাতে চালক সকলোৰো কোনো অনুজ্ঞা পত্ৰ নাথাকে। যিয়ে ইচ্ছা কৰে সিয়ে চালকৰ ভূমিকাত অৱতীৰ্ণ হৈ পথত শংকাৰ সৃষ্টি কৰিছে। তদুপৰি বয়সৰ কথা বিবেচনা নকৰাকৈ ৰাষ্ট্ৰীয় ঘাইপথত ই- ৰিস্কা চলোৱা কাৰ্যই বহুতকে চিন্তিত কৰি তুলিছে। ৬০ বছৰ বয়স মানে অৱসৰৰ সময়; কিন্তু তাকে নকৰি ৬০/৬৫ বয়সৰ উৰ্ধৰ লোক এজনে যাত্ৰী ভৰ্তি বা সামগ্ৰী ভৰ্তি ই- ৰিস্কা চলোৱাটো কেতিয়াও গ্ৰহণযোগ্য নহয়। সম্প্ৰতি অৱসৰ প্ৰাপ্ত একাংশ চতুৰ্থ বৰ্গৰ চৰকাৰী কৰ্মচাৰীকো ঘাইপথত ই- ৰিস্কা চলাই থকা দেখা গৈছে। কিবা এটা সুধিলে এটাই মাথোঁ উত্তৰ দিয়ে- "অৱসৰৰ সময় কি কৰিম! গতিকে ই-ৰিস্কা খনকে চলাই আছোঁ।" কিন্তু এটা কথা তেওঁলোকে জ্ঞাত হোৱা উচিত যে ই-ৰিস্কা খনত অকল তেওঁলোকৰ আয় বা সময় পাৰ কৰাৰ কথাই জড়িত হৈ নাথাকে; ইয়াত মানুহৰ জীৱনৰ কথাও জড়িত হৈ থাকে। গতিকে জনস্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰৰ পৰিবহণ বিভাগে তীব্ৰ গতিৰে চলোৱা আৰু ৬০ৰ উৰ্ধৰ লোকৰ দ্বাৰা ই-ৰিস্কা চলোৱাৰ ক্ষেত্ৰত এক কঠোৰ নিয়ম বলবৎ কৰিব লাগে।

***কমলেখ কাঞ্চন***

### প্ৰথমবাৰৰ বাবে নিলামত বিক্ৰী হ'ল অসমত উৎপাদিত 'মাচ্চা চাহ'

# ভাৰতীয় চাহৰ বাবে ঐতিহাসিক দিন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ জুলাই ঃ** অসমৰ চাহৰ জুন বছৰীয়া ইতিহাসত সন্নিৱিষ্ট হ'ল আন এক নতুন ইতিহাস। বিগত দুই শতিকাজুৰি যিখন পথাৰৰ পৰা কেৱল 'চিটিচি' বা 'অৰ্থড" চাহৰ সুবাস বিয়পি আছিল, সেই ভূমিৰ পৰাই এতিয়া বিশ্বৰ আটাইতকৈ চৰ্চিত আৰু উচ্চমূল্যৰ পানীয় 'মাচ্চা' (Matcha) চাহে পৃথিৱীৰ বজাৰত খোজ পেলাইছে। শুক্ৰবাৰে গুৱাহাটী চাহ নিলাম কেন্দ্ৰত অনুষ্ঠিত এক ঐতিহাসিক নিলামত প্ৰতি কিলোগ্ৰামত ৩, ০০০ টকা দৰত বিক্ৰী হ'ল অসম তথা ভাৰতৰ প্ৰথম বাণিজ্যিক মাচ্চা চাহ। তিনিচুকীয়াৰ চ'টা টিংৰাই চাহ বাগিচাই প্ৰস্তুত কৰা এই বিশেষ চাহৰ পাঁচ কিলোগ্ৰাম অংশ লট নম্বৰ ৭০০১ৰ জৰিয়তে নিলামত তোলা হৈছিল। জে. থমাছ এণ্ড কোম্পানী প্ৰাইভেট লিমিটেডৰ সৌজন্যত সম্পন্ন হোৱা এই নিলামত গুৱাহাটীৰ শ্বায়নছ টি কোম্পানীয়ে এই প্ৰিমিয়াম চাহবিধ ক্ৰয় কৰি এক নতুন অধ্যায়ৰ পাতনি মেলে। মাচ্চা চাহ কেৱল এক পানীয় নহয়, ই এক পৰম্পৰা। জাপানী প্ৰযুক্তি আৰু দহ বছৰীয়া সাধনাৰ ফলশ্ৰুতি এই চাহ। ছাঁত গজোৱা বিশেষ চাহ পাত চমুৱাই, তাক অতি মিহিকৈ গুড়ি কৰি এই প্ৰিমিয়াম পানীয়বিধ তৈয়াৰ কৰা হয়। সাধাৰণ গ্ৰীণ টিৰ বিপৰীতে মাচ্চা চাহ পানীত সম্পূৰ্ণকৈ মিহলাই সেৱন কৰা হয়, যাৰ ফলত ইয়াৰ প্ৰতিটো টোপালত সোমাই থাকে এণ্টিঅক্সিডেণ্ট, এমিন' এচিড আৰু প্ৰাকৃতিক কেফেইনৰ এক অনন্য ভাণ্ডাৰ। আমেৰিকা, জাৰ্মানী, অষ্ট্ৰেলিয়াৰ পৰা মধ্যপ্ৰাচ্যলৈকে সমগ্ৰ বিশ্বতে স্বাস্থ্য সচেতন লোকৰ প্ৰথম পছন্দ এই মাচ্চা। এই ঐতিহাসিক সাফল্যক লৈ আপ্লুত চ'টা টিংৰাই চাহ বাগিচাৰ সঞ্চালক মৃত্যুঞ্জয় জালানে কয়, "এইয়া কেৱল বিক্ৰী নহয়, ভাৰতৰ চাহ উদ্যোগত এক নতুন বিপ্লৱ। জাপানৰ পৰা প্ৰযুক্তি আহৰণ কৰি আমাৰ মাটিৰ গুণাগুণক বিশ্বমানলৈ নিব পৰাটোৱেই আমাৰ মূল লক্ষ্য আছিল।" তেওঁ লগতে জনায় যে আগন্তুক দিনত প্ৰতি সপ্তাহতে এই মাচ্চা চাহ নিলাম কৰাৰ পৰিকল্পনা বাগিচাখনৰ আছে। বৰ্তমান জাপান বা ভিয়েটনামৰ ওপৰত নিৰ্ভৰশীল ভাৰতৰ বজাৰত এই পদক্ষেপে দেশীয় উৎপাদনে এক নতুন দিগন্ত মুকলি কৰিলে। অসমৰ চাহৰ এই গৌৰৱোজ্জ্বল যাত্ৰাত প্ৰশংসা কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, "অসমৰ মাচ্চা চাহে বিশ্বৰ মঞ্চত আমাৰ দক্ষতা আৰু উদ্ভাৱনী শক্তিৰ পৰিচয় দিছে। জাপানী দক্ষতা আৰু অসমৰ চাহৰ এই মিলন ভাৰত-জাপান বন্ধুত্বৰো এক প্ৰতীক হৈ পৰিছে।" গুৱাহাটী চাহ নিলাম ক্ৰেতা সন্থাৰ সাধাৰণ সম্পাদক দীনেশ বিহানীয়েও এই মুহূৰ্তক ভাৰতীয় চাহৰ বাবে এক মাইলৰ খুঁটি বুলি অভিহিত কৰিছে। প্ৰচলিত চাহৰ পৰা বিৰত হৈ বিশ্বৰ দ্ৰুতগতিৰ 'স্পেশালিটি টি'ৰ বজাৰত অসমৰ এই প্ৰৱেশে অদূৰ ভৱিষ্যতে ৰাজ্যখনৰ অৰ্থনীতিলৈ যে এক নতুন জোৱাৰ আনিব, সেয়া নিশ্চিত।

### অভিনৱ আৰু ব্যতিক্ৰমী পদ্ধতিৰে তিনিদিনীয়া ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহ আৰম্ভ

# তিনি শতাধিক শিশুৰে মুখৰিত বৰপেটা

**অসম বাৰ্তা, বৰপেটা সদৰ, ৪ জুলাই ঃ** জ্ঞান বিজ্ঞান সমিতি, অসমৰ ২২ সংখ্যক ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহখন আজিৰে পৰা ৫ জুলাইলৈ দক্ষিণ বৰপেটা বিদ্যামন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈছে। সমাৰোহৰ আজি পুৱা জিলা সমিতিৰ সভাপতি প্ৰদীপ কুমাৰ মিশ্ৰই জ্ঞান বিজ্ঞান সমিতি, অসমৰ পতাকা উত্তোলন কৰাৰ পিছতে বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে ক্ৰমে দক্ষিণ বৰপেটা বিদ্যা মন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ চাৰু চক্ৰৱৰ্তী আৰু অৱসৰী শিক্ষয়িত্ৰী নীলিমা ৰণা পাটগিৰীয়ে। তাৰপিছত আৰম্ভ হয় শিশু প্ৰতিনিধি সকলৰ নাম পঞ্জীয়ন কাৰ্যসূচী। পুৱা ১০ বজাত সমাৰোহখন উদ্বোধন কৰে উদযাপন সমিতিৰ সভাপতি শ্ৰীউদ্ধৱ চন্দ্ৰ দাসে। উদ্বোধনী অনুষ্ঠানত স্থানীয় বিধায়ক দীপক কুমাৰ দাস আমন্ত্ৰিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সাৰুৱা ভাষণেৰে শিশু সকলক উৎসাহিত কৰে। ৰাজ্যিক সমিতিৰ প্ৰধান সচিব সুস্নাতা গোস্বামীয়ে উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছত শংকৰদেৱ বিদ্যা নিকেতন, বৰপেটাৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ প্ৰতিনিধি কঞ্জনাভ ভৰদ্বাজে বিভিন্ন জিলাৰ পৰা অহা অংশগ্ৰহণকাৰী সকলক উদ্দেশ্যি আদৰণি ভাষণ প্ৰদান কৰে। আয়োজক সমিতিৰ বিষয়ববীয়া শোভা ৰাণী দাসে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি আৰু পাৰদৰ্শী শিক্ষক সমলব্যক্তিসকলক আদৰণি জনায়। প্ৰেক্ষাগৃহৰ তৰামাই দাস সোঁৱৰণী মঞ্চত আয়োজিত উদ্বোধনী অনুষ্ঠানত ৰাজ্যিক সমিতিৰ কাৰ্যকৰী সভাপতি অনন্ত চৰণ শৰ্মা, ৰাজ্যিক পৰ্যায়ৰ পাৰদৰ্শী শিক্ষক প্ৰভাত বণিয়া, জন শিক্ষণ সংস্থান কামৰূপৰ অৱসৰী সঞ্চালক মুনীন কাকতি, জিলা সমিতিৰ সচিব তিলক কুমাৰ শৰ্মা, প্ৰাক্তন সচিব গোপীনাথ দাস, দীপক ৰয়, বসন্ত পাটগিৰী, উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি গীতাঞ্জলি দেৱী, সম্পাদক নিয়তি পাঠক, সমন্বয়ক হৰেন্দ্ৰনাথ দাস, শৈক্ষিক উপদেষ্টা ড° কুলৰঞ্জন ডেকা, শৈক্ষিক কাৰ্যকৰী সভাপতি ৰঞ্জিত কুমাৰ কলিতা, সমন্বয়ক ৰণজিৎ কুমাৰ দাস আদি কৰ্মকৰ্তা সকল উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানৰ পিছতে ৰাজ্যিক সমিতিৰ প্ৰাক্তন প্ৰধান সচিব হিৰণ্য কুমাৰ নাথৰ নেতৃত্বত অংশগ্ৰহণকাৰী ছাত্ৰ ছাত্ৰী সকলক ছয়টা দলত বিভক্ত কৰা হয়। সমাৰোহৰ মূল বিষয় সমূহ নিৰ্দিষ্ট কোঠা সমূহত এদল পাৰদৰ্শী শিক্ষকৰ পৰিচালনাত শিকন কোণ সমূহত পৰিচালিত হয়। অংক, বিজ্ঞান, অৰিগামি, কল্পনা আৰু সৃষ্টি, গীত আৰু নাট, পৰিৱেশ অধ্যয়ন এই ছয়টা বিষয় শিকন শিক্ষণ কোণ সমূহত হাতে কামে আৰু আনন্দৰ মাজেৰে পাৰদৰ্শী শিক্ষক সকলে উপস্থাপন কৰে। এই শিকন শিক্ষণ কোণ সমূহ আনুষ্ঠানিক ভাৱে মুকলি কৰে ক্ৰমে ড° মীনা শৰ্মা, নিৰূপমা মিশ্ৰ, দীপক বিহাৰী দাস, হৃদয় কমল দাস, ৰূপজ্যোতি চৌধুৰী, দিলীপ কুমাৰ দাস। আনহাতে সমান্তৰাল কাৰ্যসূচী হিচাপে চলি থাকে গ্ৰন্থ প্ৰদৰ্শনী, বিজ্ঞান প্ৰদৰ্শনী আৰু শিল্প-কলা প্ৰদৰ্শনী। বৰপেটা জিলা আৰু বৰপেটা খণ্ড জ্ঞান বিজ্ঞান সমিতিৰ যুটীয়া উদ্যোগত আয়োজিত এই সমাৰোহত বৰপেটা জিলাৰ লগতে আন জিলাৰ শিশুকে ধৰি তিনি শতাধিক শিশোৱে অংশগ্ৰহণ কৰিছে। মূলতঃ শিশু সকলৰ শাৰীৰিক, মানসিক, বৌদ্ধিক, সৃষ্টিশীলতা, কল্পনাশক্তিৰ বিকাশ সাধন কৰাৰ লগতে শৈক্ষিক দিশ আনন্দদায়ক কৰা, পৰিৱেশ সম্পৰ্কে সজাগ কৰা, ভাতৃত্ববোধ বঢ়োৱা আদি উদ্দেশ্য আগত ৰাখি একোখন জিলাত প্ৰতি বছৰে জ্ঞান বিজ্ঞান সমিতিয়ে এনে শিশু সমাৰোহৰ আয়োজন কৰি আহিছে।

### লক্ষ্য স্থিৰ নহ'লে জীৱনলৈ সফলতা নাহেঃ ৰাজু ডেকা

# বৰক্ষেত্ৰীৰ ৰামপুৰত গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান শুভৰাম্ভ

**অসম বাৰ্তা, দৌলাশাল, ৪ জুলাই ঃ** ভাৰতীয় জনতা পাৰ্টী, পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ উদ্যোগত আৰু ৫৭নং দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ৮১নং বুথৰ সহযোগত বৰক্ষেত্ৰীৰ ৰামপুৰত আজিৰে পৰা গ্ৰীষ্মকালীন বিনামুলীয়া পাঠদান শিৱিৰ আৰম্ভ হৈছে। নলবাৰী জিলাৰ পশ্চিম বৰক্ষেত্ৰী মৌজাৰ ৰামপুৰস্থিত ৫৪৪নং ৰামপুৰ প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত বিনামূলীয়া পাঠদান শিৱিৰটো উদ্বোধন কৰে পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডল বিজেপিৰ সভাপতি ৰাজু ডেকাই। মণ্ডল বিজেপিৰ সম্পাদক যুগল গোস্বামীয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত উদ্বোধক ৰাজু ডেকাই ছাত্ৰ-ছাত্ৰীসকলে উপকৃত হ'ব পৰাকৈ ভাষণ প্ৰদান কৰে। ৰাজু ডেকাই কয় যে, শৈশৱ কালতেই ছাত্ৰ- ছাত্ৰীৰ ভৱিষ্যত পন্থা নিৰ্ভৰ হয়। সেয়ে শৈশৱ কালৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে মানসিকভাৱে স্থিৰ হৈ লক্ষ্যত উপনীত হ'ব লাগিব। লক্ষ্য স্থিৰ নহ'লে জীৱনলৈ সফলতা নাহে। মণ্ডল বিজেপিৰ সভাপতি ৰাজু ডেকাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এই বুলিও কয় যে- মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে খেল-ধেমালিতো মনোনিবেশ কৰিব লাগে। এইক্ষেত্ৰত বিশ্ব ক্ৰিকেটৰ নৱতম চাঞ্চল্য ভাৰতীয় ক্ৰিকেটাৰ বৈভৱ সূৰ্যবংশীৰ উদাহৰণ দাঙি ধৰে। উদ্বোধনী অনুষ্ঠানত ৮১নং বুথ সমিতিৰ শক্তিকেন্দ্ৰৰ আহ্বায়ক অচ্যুৎ নাথ উপস্থিত থাকে। অঞ্চলটোৰ অষ্টম আৰু নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অনুষ্ঠিত কৰা গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান শিৱিৰত শিক্ষক ভগৱান নাথ, অপূৰ্ব নাথ, উদ্দিপ্ত চৌধুৰী আৰু জ্যোতিৰঞ্জন নাথে ইংৰাজী, বিজ্ঞান আৰু গণিত বিষয়ত ছাত্ৰ-ছাত্ৰীসকলক পাঠদান কৰিব। প্ৰতিদিনাই পুৱা ১০ বজাৰ পৰা ১ বজালৈকে ৩০ জুলাইলৈ এই পাঠদান শিৱিৰ অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিয়ে বুথ সভাপতি কুশল নাথ আৰু সম্পাদক টিকেন দাসে। ইতিমধ্যেই এই শিৱিৰত অঞ্চলটোৰ অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে।

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত গ্ৰীষ্মকালীন শৈক্ষিক কৰ্মশালা সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ৪ জুলাই ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয় ৰ সতীৰ্থ '৮৬ ৰ দ্বাৰা যোৱা ২ আৰু ৩ জুলাইত দুদিনীয়া কাৰ্যসূচীৰে এক বিনামূলীয়া শৈক্ষিক কৰ্মশালা শিৱসাগৰ জিলাৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত অনুষ্ঠিত হয়। এই কৰ্মশালাত স্থানীয় জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়, আমগুৰি হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়, হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, টিয়ক ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰায় ৩১৬জন নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে কাকজান মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ড° ৰূপৰেখা বৰদলৈ আৰু মাজুলী আঁমগুৰি মহাবিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষ কমল গোস্বামীয়ে বন্তি প্ৰজলনেৰে আৰম্ভ কৰা অনুষ্ঠানতো জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎত গগৈয়ে উদ্বোধন কৰে। অনুষ্ঠানতোত সতীৰ্থ '৮৬ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত পদাৰ্থ বিজ্ঞানৰ লগতে ইংৰাজী, ৰসায়ন বিজ্ঞান আৰু অংকশাস্ত্ৰ বিষয় বিলাক জনপ্ৰিয় কৰাৰ মানসেৰে ড° ৰাজীৱ বৰদলৈ, অধ্যাপক উত্তম দুৱৰা, ড° মনোজ হাজৰীকা আৰু অধ্যাপিকা ফিৰোজা বেগমক সমল ব্যক্তি হিচাপে লৈ ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ(ISRO) মহাকাশ বিজ্ঞান সম্পৰ্কীয় শিক্ষামুলক কাৰ্যসূচী সমূহত ছাত্ৰ-ছাত্ৰী সকলৰ অংশ গ্ৰহণৰ সহজ উপায় সম্পৰ্কে শিক্ষাদান কৰা হয়। এই শৈক্ষিক কৰ্মশালা জাঁজী হেমনাথ শৰ্মামহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপন কোষ আৰু সতীৰ্থ '৮৬ ডিব্ৰুগড় বিশ্ববিদ্যালয় গোটৰ উদ্যোগত সতীৰ্থ '৮৬ৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত ধ্ৰুৱজ্যোতি

### তিনি শতাধিক ছাত্ৰ-ছাত্ৰী অংশগ্ৰহণ

বৰগোহাঞিৰ সোঁৱৰণত অনুষ্ঠিত হয়। আনহাতে কৰ্মশালাৰ প্ৰথম দিনটোৰ কাৰ্যসূচী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈৰ সঞ্চালনাত আৰু বুবুল চাংকাকতিৰ পৰিচালনাত অনুষ্ঠিত হোৱা অনুষ্ঠানত কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা ড° ৰূপৰেখা বৰদলৈয়ে বন্তি প্ৰজ্বলন কৰাৰ লগতে মাজুলীৰ আমগুৰি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ কমল গোস্বামীয়ে মঙ্গলাচৰণ পাঠ কৰে। সমান্তৰাল ভাৱে প্ৰথম দিনটোত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ কাষৰীয়া কেইবাখনো শৈক্ষিক অনুষ্ঠানৰ প্ৰায় তিনি শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মহাকাশৰ বিভিন্ন প্ৰয়োজনীয় দিশ সামৰি জনপ্ৰিয় বক্তৃতা প্ৰদান আৰু ইংৰাজী ভাষাৰ শুদ্ধ উচ্চাৰণকে আদি বহুতো দিশ সামৰি পাঠ আগবঢ়ায় সমল ব্যক্তি ক্ৰমে তিনিচুকীয়া মহিলা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° ৰাজীৱ বৰদলৈয়ে আৰু ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক উত্তম দুৱৰাই। ইয়াৰোপৰি কৰ্মশালাৰ দ্বিতীয় দিনটোত গণিত আৰু ৰসায়ণ বিজ্ঞানৰ পাঠ আগবঢ়ায় ক্ৰমে শিৱসাগৰ মহাবিদ্যালয়, জয়সাগৰৰ গণিত বিষয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ফিৰোজা বেগম আৰু দেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয়ৰ ৰসায়ণ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° মনোজ জ্যোতি হাজৰীকাই। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° অনিল কুমাৰ গগৈৰ সভাপতিত্বত অনুষ্ঠিত আৰু জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা বীণা বৰুৱা আৰু অসম চৰকাৰৰ অৱসৰী ৰাজ্যিক কৰ উপায়ুক্ত বুবুল চাংকাকতিয়ে পৰিচালনা কৰা সামৰণি অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কৰ্মশালাৰ প্ৰমাণ পত্ৰ বিতৰণ কৰাৰ লগতে সতীৰ্থ '৮৬ৰ কেইবাজনো সদস্য আৰু ছাত্ৰ-ছাত্ৰীয়ে অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানটিত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, তথা অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি জ্যোতিপ্ৰসাদ গগৈ, আমগুৰি আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ইন্দ্ৰকমল ফুকন জাঁজীউচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক জামালুদ্দিন নেওগ, সতীৰ্থ '৮৬ৰ সদস্য ধ্ৰুৱজ্যোতি বৰুৱা, ড° ৰূপৰেখা বৰা, ড° ৰঞ্জনা বৰদলৈ, ড° ৰাজীৱ বৰদলৈ, অনিল কুমাৰ ভাটীয়া, ৰুনিমা শৰ্মা বৰুৱা, অশোক বৰঠাকুৰ, ৰুনিমা শৰ্মা, অৰূপ কুমাৰ বৰঠাকুৰ, সূৰ্য কুমাৰ দত্ত, হৰেন শইকীয়া, তৰুন শইকীয়া, নিভা নাথ, ননী শৰ্মা, বোধেশ্বৰী বৰা, ৰূপালী লেখাৰু, প্ৰদীপ কুমাৰ চেত্ৰী, বিষ্ণু গগৈ, ধ্ৰুৱজ্যোতি বৰুৱাকে ধৰি বহু সংখ্যক বুদ্ধিজীৱী আৰু শিক্ষাবিদে অংশগ্ৰহণ কৰে। লগতে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপন কোষৰ সমন্বয়ক ড০ ৰাজীৱ গগৈ, অধ্যাপক ড° মৃদুস্মিতা দেৱী, ৰাতুল বৰা আদি উপস্থিত থাকি অনুষ্ঠানটিত সবল কৰাত বিশেষ অৰিহনা যোগাই। সতীৰ্থ '৮৬ৰ হৈ সম্পাদক বুবুল চাং কাকতিয়ে অনুষ্ঠানতো সফল কৰাৰ বাবে সকলোৰে ওচৰত কৃতজ্ঞতা জনাই শৰাগৰ শৰাই আগবঢ়াই। অৱসৰী অধ্যক্ষ ড° অনিল গগৈয়ে এনে ধৰণৰ গঠন মুলক কামৰ বাবে সতীৰ্থ '৮৬ সকলো বিষয়ববীয়াক ভূয়শী প্ৰশংসা কৰি ভবিশ্যতেও এনেধৰণৰ সমাজহিতৈষী কাম কাজ অব্যাহত ৰাখিবলৈ আহ্বান জনাই দুদিনীয়া কৰ্মশালাৰ সফল সামৰণি পৰে।

### সপ্তাহযোৱা কাৰ্য্যসূচীৰে গছপুলি ৰোপণ আৰু বিতৰণ

# বন্দাপাৰা বনাঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত সাত দিনীয়া বন মহোৎসৱ আয়োজন

**অসম বাৰ্তা, বকো, ৪ জুলাই ঃ** ৰাজ্যত বন বিভাগৰ অভিলাষী আঁচনি বন মহোৎসৱ শুভাৰম্ভ হৈছে। ৰাজ্য চৰকাৰৰ বন বিভাগৰ জৰিয়তে প্ৰতি বছৰে পহিলা জুলাইৰ পৰা ৭ জুলাইলৈ আয়োজন কৰি আহিছে ৰাজ্যজুৰি বন মহোৎসৱ। এই উপলক্ষে কামৰূপ জিলাৰ পশ্চিম কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত বন্দাপাৰা বনাঞ্চলিক কাৰ্যালয়ৰ বিষয়া কুলুমালানি গগৈৰ তৎপৰতাত আয়োজন কৰে গছ পুলি ৰোপণ আৰু বিতৰণ কাৰ্যসূচী। বন্দাপাৰা বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত প্ৰত্যেক বিত কাৰ্য্যালয় এলেকাত গছপুলি ৰপোন কৰা হয়। আজিও কাৰ্য্যালয়ৰ অধীনৰ চুকুণীয়াপাৰাত বিতৰণ কৰে প্ৰায় দুই শ জোপা গছ পুলি। ইয়াৰ সমান্তৰালকৈ এলেকাটোৰ ভিন্ন প্ৰান্তত বহু সংখ্যক মুল্যবান গছ পুলি ৰোপণ কৰা হয়। বন বিভাগে আপুৰুগীয়া গছপুলি ৰোপণ কৰাত অঞ্চলটোৰ সমাজ সচেতন ৰাইজে শলাগ লৈছে।

# গৰমৰ বন্ধত মোমায়েকৰ ঘৰলৈ ফুৰিবলৈ আহি ধনশিৰি নদীত সন্ধানহীন এজন কিশোৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৪ জুলাই ঃ** গোলাঘাটত সংঘটিত এক শোকাৱহ ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। বিদ্যালয়ৰ গৰম বন্ধত মোমায়েকৰ ঘৰলৈ ফুৰিবলৈ আহি ধনশিৰি নদীত সন্ধানহীন হৈ পৰিছে ১২ বছৰীয়া এজন কিশোৰ। ঘটনাস্থলীত এছ ডি আৰু এফৰ উদ্ধাৰকাৰী দলে অব্যাহত ৰাখিছে অভিযান। গোলাঘাটৰ বেঙেনাখোৱা জালান চাহ বাগিচাৰ অন্তৰ্গত হাঁহচৰা অঞ্চলত সংঘটিত হয় এই দুৰ্ভাগ্যজনক ঘটনা। জানিব পৰা মতে, ফুলবাৰীৰ মুৰফুলনি বাগান গাঁৱৰ বিশ্বজিৎ গগৈৰ ১২ বছৰীয়া পুত্ৰ ৰূপম গগৈ বিদ্যালয়ৰ গৰম বন্ধ উপলক্ষে মোমায়েকৰ ঘৰলৈ ফুৰিবলৈ আহিছিল। সেই সময়তে আইতাকৰ সৈতে নদীলৈ গৈ পানীত নামি থকা অৱস্থাত হঠাতে পানীৰ সোঁতত উটি যোৱাত কিশোৰজন সন্ধানহীন হৈ পৰে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে গোলাঘাট এছ ডি আৰ এফৰ উদ্ধাৰকাৰী দল ঘটনাস্থলীত উপস্থিত হৈ নদী আৰু ইয়াৰ আশে-পাশে ব্যাপক অনুসন্ধান অভিযান আৰম্ভ কৰে যদিও বৰ্তমান পৰ্যন্ত কিশোৰজনক উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। ইফালে স্থানীয় লোকেও এই উদ্ধাৰ অভিযানত এছ ডি আৰ এফক সহায় কৰি আছে। কিন্তু ধনশিৰি নদীৰ তীব্ৰ সোঁত আৰু বাঢ়নী পানীৰ বাবে উদ্ধাৰ অভিযানত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে।

# ফিল'বাৰীত 'জনতাৰ শিল্পী' জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি উন্মোচন কৰিলে গৰিমা গাৰ্গে

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ জুলাই ঃ** অসমীয়াৰ হৃদয়ৰ স্পন্দন, 'জনতাৰ শিল্পী' জুবিন গাৰ্গক কালৰ সোঁতত হেৰাই যাবলৈ নিদি, চিৰযৌৱনা কৰি ৰখাৰ এক প্ৰয়াস স্বৰূপে শুকুৰবাৰে সন্ধিয়া তিনিচুকীয়া জিলাৰ ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত ফিল'বাৰীৰ গাভৰুভেটি ৰাস মঞ্চ প্ৰাংগণত উন্মোচন কৰা হয় শিল্পীগৰাকীৰ এক পূৰ্ণাঙ্গ প্ৰতিমূৰ্তি। সন্ধিয়া প্ৰায় সাত বজাত সহস্ৰাধিক অনুৰাগীৰ উপস্থিতিত এক আৱেগিক পৰিৱেশত এই প্ৰতিমূৰ্তিটো উন্মোচন কৰা হয়। গাভৰুভেটি কলা কৃষ্টি সংঘৰ ঐকান্তিক প্ৰচেষ্টা আৰু স্থানীয় বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী ৰূপেশ গোৱালাই তেওঁৰ বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজিৰ পৰা আগবঢ়োৱা দহ লাখ টকীয়া আৰ্থিক অনুদানৰ জৰিয়তে নিৰ্মিত এই আটকধুনীয়া উদ্যান আৰু প্ৰতিমূৰ্তিটো আনুষ্ঠানিকভাৱে অনাবৰণ কৰে জুবিন গাৰ্গৰ জীৱনসংগিনী গৰিমা শইকীয়া গাৰ্গ আৰু বিধায়ক ৰূপেশ গোৱালাই। অনুষ্ঠানৰ পূৰ্বে এক বৰ্ণিল পৰিৱেশৰ সৃষ্টি হয়। গায়ন-বায়নৰ পৱিত্ৰ ধ্বনি, জাতি-জনগোষ্ঠীয় লোকসকলৰ উষ্ম আদৰণি আৰু পিএমশ্ৰী ফিল'বাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ এন চি চি কেডেটৰ শৃংখলাবদ্ধ অভিবাদনেৰে জনতাৰ শিল্পীগৰাকীৰ সহধৰ্মিনীক 'জুবিন ক্ষেত্ৰ'লৈ আদৰি অনা হয়। গৰিমা গাৰ্গে ফিতা কাটি উদ্যানখনৰ দুৱাৰ মুকলি কৰাৰ পাছতেই বন্তিপ্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে প্ৰিয় শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিটো উন্মোচন কৰে। অনুষ্ঠানত আৱেগিক হৈ পৰা গৰিমা গাৰ্গে কয় যে "ফিল'বাৰীবাসীৰ এই অকৃত্ৰিম মৰম দেখি মই অভিভূত। কায়িকভাৱে জুবিন আজি আমাৰ মাজত নাই বুলি ধৰিলে ভুল হ'ব, কাৰণ প্ৰতিগৰাকী অনুৰাগীৰ হৃদয়ৰ স্পন্দনত জুবিন সদায় জীয়াই আছে।" প্ৰতিমূৰ্তি উন্মোচনৰ পিছতে গাভৰুভেটি কলা কৃষ্টি সংঘৰ ৰঙ্গমঞ্চত গৰিমা শইকীয়া গাৰ্গক ৰাজহুৱাভাৱে উষ্ণ সম্বৰ্ধনা জনোৱা হয়। তিনিচুকীয়া জিলাৰ প্ৰান্তৰ পৰা অহা অগণন লোকৰ লগতে অঞ্চলটোৰ বিভিন্ন দল-সংগঠনৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণে আজিৰ দিনটোক এক উৎসৱমুখৰ পৰিৱেশলৈ ৰূপান্তৰিত কৰে। অনুষ্ঠানটিৰ সঞ্চালনা কৰে ফিল'বাৰীৰ সন্তান, বিশিষ্ট নাট্যকৰ্মী ৰাজীৱ লোচন বৰাই।

# সৰুপথাৰ মহাবিদ্যালয়ৰ ষষ্ঠ ষাণ্মাসিকৰ বাণিজ্য শাখাত ১০০ শতাংশ উত্তীৰ্ণ

### উৎফুল্ল শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ৪ জুলাই ঃ** সদ্য ঘোষিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক পাঠ্যক্ৰমৰ বাণিজ্য শাখাৰ ষষ্ঠ ষাণ্মাসিক পৰীক্ষাৰ ফলাফলত সৰুপথাৰ মহাবিদ্যালয়ে পুনৰ এবাৰ শিক্ষাৰ উৎকৰ্ষৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনৰ বাণিজ্য শাখাৰ পৰীক্ষাত অৱতীৰ্ণ সকলো ছাত্ৰ-ছাত্ৰী সফলতাৰে উত্তীৰ্ণ হোৱাৰ ফলত এইবাৰ উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ হৈছে। এই চমকপ্ৰদ সফলতাই সমগ্ৰ মহাবিদ্যালয় চৌহদত আনন্দ, উৎসাহ আৰু গৌৰৱময় পৰিৱেশৰ সৃষ্টি কৰিছে। বৰ্তমানৰ প্ৰতিযোগিতামূলক শিক্ষাব্যৱস্থাত এনে সফলতা কেৱল পৰিসংখ্যাৰ বিষয় নহয়, ই ছাত্ৰ-ছাত্ৰীসকলৰ একাগ্ৰতা, অধ্যৱসায়, নিয়মানুৱৰ্তিতা, কঠোৰ পৰিশ্ৰম আৰু শিক্ষকমণ্ডলীৰ সুদক্ষ দিক্-নিৰ্দেশনাৰ এক উজ্জ্বল প্ৰতিফলন। এই ফলাফলৰ জৰিয়তে সৰুপথাৰ মহাবিদ্যালয়ৰ বাণিজ্য শাখাই পুনৰ এবাৰ প্ৰমাণ কৰিলে যে সঠিক পৰিকল্পনা, নিয়মিত শিক্ষাদান আৰু শিক্ষাৰ্থীৰ আন্তৰিক প্ৰচেষ্টাই সাফল্যৰ মূল চাবিকাঠি। এই ঐতিহাসিক সফলতাৰ বাবে মহাবিদ্যালয়খনৰ বাণিজ্য শাখাৰ মুৰব্বী অধ্যাপক প্ৰশান্ত পোদ্দাৰৰ নেতৃত্বত কৰ্তব্যনিষ্ঠভাৱে শিক্ষাদান কৰি অহা সকলো শিক্ষক-শিক্ষয়িত্ৰীক বিভিন্ন মহলে প্ৰশংসাৰে উপচাই পেলাইছে। একে সময়তে অধ্যৱসায়, শৃংখলা আৰু আত্মবিশ্বাসেৰে এই গৌৰৱময় সাফল্য অৰ্জন কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীও অভিনন্দনৰ পাত্ৰ হৈ পৰিছে। মহাবিদ্যালয়খনৰ অধ্যক্ষা ড° প্ৰাপ্তি ঠাকুৰে ফলাফল প্ৰকাশৰ পিছতে বাণিজ্য শাখাৰ সকলো সফল ছাত্ৰ-ছাত্ৰী, মুৰব্বী অধ্যাপক প্ৰশান্ত পোদ্দাৰ আৰু বিভাগটোৰ প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীলৈ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয় যে এই সফলতা সমগ্ৰ মহাবিদ্যালয় পৰিয়ালৰ বাবে এক গৌৰৱৰ বিষয়। আগন্তুক সময়তো একে নিষ্ঠা, অধ্যৱসায় আৰু দায়বদ্ধতাৰে শিক্ষাৰ ক্ষেত্ৰত অধিক সফলতা অৰ্জন কৰিবলৈ সক্ষম হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে, বিগত কেইবাবছৰো ধৰি সৰুপথাৰ মহাবিদ্যালয়ে শৈক্ষিক, সাংস্কৃতিক, ক্ৰীড়া আৰু সহ-পাঠ্যক্ৰমমূলক বিভিন্ন ক্ষেত্ৰত ধাৰাবাহিকভাৱে কৃতিত্ব প্ৰদৰ্শন কৰি আহিছে। শেহতীয়াকৈ এই ১০০ শতাংশ উত্তীৰ্ণৰ ফলাফলে সেই গৌৰৱময় পৰম্পৰাক অধিক শক্তিশালী কৰাৰ লগতে অঞ্চলটোৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত মহাবিদ্যালয়খনৰ সুনাম আৰু বিশ্বাসযোগ্যতা অধিক সুদৃঢ় কৰি তুলিছে। শিক্ষাৰ মান উন্নয়ন, শৃংখলাবদ্ধ শিক্ষাৰ পৰিৱেশ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰিক বিকাশৰ লক্ষ্যৰে আগবাঢ়ি অহা সৰুপথাৰ মহাবিদ্যালয়ৰ এই অনন্য সফলতাই সমগ্ৰ অঞ্চলবাসীক গৌৰৱান্বিত কৰাৰ লগতে ভৱিষ্যতৰ শিক্ষাৰ্থীসকলৰ বাবেও এক প্ৰেৰণাদায়ক দৃষ্টান্ত হিচাপে পৰিগণিত হৈছে।

### ডিব্ৰুগড়ত যুটীয়া অভিযানত ৬৫ বস্তা গুটখা কঢ়িয়াই নিয়া ট্ৰাক জব্দ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৪ জুলাই ঃ** অবৈধ সামগ্ৰী সৰবৰাহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ অংশ হিচাপে ডিব্ৰুগড়ত নিৰ্বাচনী বিষয়া তথা কাৰ্যবাহী দণ্ডাধীশ প্ৰাঞ্জিল গগৈৰ নেতৃত্বত ৰাজ্যিক জিএছটি বিভাগৰ দল আৰু গাভৰুপথাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ সহযোগিতাত এক যুটীয়া অভিযান চলোৱা হয়। অভিযানকালত পূব বাণীপুৰৰ সমীপত ৬৫ বস্তা "চিগনেচাৰ" ব্ৰেণ্ডৰ গুটখা কঢ়িয়াই নিয়া এখন ট্ৰাক আটক কৰি তালাচী চলোৱা হয়। তদন্তত পোহৰলৈ আহে যে গুটখাখিনি কোনো বৈধ জিএছটি ই-ৱে বিল অবিহনে সৰবৰাহ কৰা হৈছিল। ইয়াৰ পিছতে, অবৈধ সামগ্ৰীসহ ট্ৰাকখন তাৎক্ষণিকভাৱে জব্দ কৰা হয়। ঘটনাটোৰ সৈতে জড়িত সংশ্লিষ্ট পক্ষসমূহৰ বিৰুদ্ধে প্ৰযোজ্য আইনৰ ধাৰাসমূহ অনুসৰি আইনী ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

# বহুধা বিভক্ত সদৌ তিৱা ছাত্ৰ সন্থাৰ মাজত তীব্ৰ কন্দল

**অসম বাৰ্তা, ৰহা, ৪ জুলাই ঃ** বহুধা বিভক্ত সদৌ তিৱা ছাত্ৰ সন্থাৰ মাজত তীব্ৰ কন্দল সৃষ্টি হোৱাক লৈ সংবাদমেল যোগে সদৌ তিৱা ছাত্ৰ সন্থাৰ চেনিৰাম মালাং গোটক তীব্ৰ সমালোচনা প্ৰশান্ত মচৰং গোটৰ। শুক্ৰবাৰে ৰহা সাংবাদিক সন্থাৰ কাৰ্যালয়ত সদৌ তিৱা ছাত্ৰ সন্থাৰ প্ৰশান্ত মছৰং গোটে আহ্বান কৰা এক সংবাদমেল যোগে চেনিৰাম মালাং গোটক কঠোৰ সমালোচনা কৰি কয় যে, সদৌ তিৱা ছাত্ৰ সন্থাৰ সংবিধান বিৰোধী কাৰ্যকলাপত হৈ সন্থাৰ পৰা বহিস্কৃত সদস্যসকলে 'সদৌ তিৱা ছাত্ৰ সন্থা'ৰ নাম লৈ সমান্তৰাল সন্থা গঠন কৰি ৰাইজৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। চেনিৰাম মালাঙক ধুৰন্ধৰ আখ্য দি চেনিৰামৰ প্ৰয়োচনাতে সেই গোটটো পুনৰ বিভাজন কৰি তিৱা জাতিকে লজ্জানত কৰা বুলি মন্তব্য কৰে উপসভাপতি কন্দৰ্প হোকায়ে। একেদৰে চেনিৰাম মালাং গোটৰ সভাপতি মুক্তি লালুং এজন সুবিধাবাদী মাটিৰ দালাল বুলি অভিযোগ তুলি সদৌ তিৱা ছাত্ৰ সন্থাৰ প্ৰশান্ত মচৰং গোটে। মাটিৰ দালাল ৰাজ সকলমে চলাই নিবলৈকে বেলেগ সদৌ তিৱা ছাত্ৰ সন্থা গঠন কৰিছে বুলি অভিযোগ কৰে সদৌ তিৱা ছাত্ৰ সন্থাৰ প্ৰশান্ত মচৰং গোটে। তিৱা ছাত্ৰ সন্থা গঠন কৰি তিৱা স্বায়ত্ত্ব পৰিষদৰ দুৰ্নীতি উদঘাটনৰ নামত ব্লেক মেইলিং নকৰিবলৈও চনীৰাম মালাং গোটক সকিয়াই দিয়ে। সংবাদমেলত সদৌ তিৱা ছাত্ৰ সন্থাৰ প্ৰশান্ত মচৰং গোটে তিৱা স্বায়ত্ত্ব পৰিষদৰ নিৰ্বাচন সময় মতে অনুষ্ঠিত কৰা আৰু পৰিষদত নতুনকৈ অন্তৰ্ভুক্ত হোৱা ৰাজহ গাঁওসমূহক লৈ সমষ্টি পুনৰ নিদ্ধাৰণ কৰি শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰিবলৈও সংবাদমেলত দাবী উত্থাপন কৰে প্ৰশান্ত মচৰং গোটে। সংবাদমেলত সদৌ তিৱা ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰহ্লাদ মচৰঙে অভিযোগ কৰি কয় যে চেনিৰাম মালাং, মুক্তি লালুং, বিমান মাচৰেং, প্ৰমোদ চাগ্ৰা আদি পাবত গজা তথাকথিত নেতাবোৰৰ জাতিৰ প্ৰতি কোনো অবদান নাই। জাতিক ভাগ ভাগ কৰাতকৈ জাতিৰ উন্নয়নৰ বাবে সেইসকল নেতাক আহ্বান জনাই সদৌ তিৱা ছাত্ৰ সন্থাৰ প্ৰশান্ত মছৰং গোটে।

## প্ৰচণ্ড গৰমত বিপৰ্যস্ত অসমৰ

সূৰ্য্যৰ পোহৰৰ সংস্পৰ্শলৈ অহাৰ পৰা যাতে ৰাইজক বিৰত থাকে, কাৰণ এই সময়ছোৱাত অতিবায়ুমণ্ডলীয় ৰশ্মি আটাইতকৈ ক্ষতিকাৰক। উপযুক্ত টুপী, ছাটি বা সুৰক্ষামূলক পোছাক ব্যৱহাৰ কৰি নিজকে সুৰক্ষিত ৰাখিবলৈও তেওঁ পৰামৰ্শ দিয়ে। তদুপৰি মুখ্যমন্ত্ৰীগৰাকীয়ে গৰমজনিত স্বাস্থ্যজটিলতাৰ বিষয়েও সজাগ কৰে। হঠাৎ মূৰ ঘূৰণি, শৰীৰ দুৰ্বল অনুভৱ, বমি ভাব বা অতিশয় গৰম লাগি অস্থিৰ হোৱা যিকোনো লক্ষণ দেখা গ'লে তৎক্ষণাৎ চিকিৎসকৰ পৰামৰ্শ আৰু প্ৰয়োজনীয় সহায় ল'বলৈ ৰাইজক আহ্বান জনায়। তেওঁ কয় যে এনে পৰিস্থিতিত সময়মতে চিকিৎসা লোৱাই আটাইতকৈ গুৰুত্বপূৰ্ণ, আৰু কোনো অৱস্থাতেই এই লক্ষণবোৰক আওকাণ কৰি ঘৰতে পৰি থাকিব নালাগে। সাম্প্ৰতিক প্ৰত্যাহ্বানৰ মাজতে ৰাজ্য চৰকাৰৰ স্বাস্থ্য সেৱা বিভাগে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে অৱগত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিগত কেইবছৰমানত অসমৰ চিকিৎসা ব্যৱস্থা যথেষ্ট আধুনিক আৰু সুসংহত হৈ উঠিছে। বৰ্তমান ৰাজ্যৰ প্ৰায়বোৰ অঞ্চলতে স্বাস্থ্য কেন্দ্ৰসমূহে উন্নত সেৱা আগবঢ়াই আছে, যাৰ বাবে ৰাইজে চিকিৎসা ল'বলৈ দূৰলৈ যাবলগীয়া নহয়। প্ৰয়োজন হ'লে ওচৰৰ চৰকাৰী স্বাস্থ্য কেন্দ্ৰ বা চিকিৎসালয়লৈ যাবলৈ তেওঁ ৰাইজক কুণ্ঠাবোধ নকৰিবলৈ বিশেষভাৱে অনুৰোধ জনায়। শেষত ৰাইজক আশ্বাস দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই তীব্ৰ গৰমৰ পৰিস্থিতিত যাতে কোনো ৰাইজে চিকিৎসা সেৱাৰ অভাৱত নাভোগে, তাৰ বাবে ৰাজ্য চৰকাৰ সম্পূৰ্ণ প্ৰতিশ্ৰুতিবদ্ধ। প্ৰয়োজনীয় চিকিৎসা সামগ্ৰীৰ যোগান আৰু স্বাস্থ্যসেৱা কেন্দ্ৰসমূহৰ কাৰ্যক্ষমতা অধিক শক্তিশালী কৰি তোলাৰ বাবে চৰকাৰে সমগ্ৰ ৰাজ্যতে নিৰন্তৰ প্ৰচেষ্টা চলাই গৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে দৃঢ়তাৰে উল্লেখ কৰে।

## গুৱাহাটীৰ কৃত্ৰিম বান সমস্যা

অঞ্চলসমূহ পৰিদৰ্শন কৰি নলা-নৰ্দমা, পানী নিষ্কাশন ব্যৱস্থা আৰু সংশ্লিষ্ট আন আন বিষয়সমূহৰ বুজ লয়। বৰষুণৰ সময়ত নগৰবাসীয়ে অযথা অসুবিধাৰ সন্মুখীন হ'ব নালাগে তাৰ বাবে বিভাগসমূহে সমন্বিত প্ৰচেষ্টা চলাই থকা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ জনসাধাৰণৰ সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে চৰকাৰী প্ৰচেষ্টা সফল কৰি তুলিবলৈ ৰাইজৰ সক্ৰিয় অংশগ্ৰহণ অতি প্ৰয়োজনীয়। পৰিদৰ্শন কালত তেওঁৰ লগত আছিল গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব কবিতা পদ্মনাভন, জিএমডিএৰ মুখ্য কাৰ্যবাহী বিষয়া আম্বাতুন এমপি, জিএমচিৰ আয়ুক্ত চিন্ময় ফুকন আৰু অন্যান্য বিভাগীয় বিষয়াসকল। পৰিদৰ্শনৰ অন্তত মন্ত্ৰীগৰাকীয়ে অঞ্চলটোৰ জল নিষ্কাশন ব্যৱস্থাক অধিক ফলপ্ৰসূ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি গুৱাহাটী পৌৰ নিগম, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণ, ভাৰতীয় ৰে'লৱে, লোকনিৰ্মাণ বিভাগ তথা সংশ্লিষ্ট বিষয়াসকলক প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ প্ৰদান কৰে। ইফালে, গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বান সমস্যাৰ স্থায়ী আৰু বিজ্ঞানসন্মত সমাধানৰ বাবে দিছপুৰৰ জনতা ভৱনত এক পৰ্যালোচনা সভা অনুষ্ঠিত হয়। মন্ত্ৰী কৌশিক ৰায়ৰ কাৰ্যালয় সভাক্ষেত্ৰত অনুষ্ঠিত এই সভাত জিআইএছ-ভিত্তিক সামগ্ৰিক পানী নিষ্কাশন ব্যৱস্থাপনা পৰিকল্পনা আৰু বাহিনী-ভৰলু অৱবাহিকাৰ বিশদ প্ৰকল্প প্ৰতিবেদন সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। সভাত গুৱাহাটীত বৰষুণৰ পানী নিষ্কাশন ব্যৱস্থা ফলপ্ৰসূভাৱে কাৰ্যক্ষম কৰি তোলা আৰু মহানগৰীৰ বিভিন্ন অঞ্চলত সঘনাই সৃষ্টি হোৱা কৃত্ৰিম বানপানীৰ সমস্যা সমাধানৰ লক্ষ্যৰে প্ৰস্তাৱিত পৰিকল্পনা আৰু বিশদ প্ৰকল্প প্ৰতিবেদনৰ ওপৰত পুংখানুপুংখ পৰ্যালোচনা কৰা হয়। প্ৰস্তাৱিত ব্যৱস্থাসমূহ যাতে বাস্তৱসন্মত, বহনক্ষম আৰু মহানগৰখনৰ পানী নিষ্কাশন আন্তঃগাঁথনি শক্তিশালী কৰাত ফলপ্ৰসূ হয়, তাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। সভাত সভাপতিত্ব কৰি মন্ত্ৰী কৌশিক ৰায়ে প্ৰস্তাৱিত সংশোধনসমূহ অন্তৰ্ভুক্ত কৰাৰ পিছত চূড়ান্ত অনুমোদনৰ পূৰ্বে সংশোধিত প্ৰস্তাৱসমূহ পুনৰ গভীৰভাৱে পৰ্যালোচনা কৰিবলৈ সংশ্লিষ্ট সকলো পক্ষক পৰামৰ্শ দিয়ে। ভৱিষ্যতে যাতে এই ক্ষেত্ৰত কোনো ধৰণৰ ত্ৰুটি ৰৈ নাযায় তাৰ ওপৰত তেওঁ বিশেষ গুৰুত্ব প্ৰদান কৰে। লগতে মহানগৰীৰ বানপানী ব্যৱস্থাপনা সন্দৰ্ভত এক সমন্বিত আৰু দীৰ্ঘম্যাদী দৃষ্টিভংগীৰ প্ৰয়োজনীয়তাৰ গুৰুত্ব আৰোপ কৰা হয়। সভাত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব কবিতা পদ্মনাভন, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া অন্বমুথন এমপি, এইইউআইডিচিএলৰ পৰিচালন সঞ্চালক হিভাৱে নিসৰ্গ গৌতম, অতিৰিক্ত পৰিচালন সঞ্চালক সম্প্ৰীতি গোস্বামী, লোক নিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তা হেমন্ত দেউৰী ভৰালী, গুৱাহাটী পৌৰ নিগমৰ মুখ্য অভিযন্তা প্ৰদ্যুম্ন বৰদলৈৰ লগতে সংশ্লিষ্ট বিভাগসমূহৰ অন্যান্য বিষয়াবৰ্গ উপস্থিত থাকে। গুৱাহাটীৰ বান সমস্যা সমাধান কৰি নাগৰিকসকলৰ জীৱনৰ মান উন্নয়নৰ ক্ষেত্ৰত চৰকাৰৰ দৃঢ় অংগীকাৰৰ কথা পুনৰ ব্যক্ত কৰি মন্ত্ৰী ৰায়ে এই গুৰুত্বপূৰ্ণ সমস্যাৰ সমাধানৰ বাবে সংশ্লিষ্ট সকলোকে সম্পূৰ্ণ নিষ্ঠা, সমন্বয় আৰু দায়বদ্ধতাৰে কাম কৰিবলৈ আহ্বান জনায়।

## ই-২০ ইন্ধন নিৰাপদ, বিশেষজ্ঞৰ দাবী

ব্যাপক বৈজ্ঞানিক পৰীক্ষা কৰা হৈছে। নতুন দিল্লীত অনুষ্ঠিত এক সংবাদমেলত বিশেষজ্ঞসকলে স্পষ্ট কৰে যে ভাৰতৰ ইথানল মিশ্ৰণ কাৰ্যসূচী দেশজুৰি ৰূপায়ণৰ পূৰ্বে অটো নিৰ্মাতা, পৰীক্ষণ সংস্থা আৰু অন্যান্য অংশীদাৰসকলৰ সৈতে ব্যাপক আলোচনা কৰা হৈছিল। পৰ্যায়ক্ৰমে আৰু বিজ্ঞানভিত্তিক পদ্ধতিৰ জৰিয়তে এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। তেওঁলোকে দাবী কৰে যে ই-চজ্ঞ কঠোৰ গুণগত মান পূৰণ কৰে আৰু ই-২০ আদেশৰ পূৰ্বে নিৰ্মিত বাহনৰ বাবেও ই নিৰাপদ। ইঞ্জিনিয়াৰ্ছ ইণ্ডিয়া লিমিটেডৰ প্ৰাক্তন অধ্যক্ষ তথা পৰিচালন সঞ্চালক ভাৰ্টিকা শুক্লাই কয়, "ই-২০ কাৰ্যসূচী হঠাৎ নীতিগত সিদ্ধান্তৰ পৰিৱৰ্তে বছৰ বছৰ ধৰি বৈজ্ঞানিক মূল্যায়নৰ ফল। পেট্ৰ'লত এই ইথানল মিশ্ৰণটো এৰাতিৰ ভিতৰতে কৰা হোৱা নাই, ই এক জুখিব পৰা, বৈজ্ঞানিকভাৱে পৰিচালিত পদক্ষেপ প্ৰক্ৰিয়া। ভাৰতে ২০১৩-১৪ চনত পেট্ৰ'লত ইথানল মিশ্ৰণ প্ৰায় ১.৫'ৰ পৰা ২০২৫ চনৰ ডিচেম্বৰৰ ভিতৰত ২০' %ল বৃদ্ধি কৰি নিৰ্ধাৰিত সময়তকৈ পাঁচ বছৰ আগতেই লক্ষ্যত উপনীত হৈছে।" তেওঁ লগতে কয়, "এই কাৰ্যসূচী বৈজ্ঞানিক প্ৰমাণ, অটোমোটিভ নিৰ্মাতা, এআৰএআই আৰু ছ'চাইটি অৱ ইণ্ডিয়ান অটোমোবাইল মেনুফেকচাৰ্ছ শচছিয়ামগ্নৰ ব্যাপক পৰীক্ষণৰ দ্বাৰা সমৰ্থিত। ই আমেৰিকা, ব্ৰাজিল, কানাডা আৰু জাৰ্মানীকে ধৰি দেশসমূহে গ্ৰহণ কৰা বিশ্বব্যাপী পদ্ধতি অনুসৰণ কৰে। ইথানল মিশ্ৰণেও খাৰুৱা তেলৰ আমদানি হ্ৰাস কৰাত সহায় কৰিছিল, যাৰ ফলত শেহতীয়া ভূ-ৰাজনৈতিক বিঘিনিৰ সময়ত ভাৰতৰ দুৰ্বলতা হ্ৰাস পাইছিল।" ইফালে দেশৰ টয়োটা কিৰ্লোস্কাৰ মটৰৰ মুৰব্বী তথা কাৰ্যবাহী উপ-সভাপতি (কৰ্পৰেট এফেয়াৰ্ছ এণ্ড গভৰ্নেন্স) বিক্ৰম গুলাটিয়ে কয়, "ভাৰতৰ বাহন আৰু ইন্ধন দুয়োটাৰে গ্ৰাহকৰ ওচৰ পোৱাৰ আগতে কঠোৰ পৰীক্ষা আৰু প্ৰমাণীকৰণ কৰা হয়। গ্ৰাহকৰ বাবে উপলব্ধ কৰা বাহনসমূহ অতি উন্নত অভিযন্তা, ভাল ডিজাইন আৰু কাৰিকৰীভাৱে সুস্থ পৰীক্ষণ সংস্থাৰ জৰিয়তে তদাৰকীৰ এক অতি অপৰিসীম উপাদান আছে।" মাৰুতি চ'জুকি ইণ্ডিয়াৰ কৰ্পৰেট পৰিক্ৰমা জ্যেষ্ঠ কাৰ্যবাহী বিষয়া ৰাহুল ভাৰতীয়ে কয়, "এজন বাহন নিৰ্মাতা হিচাপে আমি ই-২০ ইন্ধনত ই-১০ গাড়ীসমূহ সকলো পেৰামিটাৰৰ বাবে পৰীক্ষা কৰিছো আৰু আমি কোনো চিন্তাৰ বিষয় পোৱা নাই।" তেওঁ গ্ৰাহকসকলক সকাহ দি কয় যে বৰ্তমান বজাৰত উপলব্ধ সকলো গাড়ী ই-২০ ইন্ধনৰ সৈতে সম্পূৰ্ণৰূপে সামঞ্জস্যপূৰ্ণ। উল্লেখযোগ্য যে, ইথানল মিশ্ৰণ কাৰ্যসূচীয়ে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো স্বীকৃতি লাভ কৰিছে। কেইবাখনো উন্নত দেশে ইতিমধ্যে এই প্ৰযুক্তি সফলভাৱে ব্যৱহাৰ কৰি আছে। বিশেষজ্ঞসকলৰ মতে, ই-২০ ইন্ধন ব্যৱহাৰ কৰিলে পৰিবেশৰ ওপৰতো ইতিবাচক প্ৰভাৱ পৰে আৰু জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পায়। গ্ৰাহকসকলৰ কোনো ধৰণৰ আশংকাৰ প্ৰয়োজন নাই বুলি বিশেষজ্ঞসকলে স্পষ্ট কৰি দিয়ে।

## গৌৰৱ গগৈ কংগ্ৰেছত থকা মানে

আৰু জলসিঞ্চন মন্ত্ৰী পীয়ূষ হাজৰিকাৰ। আজি নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ অন্তৰ্গত বাজিয়াগাঁও ফুটবল ষ্টেডিয়ামত ভাৰতীয় জনতা পাৰ্টিৰ চামগুৰি আৰু গড়াজান মণ্ডলৰ উদ্যোগত বিশাল জনসমাগমেৰে আয়োজিত 'বিজয় সংকল্প সভা'ত উপস্থিত থাকি নিজৰ ভাষণ প্ৰসঙ্গত মন্ত্ৰীগৰাকীয়ে কয় যে, "মহিলা উদ্যমিতা আঁচনি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিব আৰু ৰকিবুল হুছেইনে ভাষণ দিলেই আপোনালোকে কংগ্ৰেছক ভোট দিব, এইটো হ'ব পাৰে নেকি? মই আকৌ কৈছো, তিনিওটা সমষ্টিৰ ৭৫ হাজাৰ মহিলাক দহ হাজাৰকৈ মহিলা উদ্যমিতা আঁচনিৰ ধন দিম। আপোনালোকে মাথোঁ আমাক উপ-নিৰ্বাচনত ভোট দিব। এইবাৰ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপি প্ৰাৰ্থী জয়ী হ'লে কংগ্ৰেছৰ দখলত থকা সমষ্টি সমূহত আৰু অধিক উন্নয়ন হ'ব বুলি মন্তব্য কৰাৰ লগতে মন্ত্ৰী গৰাকীয়ে এম আৰ পিতকৈ অধিক দামত সাৰ বিক্ৰী কৰা দোকানীৰ বিৰুদ্ধে কঠোৰ হ'ব বুলি উল্লেখ কৰে। মন্ত্ৰী পীয়ূষ হাজৰীকাই হুংকাৰ প্ৰদান কৰি কয় যে, কৃষকে অধিক দামত সাৰ ক্ৰয় কৰিলেই অবৈধ অসাধু সাৰৰ দোকানীক জৱাবদিহি কৰাৰ লগতে কঠোৰ শাস্তি প্ৰদান কৰা হ'ব। সংকল্প সভাখনত কৃষি আৰু জলসিঞ্চন মন্ত্ৰী পীয়ূষ হাজৰিকাই কংগ্ৰেছ দলৰ সভাপতি গৌৰৱ গগৈক কটাক্ষ কৰি কয়, গৌৰৱ গগৈক কংগ্ৰেছৰ পৰা হতাও কৰাটো উচিত নহয় তেখেত কংগ্ৰেছত থকা মানে ৰাইজে আৰু কংগ্ৰেছ দলক ভোট নিদিয়ে। গৌৰৱ গগৈয়ে নিজেই আৰু কংগ্ৰেছ দলৰ সূচনীয় পৰাজয়ৰ অনুশোচনা স্বিকাৰ কৰি স্ব-ইচ্ছাৰে পদত্যাগ কৰিব লাগিছিল কিন্তু পদত্যাগ নকৰি সভাপতি পদটো খামুচি ধৰি ৰখাটো এটা প্ৰশ্ন হৈ পৰিছে। লগতে এ পি চি চিত গৌৰৱ গগৈ হতাও অভিযানৰ চৰ্চা সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। বিজেপি জ্যেষ্ঠ নেতা মুজিবুৰ ৰহমানে আঁত ধৰা আজিৰ বিজয় সংকল্প সভাখনত চামগুৰি মণ্ডল বিজেপিৰ সভাপতি আৰিফুল চালম, গড়াজান মণ্ডল বিজেপিৰ সভাপতি বিপ্লৱ সৰকাৰকে প্ৰমুখ্য কৰি বৃহত্তৰ চামগুৰি সমষ্টিৰ অন্তৰ্গত ভাৰতীয় জনতা পাৰ্টিৰ কৰ্ম কৰ্তাসকল উপস্থিত থাকে। আগন্তুক নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি অনুষ্ঠিত হোৱা বিজয় সংকল্প সভাত কৃষি আৰু জলসিঞ্চন মন্ত্ৰী পীয়ূষ হাজৰিকাৰ উপৰিও নগাঁও লোকসভা সমষ্টিৰ প্ৰাক্তন সংসদ তথা বৰ্তমানৰ দিছপুৰ সমষ্টিৰ বিধায়ক প্ৰদ্যুত বৰদলৈ, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, নগাঁও -বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, নিউ গুৱাহাটী সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা উক্ত বিশাল সভাখনত উপস্থিত থাকি ভাষণ প্ৰদান কৰে।

## ইউএপিএৰ অধীনত ২৩ জনক

কৰাৰ ক্ষমতা কেন্দ্ৰীয় চৰকাৰক প্ৰদান কৰা হৈছে। যদি কোনো ব্যক্তি সন্ত্ৰাসবাদী কাৰ্যকলাপত লিপ্ত বুলি চৰকাৰৰ জানিবলৈ পায়, তেন্তে তেওঁক আনুষ্ঠানিকভাৱে সন্ত্ৰাসবাদী হিচাপে ঘোষণা কৰিব পাৰি। এই তালিকাত অন্তৰ্ভুক্ত হোৱাৰ পিছত ৰাষ্ট্ৰীয় তদন্ত সংস্থাই (NIA) তেওঁলোকৰ বিত্তীয় লেনদেন সম্পূৰ্ণৰূপে স্থগিত ৰাখিব পাৰে। লগতে তেওঁলোকক অস্ত্ৰ-শস্ত্ৰ ক্ৰয়-বিক্ৰয় কৰাত নিষেধাজ্ঞা আৰোপ কৰা হয় আৰু তেওঁলোকৰ সম্পত্তি জব্দ কৰাৰ বিধানো আছে। এই ব্যৱস্থাসমূহে সন্ত্ৰাসবাদীসকলৰ আৰ্থিক উৎস বন্ধ কৰি তেওঁলোকৰ কাৰ্যকলাপক প্ৰতিহত কৰাত সহায় কৰে। উল্লেখযোগ্য যে, ২০১৯ চনত সন্ত্ৰাসবাদ বিৰোধী আইনত সংশোধনী আনি ব্যক্তিগত সন্ত্ৰাসবাদীক তালিকাভুক্ত কৰাৰ পথ মুকলি কৰা হয়। ইয়াৰ পূৰ্বে কেৱল সংগঠনসমূহহে সন্ত্ৰাসবাদী সংগঠন হিচাপে চিহ্নিত কৰিব পৰা গৈছিল। সংশোধনীৰ ফলত ব্যক্তিগত সন্ত্ৰাসবাদীসকলকো আইনৰ পৰিধিলৈ অনা সম্ভৱ হৈছে। শনিবাৰে ঘোষণা কৰা এই তালিকাত জম্মু-কাশ্মীৰৰ নিৰাপত্তা বাহিনীৰ ওপৰত আক্ৰমণৰ লগত জড়িত পাকিস্তান-ভিত্তিক ২৩জন সন্ত্ৰাসবাদীক অন্তৰ্ভুক্ত কৰা হৈছে। এই ঘোষণাৰ লগে লগে কেন্দ্ৰীয় চৰকাৰে এতিয়ালৈকে চিনাক্ত কৰা মুঠ সন্ত্ৰাসবাদীৰ সংখ্যা ৮০ লৈ বৃদ্ধি পালে। গৃহ মন্ত্ৰণালয়ে প্ৰকাশ কৰা তালিকাখনত জৈছ-ই-মহম্মদৰ সৈতে জড়িত কেইবাগৰাকীও সন্ত্ৰাসবাদী অন্তৰ্ভুক্ত হৈছে। তেওঁলোক হৈছে মাছুদ ইলিয়াছ কাশ্মীৰী, মহম্মদ মুছাদিক (ওৰফে ডাক্তৰ) মুফতি মহম্মদ আছঘৰ খান (ওৰফে আবু সাদ), হাফিজ আব্দুল ছাকুৰ (ওৰফে কাৰি জৰাৰ), আব্দুল্লা জেহাদী, গুলাম ফৰিদ, মৌলানা ইমদাদুল্লাহ মছ্লি আৰু ৰাছিমপঁৰ জাটক। ইফালে লস্কৰ-ই-তৈবাৰৰ সৈতে জড়িত সন্ত্ৰাসবাদীসকলৰ তালিকাও প্ৰকাশ পাইছে। তেওঁলোক হৈছে ফিৰদৌছ আহমেদ ভাট, হাৰুণ ৰছিদ গনাই, বিলাল আহমেদ মিৰ, আবিদ কায়ুম ল'ন, নাজিৰ আহমেদ গুজ্জাৰ, আব্দুল ৰৌফ (ওৰফে হাফিজ আব্দুল ৰৌফ), আছফাক আহমেদ, হাফিজ খালিদ ৱালিদ, মৌলানা ছাইফুল্লাহ খালিদ, মহম্মদ ইয়াকুব, মৌলানা ইউছুফ তায়েবী, ওৱাইছ ফাৰুক, কাৰি ইয়াকুব শ্বেখ, ৰানা ইফতিখাৰ আৰু মহম্মদ শ্বাহিদ ফৈছাল। উল্লেখযোগ্য যে, মহম্মদ শ্বাহিদ ফৈছাল আল কায়দা আৰু আইএছআইএছ (ISIS) সংগঠনৰ সৈতেও জড়িত বুলি জানিব পৰা গৈছে। এই তালিকা প্ৰকাশৰ পিছতে সন্ত্ৰাসবাদ বিৰোধী কাৰ্যকলাপ আৰু অধিক জোৰদাৰ কৰিবলৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয় সজাগ থকা বুলি সূত্ৰই জানিবলৈ দিছে। দেশৰ সুৰক্ষা আৰু নিৰাপত্তাৰ স্বাৰ্থত এনে ব্যৱস্থা গ্ৰহণ কৰা বুলি মন্ত্ৰণালয়ে স্পষ্ট কৰিছে।

## ১৫ বছৰ ৯১ দিনত ভাৰতীয়

এই অভিলেখ নিজৰ নামত কৰি লয়। বিহাৰৰ এই প্ৰতিভাবান ক্ৰিকেটাৰগৰাকীয়ে অতি কম বয়সতে ঘৰুৱা ক্ৰিকেটত নিজৰ ব্যতিক্ৰমী প্ৰতিভাৰ পৰিচয় দি চমক সৃষ্টি কৰিছিল। ২০২৪ চনত মাত্ৰ ১২ বছৰ ২৮৪ দিন বয়সতে তেওঁ প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত আত্মপ্ৰকাশ কৰে, যি নিজেই এক অভিলেখ। তদুপৰি ভাৰতীয় অনুৰ্দ্ধ-১৯ দলৰ হৈ ইংলেণ্ডৰ বিৰুদ্ধে বিশ্বকাপ ফাইনেলত ১৭৫ ৰানৰ এক দৰ্শনীয় ইনিংছ খেলি দলক বিজয়ী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল বৈভৱে। এই অসাধাৰণ প্ৰদৰ্শনৰ বলতেই তেওঁ ৰাষ্ট্ৰীয় দললৈ নিৰ্বাচিত হোৱাৰ সুযোগ লাভ কৰে। বৈভৱৰ এই অভিষেকে ভাৰতীয় ক্ৰিকেটত এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি ধাৰণা কৰা হৈছে। ক্ৰিকেট বিশেষজ্ঞসকলে তেওঁক অতি কম বয়সতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত আত্মপ্ৰকাশ কৰা আন কেইগৰাকীমান ক্ৰিকেটাৰৰ লগত তুলনা কৰিছে। আগন্তুক ইংলেণ্ডৰ বিৰুদ্ধে টি-২০ মেচখনলৈ সমগ্ৰ দেশৰ ক্ৰিকেটপ্ৰেমীৰ দৃষ্টি নিবদ্ধ হৈ আছে। এই যুৱ ক্ৰিকেটাৰে নিজৰ অভিষেক মেচখনত কেনে প্ৰদৰ্শন কৰে, তাৰ বাবে সকলোৰে আগ্ৰহেৰে অপেক্ষা কৰি আছে। ভাৰতীয় ক্ৰিকেটৰ উজ্জ্বল ভৱিষ্যত বুলি বিবেচিত বৈভৱ সূৰ্যবংশীয়ে নিজৰ কেৰিয়াৰৰ প্ৰথম আন্তঃৰাষ্ট্ৰীয় মেচখনতে নজৰ কাঢ়িব বুলি সকলোৰে আশা।

## ২০ জুলাইৰ পৰা সংসদৰ বৰ্ষাকালীন

শুভাৰম্ভ ঘটিব। ভাষণৰ ওপৰত উভয় সদনতে ধন্যবাদসূচক প্ৰস্তাৱৰ চৰ্চাও অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে এক্স (পূৰ্বৰ টুইটাৰ) হেণ্ডেলত প্ৰেৰণ কৰা এক পোষ্টযোগে এই তথ্য জনাইছে। তেওঁ লিখে যে ২০২৬ বৰ্ষৰ বৰ্ষাকালীন অধিৱেশনত সংসদৰ উভয় সদনৰ বৈঠক আহ্বান কৰাৰ অনুমতি প্ৰদান কৰিছে ৰাষ্ট্ৰপতিগৰাকীয়ে। ২০ জুলাইৰ পৰা আৰম্ভ হৈ ব্ আগষ্টলৈকে অনুষ্ঠিত হ'ব এই অধিৱেশন। বৰ্ষাকালীন অধিৱেশনৰ সময়ছোৱাত ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত তৰ্ক-বিতৰ্ক, গভীৰ আলোচনা আৰু প্ৰয়োজনীয় সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি ৰিজিজুৱে উল্লেখ কৰে। চৰকাৰে প্ৰায় তিনি সপ্তাহজোৰা এই অধিৱেশনত কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক গৃহীত কৰাৰ প্ৰয়াস চলাব। অধিৱেশনৰ কাৰ্যসূচীৰ অধীনত অৰ্থনৈতিক, সামাজিক আৰু ৰাষ্ট্ৰীয় সুৰক্ষা সম্পৰ্কীয় বিভিন্ন বিধেয়ক আলোচনাৰ বাবে গৃহীত হ'ব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বে সংসদৰ বাজেট অধিৱেশন গত ১৮ এপ্ৰিলত সমাপ্ত হৈছিল। ২৮ জানুৱাৰীত আৰম্ভ হোৱা সেই অধিৱেশনত কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক সাফল্যসহ গৃহীত কৰা হৈছিল। লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ মতে, বাজেট অধিৱেশনৰ সময়ছোৱাত মুঠ ৩১খন বৈঠক অনুষ্ঠিত হৈছিল। প্ৰায় ৰপ্তৰ ঘণ্টা ৪২ মিনিট ধৰি চলা সেই কাৰ্যসূচীৰ সময়ছোৱাত একাধিক গুৰুত্বপূৰ্ণ বিধেয়কৰ ওপৰত বিস্তাৰিত আলোচনা কৰাৰ লগতে প্ৰয়োজনীয় সিদ্ধান্তও গ্ৰহণ কৰা হৈছিল। বৰ্তমান বৰ্ষাকালীন অধিৱেশনৰ বাবে চৰকাৰী দল আৰু বিৰোধী দল দুয়োটা পক্ষই নিজ নিজ প্ৰস্তুতি আৰম্ভ কৰিছে। বিৰোধীসকলে বিভিন্ন বিষয়ত চৰকাৰক সন্মুখীন কৰাৰ লগতে জনগণৰ প্ৰশ্নসমূহ সংসদীয় মঞ্চত উত্থাপন কৰাৰ প্ৰস্তুতি চলাইছে। আনহাতে চৰকাৰে নিজৰ বিধেয়কসমূহ সাফল্যসহ পাৰ কৰি নিয়াৰ বাবে অন্যান্য দলসমূহৰ সৈতে আলোচনা অব্যাহত ৰাখিছে। ২০ জুলাইৰ পৰা আৰম্ভ হ'বলৈ থকা এই অধিৱেশনলৈ সমগ্ৰ দেশৰ ৰাইজৰ দৃষ্টি নিবদ্ধ হৈ আছে।

## লখিমপুৰত পাহাৰ খহি ডাম্পাৰ

মৃতকজন হৈছে লখিমপুৰ জিলাৰ পথালি পাহাৰৰ মিলনজ্যোতি গাঁৱৰ বিজু কুটুম নামৰ প্ৰায় ৪৫ বছৰীয়া লোক। পাহাৰৰ পৰা ৰঙা মাটি সংগ্ৰহ কৰি ডাম্পাৰত লৈ যোৱাৰ সময়তে এই দুৰ্ঘটনাটো সংঘটিত হয়। প্ৰাপ্ত বিৱৰণী অনুসৰি, অৰুণাচল প্ৰদেশৰ এজন ব্যক্তিয়ে বান্দৰদেৱা অঞ্চলত পাহাৰৰ ৰঙা মাটি কাটি উলিয়াই আছিল। সেই মাটি ডাম্পাৰ যোগে পৰিবহণ কৰাৰ কাম চলি আছিল। শনিবাৰে পুৱা প্ৰায় সাতমান বজাত এআৰ-০১-পি-৪৬৮৫ নম্বৰৰ ডাম্পাৰখনত পাহাৰৰ মাটি ভৰাই থকা অৱস্থাতে হঠাতে ওপৰৰ পৰা পাহাৰৰ এটা অংশ খহি পৰে। ডাম্পাৰখনৰ ওপৰতে পৰে সেই মাটিৰ স্তূপ। ফলত ডাম্পাৰখনৰ চালক বিজু কুটুম মাটিৰ তলত সোমাই পৰে। দীৰ্ঘ সময়ৰ মূৰত মাটি খান্দি উলিওৱাৰ সময়ত তেওঁক মৃত অৱস্থাত উদ্ধাৰ কৰা হয়। স্থানীয় লোকসকলে জানিবলৈ দিয়া মতে, পাহাৰটোৰ মাটি যথেষ্ট ঢিলা অৱস্থাত আছিল আৰু অতিৰিক্ত খনন কাৰ্য্যই পাহাৰৰ স্থিৰতা নষ্ট কৰিছিল। কিন্তু তাৰ পিছতো নিৰাপত্তা সাৱধানতা অৱলম্বন নকৰাকৈ কাম চলোৱাত এই দুৰ্ঘটনা ঘটে। মৃতক বিজু কুটুমে জীৱিকাৰ তাগিদাত এই কামত নিয়োজিত হৈছিল বুলি জানিব পৰা গৈছে। তেওঁৰ মৃত্যুত পৰিয়াল আৰু অঞ্চলটোত শোকৰ ছাঁ পৰিছে। ঘটনাৰ পিছতে লখিমপুৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে। মৃতদেহটো উদ্ধাৰ কৰি পৰৱৰ্তী প্ৰক্ৰিয়া সম্পন্ন কৰাৰ বাবে আৰক্ষীয়ে ব্যৱস্থা লয়। এই ঘটনাৰ তদন্ত অব্যাহত আছে বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিছে। পাহাৰ খহি মৃত্যু হোৱাৰ এই ঘটনাই পুনৰবাৰ পাহাৰীয়া অঞ্চলত অবৈধ মাটি কটা আৰু নিৰাপত্তা বিষয়ক সজাগতাৰ প্ৰশ্ন উত্থাপন কৰিছে।

## দুৰ্নীতি দমনৰ লগতে ভূমি

গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত মহিলাৰীয়ে এই সিদ্ধান্তসমূহৰ বিষয়ে বিশদভাৱে অৱগত কৰে। প্ৰথম গুৰুত্বপূৰ্ণ সিদ্ধান্ত হৈছে দুৰ্নীতি নিয়ন্ত্ৰণৰ বাবে এক সুকীয়া তদাৰকী গোট গঠন। মহিলাৰীয়ে ঘোষণা কৰে যে পৰিষদৰ অধীনস্থ বিভিন্ন বিভাগত উত্থাপিত ঘোচলৈ, প্ৰশাসনিক অনিয়ম আৰু অন্যান্য দুৰ্নীতি সংক্ৰান্তিয় অভিযোগসমূহৰ ওপৰত কঠোৰ দৃষ্টি ৰাখিবলৈ বিটিচিয়ে 'বিটিচি চিফ ভিজিলেন্স এণ্ড মনিটৰিং কমিটি' গঠন কৰিব। এই কমিটীয়ে বিষয়া-কৰ্মচাৰীসকলৰ সময়মতে কাৰ্যালয়ত উপস্থিতি নাথাকাক লৈ উত্থাপিত অভিযোগৰ লগতে বিভিন্ন চৰকাৰী কাৰ্যকলাপৰ গাফিলতিও পৰীক্ষা কৰিব। বিটিচি প্ৰধানগৰাকীৰ মতে, অসম চৰকাৰে গ্ৰহণ কৰা তদাৰকী ব্যৱস্থাৰ আৰ্হিত এই নতুন কমিটীয়ে কাম কৰিব। অধিক স্বচ্ছতা, দায়বদ্ধতা আৰু দক্ষ সেৱা প্ৰদান সুনিশ্চিত কৰিবলৈ কমিটীয়ে বিভাগীয় কাৰ্যকলাপৰ নিয়মীয়া পৰিদৰ্শন, পৰ্যবেক্ষণ আৰু পৰ্যালোচনা চলাই থাকিব। এই পদক্ষেপৰ মাধ্যমেৰে পৰিষদৰ প্ৰশাসনিক গাঁথনিৰ ভিতৰত প্ৰতিষ্ঠানিক তদাৰকী শক্তিশালী কৰাটোৱেই মুখ্য লক্ষ্য বুলি মহিলাৰীয়ে স্পষ্ট কৰে। ইফালে, বৈঠকখনত মালগাঁও অঞ্চলত চৰকাৰে অধিগ্ৰহণ কৰা ভূমিৰ মালিকসকলৰ বাবে এককালীন ক্ষতিপূৰণ পেকেজতো অনুমোদন জনোৱা হয়। ঘোষণা অনুসৰি, পঞ্জীভুক্ত পট্টা মাটিৰ মালিকসকলে ৭ লাখৰ পৰা ৮ লাখ টকা পৰ্যন্ত ক্ষতিপূৰণ লাভ কৰিব। আনহাতে, খাচ বা চৰকাৰী মাটিৰ মালিকসকলক প্ৰদান কৰা হ'ব ২ লাখ ৫০ হাজাৰ টকাকৈ। এই ক্ষতিপূৰণ পেকেজে ভূমি অধিগ্ৰহণৰ বাবে প্ৰভাৱিত হোৱা পৰিয়ালসমূহক কিছু পৰিমাণে আৰ্থিক সকাহ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। আন এক গুৰুত্বপূৰ্ণ ঘোষণাত বিটিচি প্ৰধানগৰাকীয়ে কয় যে বিটিচি অঞ্চলত কৰ্মৰত সাংবাদিকসকললৈ অসম চৰকাৰৰ অধীনত বৰ্তমান প্ৰচলিত সাংবাদিক কল্যাণমূলক আঁচনি আৰু সুযোগ-সুবিধাসমূহ সম্প্ৰসাৰিত কৰা হ'ব। এই সিদ্ধান্তৰ ফলত বিটিচি অঞ্চলৰ সাংবাদিকসকলেও ৰাজ্য চৰকাৰৰ বিভিন্ন কল্যাণমূলক পদক্ষেপৰ পৰা উপকৃত হ'বলৈ সুযোগ পাব। শেষত মহিলাৰীয়ে স্পষ্ট কৰে যে এই সিদ্ধান্তসমূহ হৈছে প্ৰশাসনিক দায়বদ্ধতা বৃদ্ধি, শাসন ব্যৱস্থাৰ উন্নতি আৰু সমগ্ৰ অঞ্চলটোৰ যোগ্য অংশীদাৰসকললৈ কল্যাণমূলক সাহায্য প্ৰসাৰিত কৰাৰ বাবে বিটিচিয়ে চলোৱা সামগ্ৰিক প্ৰচেষ্টাৰ এক অংগ। বিটিচি অঞ্চলৰ লোকসকলৰ বাবে সুশাসন আৰু উন্নয়ন নিশ্চিত কৰি তোলাই পৰিষদৰ মূল লক্ষ্য বুলি তেওঁ উল্লেখ কৰে।

## মাজুলীৰ স্বাস্থ্যখণ্ডৰ পয়ালগা

গাফিলতিৰ বাবে অকালতে মৃত্যুক সাৱটিব লগাত পৰিল এজন ৭০উৰ্ধৰ ব্যক্তিয়ে। ১০ মিনিটত গৈ আছোঁ বুলি কৈ ৫ ঘণ্টা পাৰ হৈ যোৱাৰ পিছতো নোলালহি ১০৮ এম্বুলেন্স। যাৰ পৰিণতিত মাজুলী পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়তে শেষ নিশ্বাস ত্যাগ কৰিলে কমাৰ গাঁৱৰ শিশুৰাম ৰাজখোৱা নামৰ ব্যক্তি গৰাকীয়ে। এই ঘটনাৰ পিছতেই চিকিৎসালয়খনত সৃষ্টি হয় তীব্ৰ উত্তেজনাময় পৰিৱেশ। যাৰ বাবে চিকিৎসালয়খনত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব লগা হয়। ঘটনা সম্পৰ্কে জানিব পৰা মতে, গড়মূৰ পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়ত চকুৰ সন্মুখতে তিলতিলকৈ মৃত্যুমুখলৈ আগবাঢ়ি যোৱা দেখি ১০৮ এম্বুলেন্স সেৱা আৰু চিকিৎসকৰ সহায় বিচাৰি ৫ ঘণ্টা ধৰি কাকূতি মিনতি কৰিলে পৰিয়ালৰ লোকে, কিন্তু নাহিল ১০৮ এম্বুলেন্স। মাজুলী জিলা চিকিৎসালয়ত সংঘটিত এই জঘন্য ঘটনাই এতিয়া জোকাৰি গৈছে সমগ্ৰ নদীদ্বীপটোক। সামান্য উচ্চ ৰক্তচাপ আৰু চুগাৰৰ সমস্যা লৈ বিগত এসপ্তাহ ধৰি গড়মূৰ পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়ত ভৰ্তি হৈ আছিল কমাৰ গাঁৱৰ শিশুৰাম ৰাজখোৱা। কিন্তু হঠাৎ চিকিৎসকে ৰোগীৰ পৰিয়ালক ৰোগীজনৰ হাৰ্ট এটেক হোৱা বুলি জানিবলৈ দিয়ে আৰু উন্নত চিকিৎসাৰ বাবে বাহিৰলৈ নিবলৈ পৰামৰ্শ দিয়ে। চিকিৎসকে ৰেফাৰ কৰাৰ পিছতেই আৰম্ভ হয় ৰোগীৰ পৰিয়াল আৰু ৰোগীৰ আচল যন্ত্ৰণা। ডিব্ৰুগড়লৈ নিয়াৰ উদ্দেশ্যে পৰিয়ালে সন্ধ্যা প্ৰায় ৭ বজাত যোগাযোগ কৰিছিল ১০৮ জৰুৰীকালীন সেৱাৰ সৈতে। ১০৮ কৰ্তৃপক্ষই '১০ মিনিটত গৈ আছোঁ' বুলি কৈ নিশা ১২ বজালৈকে পঠিয়াই নিদিলে এম্বুলেন্স। চিকিৎসালয়ৰ বিছনাত মৃত্যুৰে যুঁজি অৱশেষত নিশা ১২ বজাত এম্বুলেন্সৰ অভাৱতে শেষ নিশ্বাস ত্যাগ কৰিলে লোকজনে। পৰিয়ালৰ অভিযোগ অনুসৰি, ৰুগীজনৰ ক্ষেত্ৰত চিকিৎসকে হেমাহি কৰাৰ লগতে ৰোগীৰ আত্মীয়ক চৰম দুৰ্ব্যৱহাৰো কৰে। বৰ্তমান মাজুলী বাসীৰ মনত এটাই প্ৰশ্ন, চিকিৎসকৰ হেমাহি বা এম্বুলেন্সৰ অভাৱত মৃত্যুক সাৱটি লোৱা ৰাজখোৱাৰ পৰিয়ালে আজি কান্দিছে, কাইলৈ হয়তো আন দহজনে কান্দিব লাগিবহু স্বাধীনতাৰ ৮০ বছৰেও কিয় মান্ধাতা কলীয়া চিকিৎসা ব্যৱস্থা? মাজুলীত কিয় উপলব্ধ নহ'ল উন্নত চিকিৎসা? জিলা চিকিৎসালয়খনত উন্নত মেচিন নাই নে অভিজ্ঞ চিকিৎসকৰ অভাৱ? যাৰ বাবে প্ৰতিটো সৰু-বৰ ৰোগতে ৰোগীক যোৰহাট বা ডিব্ৰুগড়লৈ ৰেফাৰ কৰিবলগীয়া হয়? কেৱল ডাঙৰ ডাঙৰ অট্টালিকা সাজিলেই স্বাস্থ্যখণ্ডৰ উন্নয়ন নহয়, তাৰ প্ৰমাণ এই কৰুণ ঘটনাই দিলে। ১০৮ সেৱা মাজুলীত প্ৰকৃততে সুলভ নে? নে এয়া কেৱল নামতহে, কামত নহয়? এই সমগ্ৰ ঘটনাৰ এক উচিত আৰু উচ্চস্তৰীয় তদন্তৰ দাবী জনাইছে মাজুলীৰ সচেতন ৰাইজে। লগতে দায়িত্বত থকা যিসকল কৰ্মচাৰীৰ চৰম হেমাহিৰ বাবে এটা জীৱন হেৰাই গ'ল, তেওঁলোকক কঠোৰতম শাস্তি বিহাৰো দাবী উঠিছে। এতিয়া প্ৰশ্ন হয়, মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীয়ে মাজুলীৰ পয়াঁলগা চিকিৎসা ব্যৱস্থাক উন্নত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিবনে?

## জিএমচিএইচত জ্বৰৰ ৰোগীক দিলে

বেজী দিয়াৰ ফলত তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটে। ঘটনাৰ বিৱৰণ অনুসৰি, নিশা কৰ্তব্যৰত আছিল নাৰ্ছিং প্ৰতিষ্ঠানৰ এগৰাকী প্ৰশিক্ষণৰত ইণ্টাৰ্ণী। তেওঁ ১৭ নম্বৰ বিছনাত থকা ৰোগীক দিবলগীয়া তিনিটা বেজী ভুলবশতঃ ১৮ নম্বৰ বিছনাত থকা জ্বৰীয়া ৰোগীগৰাকীক প্ৰয়োগ কৰে। বেজী দিয়াৰ পাছতে মহিলাগৰাকীৰ দেহত বিভিন্ন ধৰণৰ উপসৰ্গ দেখা দিয়ে আৰু স্বাস্থ্যৰ অৱনতি ঘটে। ঘটনা গম পাই ৰোগীৰ পৰিয়ালে নাৰ্ছৰ ওচৰত জবাবদিহি বিচাৰে, তাৰ পাছতহে নাৰ্ছগৰাকীয়ে ভুল বেজী দিয়াৰ কথা স্বীকাৰ কৰে। উক্ত নাৰ্ছগৰাকীয়ে মুখ্য নাৰ্ছ মীনাক্ষী দুৱৰাৰ তত্ত্বাৱধানত কৰ্তব্য পালন কৰি আছিল। ঘটনাটো ঘটি থকাৰ সময়ত খাটৰ ওচৰত উপস্থিত থকা আন এগৰাকী নাৰ্ছেও এই গাফিলতি সম্পৰ্কে সচেতন নাছিল বুলি জানিব পৰা গৈছে। ঘটনাৰ গুৰুত্ব অনুধাৱন কৰি চিকিৎসালয় কৰ্তৃপক্ষে প্ৰশিক্ষণৰত নাৰ্ছগৰাকীক তৎক্ষণাৎ কামৰ পৰা অব্যাহতি দিয়ে। এই ঘটনাৰ সন্দৰ্ভত জিএমচিএইছৰ অধীক্ষক ডাঃ দেৱজিত চৌধুৰীয়ে কয়, "যোৱা নিশা ঘটনাটো সংঘটিত হয়। ইণ্টাৰ্ণীগৰাকীয়ে ১৭ নম্বৰ বিছনাৰ ৰোগীক দিবলগীয়া বেজী ১৮ নম্বৰ বিছনাৰ ৰোগীক দিয়ে। বিষয়টো গম পোৱা মাত্ৰকে আমি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰোঁ। ৰোগীৰ ৰক্তচাপ পৰীক্ষা কৰা হয় আৰু তেতিয়া পেচাবৰ পৰিমাণ অলপ বেছি হৈছিল যদিও পাছত সকলো স্বাভাৱিক হৈ যায়। বৰ্তমান ৰোগী সুস্থ অৱস্থাত আছে আৰু কোনো ধৰণৰ অসুবিধা নাই।" তেওঁ লগতে জানিবলৈ দিয়ে, "ইণ্টাৰ্ণি হিচাপে বেজী দিয়া তেওঁলোকৰ পাঠ্যক্ৰমৰ অংশ। কিন্তু ঘটনাটো সংগঠিত হোৱাৰ পাছতে আমি ইণ্টাৰ্ণীগৰাকীক ইয়াৰ পৰা আঁতৰাই দিছো। আনহাতে, ষ্টাফ নাৰ্ছগৰাকীৰ ক্ষেত্ৰত সমগ্ৰ ঘটনাৰ তদন্ত চলাই আছে। তদন্তত কিবা গাফিলতি ধৰা পৰিলে উচিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।" উল্লেখ্য যে, এই ঘটনাই চিকিৎসালয়খনৰ চিকিৎসা সেৱাৰ মানদণ্ড সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰিছে। অভিযোগ উত্থাপন হোৱাৰ পাছতে চিকিৎসালয় কৰ্তৃপক্ষ সক্ৰিয় হৈ পৰে আৰু ঘটনাৰ তদন্ত আৰম্ভ কৰে। ৰোগীৰ পৰিয়ালে এই গাফিলতিৰ বাবে গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে ভৱিষ্যতে যাতে এনে ঘটনাৰ পুনৰাবৃত্তি নঘটে তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। চিকিৎসালয় কৰ্তৃপক্ষই এই ঘটনাৰ প্ৰতি গুৰুত্ব দি আৰু কঠোৰ তদন্ত চলাই থকা বুলি জনাইছে।

## ভাৰত-ভূটান সম্পৰ্কত নতুন অধ্যায়

সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। এক্স (পূৰ্বৰ টুইটাৰ) প্লেটফৰ্মত প্ৰেৰণ কৰা এক পোষ্টত মুখ্যমন্ত্ৰীগৰাকীয়ে এই প্ৰকল্পক "ঐতিহাসিক" বুলি অভিহিত কৰে। তেওঁ লগতে কয় যে উন্নত সংযোগ ব্যৱস্থাই নতুন অৰ্থনৈতিক সুযোগৰ দুৱাৰ মুকলি কৰাত এক কেন্দ্ৰীয় ভূমিকা পালন কৰে আৰু ই 'এক্ট ইষ্ট পলিচী'ৰ অন্যতম চালিকা শক্তি হিচাপে কাৰ্য্য কৰে। উল্লেখযোগ্য যে, এই অভিলাষী ৰে'ল প্ৰকল্পটোৰ আনুমাণিক ব্যয় ধাৰ্য কৰা হৈছো ৩, ৪৫৬.৩৬ কোটি টকা। প্ৰকল্পটোৱে অসমৰ কোকৰাঝাৰক ভূটানৰ ভূটানৰ এক ধ্বজাবাহী উন্নয়নমূলক পদক্ষেপ 'গেলেফু মাইণ্ডফুলনেছ চিটি'ৰ সৈতে সংযুক্ত কৰিব। এই সংযোগৰ ফলত অসম আন্তঃসীমান্ত বাণিজ্য আৰু পৰ্যটনৰ এক প্ৰৱেশদ্বাৰলৈ ৰূপান্তৰিত হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই মত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই ৰে'ল সংযোগে 'এক্ট ইষ্ট পলিচী'ৰ অধীনত দক্ষিণ-পূব এছিয়া আৰু চুবুৰীয়া দেশসমূহৰ সৈতে ভাৰতৰ সম্পৰ্ক ক্ষেত্ৰত অসমৰ কৌশলগত ভূমিকাক অধিক শক্তিশালী কৰিব। তেওঁ লগতে উল্লেখ কৰে যে এই প্ৰকল্পটোৱে কেৱল ভাৰত-ভূটান সম্পৰ্কক নৱৰ্ণৰ স্পৰ্শ প্ৰদান কৰাই নহয়, বৰঞ্চ অৰ্থনৈতিক বিকাশ আৰু আঞ্চলিক সংযোগৰ বাবে নতুন সম্ভাৱনাৰ সৃষ্টি কৰিব। ভূটানৰ গেলেফু অঞ্চলটোৱে সাম্প্ৰতিক সময়ত আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব লাভ কৰিছে। ভূটান চৰকাৰে 'গেলেফু মাইণ্ডফুলনেছ চিটি' প্ৰকল্পৰ জৰিয়তে আধুনিক আৰু পৰিৱেশবান্ধৱ নগৰ গঠনৰ লক্ষ্য স্থিৰ কৰিছে। এই নতুন ৰে'লপথে অসমৰ কোকৰাঝাৰক সেই উন্নয়নশীল নগৰৰ সৈতে সুসংহত কৰি বাণিজ্য, পৰ্যটন আৰু সাংস্কৃতিক বিনিময়ৰ নতুন পথ মুকলি কৰিব। উল্লেখ্য যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদৌ অসমবাসীৰ আৰু ভূটানৰ জনসাধাৰণৰ বাবে এই প্ৰকল্পটো অত্যন্ত গুৰুত্বপূৰ্ণ বুলি মতামত প্ৰকাশ কৰে। তেওঁ বিশ্বাস প্ৰকাশ কৰে যে এই সংযোগ ব্যৱস্থাই অসমৰ অৰ্থনৈতিক সমৃদ্ধি আৰু ৰাজ্যৰ বৈদেশিক সম্পৰ্কৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সৃষ্টি কৰিব। লগতে ভাৰত-ভূটান মধ্যবৰ্তী বাণিজ্যিক, সাংস্কৃতিক আৰু জনসাধাৰণৰ সম্পৰ্কক ই অধিক সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে।

## গুৱাহাটীত আৰক্ষীৰ গুলীত আহত

কৰোৱা হয়। প্ৰাপ্ত বিৱৰণী অনুসৰি, জালনোট সৰবৰাহ কৰাৰ অভিযোগত বুধবাৰে নিশা অজয় বিশ্বকৰ্মাক দিছপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। কিন্তু আৰক্ষীৰ বেষ্টনী ভেদি শনিবাৰে পুৱতি নিশা পলায়ন কৰিবলৈ যাওঁতেই আৰক্ষীয়ে তেওঁৰ ফালে গুলীচালনা কৰে। গুলীটো অজয়ৰ সোঁ ভৰিৰ আঁঠুৰ তলত সোমায়। ঘটনাটি ঘটে গুৱাহাটীৰ কংকন নগৰ অঞ্চলত। আহত অজয় বিশ্বকৰ্মাক ততাতৈয়াকৈ জিএমচিএইচলৈ লৈ যোৱা হয়। চিকিৎসালয়ৰ অধীক্ষক ডাঃ দেৱজিৎ চৌধুৰীয়ে জানিবলৈ দিয়া মতে, "পুৱা প্ৰায় ৪ বজাত দিছপুৰ আৰক্ষীয়ে অজয় বিশ্বকৰ্মাক চিকিৎসালয়লৈ আনে। তেওঁলোকে জনায় যে "কংকন নগৰত পুৱা ৩.৩০ বজাত গুলী লাগি যুৱকজন আহত হয়। আমি তেওঁৰ আঁঠুৰ তলত গুলীৰ চিন পাওঁ। বৰ্তমান তেওঁৰ অৱস্থা সুস্থিৰ আৰু চিকিৎসা চলি আছে।" ইপিনে, অজয় বিশ্বকৰ্মাই আৰক্ষীৰ জিম্মাৰ পৰা পলায়ন কৰিবলৈ যোৱা আৰু আৰক্ষীয়ে গুলীচালনা কৰা ঘটনাই নতুনকৈ বিতৰ্কৰ সৃষ্টি কৰিছে। অজয়ৰ ওপৰত আৰক্ষীৰ অত্যাচাৰ হৈছে বুলি অভিযোগ তুলিছিল। আৰক্ষীয়ে কয় যে সৰবৰাহকাৰীজন পলায়ন কৰিবলৈ চেষ্টা কৰাত আত্মৰক্ষাৰ বাবে গুলীচালনা কৰা হৈছে। এই ঘটনাৰ তদন্ত চলি থকা বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিছে।

## ব্ৰহ্মপুত্ৰৰ বালিচৰত আবদ্ধ মাজুলীৰ

প্ৰাপ্ত খবৰ অনুসৰি, আজি বিয়লি ২Ê ৩০ বজাত নিমাতী ঘাটৰ পৰা যাত্ৰা আৰম্ভ কৰা 'এচ বি ৰাজলকঞ্জস্মী' নামৰ ফেৰীখন নদীৰ এটা বালিচৰত লাগি ধৰে। ফলত গভীৰ নদীৰ মাজতেই কেইবা ঘণ্টা ধৰি ফেৰীখন স্তব্ধ হৈ ৰয়। জানিব পৰা মতে, ফেৰীখনত সেই সময়ত প্ৰায় ৮০ গৰাকী যাত্ৰীৰ লগত্তে ৩৫খন দুচকীয়া আৰু এখন চাৰিচকীয়া বাহন আছিল। ফেৰীখন আবদ্ধ হৈ পৰাৰ লগে লগে যাত্ৰীসকলৰ মাজত হাহাকাৰ ময় পৰিৱেশৰ সৃষ্টি হয়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে অভ্যন্তৰীণ জল পৰিবহণ বিভাগ আৰু এছ.ডি.আৰ.এফ বাহিনীৰ এটা দল ততাতৈয়াকৈ ফেৰীখন আবদ্ধ স্থলীত উপস্থিত হয়। এছ.ডি.আৰ.এফ. বাহিনীয়ে যুদ্ধকালীন তৎপৰতাৰে ব্ৰহ্মপুত্ৰৰ মাজৰ পৰা আটাইকেইগৰাকী যাত্ৰীক সুৰক্ষিতভাৱে উদ্ধাৰ কৰে আৰু অন্য এখন ফেৰীৰ সহায়ত কমলাবাৰী ঘাটলৈ লৈ আহে। কথমপি ডাঙৰ বিপদৰ পৰা ৰক্ষা পৰে যদিও এই ঘটনাই নদীদ্বীপটোৰ ফেৰী যোগাযোগৰ পুৰণি সমস্যাটো পুনৰ উদঙাই দিছে। এই অঘটনৰ পিছতে মাজুলীবাসীৰ লগতে ফেৰীত অহা যোৱা যাত্ৰীৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। ৰাইজে ক্ষোভেৰে প্ৰকাশ কৰি কয় যে, বাৰিষা হ'লেই ব্ৰহ্মপুত্ৰৰ ফেৰী যাত্ৰা ভগৱানৰ ভৰসাত চলিবলগীয়া হয়। এনে পৰিস্থিতিত মাজুলী-যোৰহাট সংযোগী বহুল প্ৰত্যাশিত দলংখনৰ নিৰ্মাণ কাৰ্য অতি ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰিবলৈ সকলোৱে চৰকাৰৰ ওচৰত জোৰদাৰ দাবী উত্থাপন কৰিছে। কিয়নো মন্থৰ গতিত নিৰ্মাণ হৈ আছে দলং নিৰ্মাণৰ কাম। যাতে ভৱিষ্যতে এনে বিপজ্জনক পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া নহয়।

# চেঙাৰ সাংবাদিক লাচিত বায়নক সদৌ অসম জাৰ্ণেলিষ্ট এণ্ড ডিজিটেল মিডিয়া সন্থাৰ বৰপেটা জিলা সমিতিৰ প্ৰশাসনিক সম্পাদকৰ দায়িত্ব

**অসম বাৰ্তা, চেঙা, ৪ জুলাই ঃ** বৰপেটা জিলাৰ চেঙাৰ এগৰাকী পৰিচিত সাংবাদিক তথা NE Bharat- আৰু অসম বাৰ্তা কাকতৰ সাংবাদিক লাচিত বায়নক সদৌ অসম জাৰ্ণেলিষ্ট এণ্ড ডিজিটেল মিডিয়া সন্থা (AAJDMA)-ৰ বৰপেটা জিলা সমিতিৰ প্ৰশাসনিক সম্পাদক হিচাপে নিযুক্তি দিয়া হৈছে। সন্থাৰ জিলা সমিতিৰ নতুন কাৰ্যনিৰ্বাহক গঠন উপলক্ষে অনুষ্ঠিত এক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। লাচিত বায়নে দীৰ্ঘদিন ধৰি সাংবাদিকতাৰ জগতখনৰ সৈতে জড়িত হৈ সততা, নিষ্ঠা আৰু দায়িত্বশীলতাৰে সংবাদ পৰিৱেশন কৰি আহিছে। বিশেষকৈ বৰপেটা জিলাৰ বিভিন্ন সামাজিক, সাংস্কৃতিক, শৈক্ষিক, দুৰ্নীতি, আইন-শৃংখলা, দুৰ্যোগ আৰু জনস্বাৰ্থজড়িত বিষয়সমূহ জনসাধাৰণৰ ওচৰলৈ তুলি ধৰাত তেওঁ সক্ৰিয় ভূমিকা পালন কৰি আহিছে। ডিজিটেল সংবাদ মাধ্যমৰ জৰিয়তেও তেওঁ বহু গুৰুত্বপূৰ্ণ বাতৰি দ্ৰুতভাৱে জনসাধাৰণৰ মাজলৈ প্ৰেৰণ কৰি প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। সন্থাৰ নেতৃত্বই প্ৰকাশ কৰা মতে, সাংবাদিকতাৰ প্ৰতি তেওঁৰ একাগ্ৰতা, সাংগঠনিক দক্ষতা আৰু সংবাদকৰ্মীসকলৰ মাজত সমন্বয় ৰক্ষাৰ ক্ষমতাৰ প্ৰতি লক্ষ্য ৰাখিয়েই তেওঁক এই গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰা হৈছে। আগন্তুক দিনত জিলা সমিতিৰ সাংগঠনিক কাম-কাজ অধিক গতিশীল কৰি তোলাত তেওঁ উল্লেখযোগ্য ভূমিকা পালন কৰিব বুলি সন্থাই আশা ব্যক্ত কৰিছে। নিযুক্তিৰ পিছত লাচিত বায়নে সন্থাৰ ৰাজ্যিক আৰু জিলা নেতৃত্বৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয় যে, সাংবাদিকসকলৰ অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষা, ডিজিটেল সাংবাদিকতাৰ মান উন্নয়ন, নতুন প্ৰজন্মৰ সাংবাদিকসকলক উৎসাহিত কৰাৰ লগতে সমাজৰ কাষলৈ নিৰ্ভীক, সত্যনিষ্ঠ আৰু তথ্যভিত্তিক সংবাদ আগবঢ়োৱাৰ ক্ষেত্ৰত তেওঁ নিষ্ঠাৰে কাম কৰি যাব। এই নিযুক্তিৰ খবৰ প্ৰকাশ পোৱাৰ পিছতে বৰপেটা জিলাৰ সাংবাদিক মহল, বিভিন্ন সামাজিক সংগঠন, শুভাকাংক্ষী আৰু চেঙা অঞ্চলৰ ৰাইজে লাচিত বায়নক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে তেওঁৰ সফল কাৰ্যকাল কামনা কৰিছে।

## সুদৰ্শন ঠাকুৰক সভাপতি, অমৰজ্যোতি বৰাক সাধাৰণ সম্পাদক নিৰ্বাচনেৰে নতুন সমিতি গঠন

# মাজুলী মিলন সংঘৰ বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ৪ জুলাই ঃ** মাজুলীৰ প্ৰাচীন সাংস্কৃতিক অনুষ্ঠান মাজুলী মিলন সংঘ কমলাবাৰীৰ বাৰ্ষিক অধিৱেশনখনি আজি দিনজোৰা কাৰ্যসূচীৰে সম্পন্ন হয়। পুৱা ৯ বজাত পতাকা উত্তোলনেৰে আৰম্ভ হোৱা কাৰ্যসূচীৰ পতাকা উত্তোলন কৰি অনুষ্ঠানটিৰ সভাপতি অৰুণ কুমাৰ পাঠকে মাজুলীৰ এই প্ৰাচীন সাংস্কৃতিক অনুষ্ঠানৰ ইতিহাস আৰু বৰ্তমানৰ অৱলোকনেৰে বক্তব্য প্ৰদান কৰে। দিনৰ ১-৩০ বজাৰপৰা অৰুণ কুমাৰ পাঠকৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। দিব্যজ্যোতি মিলিৰ কণ্ঠৰ এটি বৰগীতেৰে শুভাৰম্ভ হোৱা সভাখনিত সংঘৰ বাৰ্ষিক সম্পাদকীয় প্ৰতিবেদন আৰু হিচাপ পৰীক্ষকৰ প্ৰতিবেদন পাঠ কৰে ক্ৰমে সাধাৰণ সম্পাদক অভিজিৎ গোস্বামী আৰু হিচাপ পৰীক্ষক অমৰজ্যোতি বৰাই। সভাখনিত আগন্তুক কাৰ্যকালৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, গুৱাহাটীৰ সচিব তথা মাজুলী মিলন সংঘৰ আজীৱন সদস্য সুদৰ্শন ঠাকুৰক সভাপতি, অৰুণ কুমাৰ পাঠকক কাৰ্যকৰী সভাপতি, ভৰত শইকীয়াক উপ-সভাপতি, অমৰজ্যোতি বৰাক সাধাৰণ সম্পাদক, মুনীন্দ্ৰ ভূএগ্ৰাক সহকাৰী সম্পাদক, প্ৰশান্ত ভাগৱতীক সাংস্কৃতিক সম্পাদক, সুদীপ্ত বৰাক সহকাৰী সাংস্কৃতিক সম্পাদক, বাবুল কলিতাক প্ৰেক্ষাগৃহ নিয়ন্ত্ৰক, দিবাকৰ বৰাক সহকাৰী প্ৰেক্ষাগৃহ নিয়ন্ত্ৰক আৰু ৰাজেন বৰুৱাক হিচাপ পৰীক্ষক হিচাপে মনোনীত কৰি এখনি শক্তিশালী কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। সভাই আগন্তুক দিনত মাজুলী মিলন সংঘৰ উন্নয়ন সম্পৰ্কীয় কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে।

# বিপ্লৱী নেতা প্ৰয়াত ফণী মেধিৰ সহধৰ্মিণী প্ৰাক্তন শিক্ষয়িত্ৰী ৰেণু বালা মেধিৰ পৰলোকপ্ৰাপ্তি; শোকস্তব্ধ সৃজনগ্ৰাম

**অসম বাৰ্তা, সৃজনগ্ৰাম, ৪ জুলাই ঃ** শোষিত-নিষ্পেষিত জনগণৰ হকে আজীৱন মাত মতা বঙাইগাঁও জিলাৰ সৃজনগ্ৰামৰ বিপ্লৱী নেতা, প্ৰাক্তন বিধায়ক প্ৰয়াত ফণী মেধিৰ সহধৰ্ম্মিণী তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰেণু বালা মেধিয়ে আজি ইহলীলা সম্বৰণ কৰে। মেধিৰ বিপ্লৱী জীৱনৰ অক্লান্ত সহযোগী তথা সৰবৰহী মহিলাগৰাকীৰ বিয়োগত গভীৰ শোকৰ ছাঁ পৰে বৃহত্তৰ সৃজনগ্ৰাম অঞ্চলত। কিছুদিন ধৰি শয্যাশায়ী অৱস্থাত থকা ৰেণু বালা মেধিয়ে পুত্ৰ ভাস্কৰ মেধি, ভাৰ্গৱ ভূষণ মেধি, জীয়ৰী অগ্নিশিখা মেধি, প্ৰীতিশিখা মেধি, মৈত্ৰীশিখা মেধি আৰু নাতি নাতিনীয়েকক ইহসংসাৰত এৰি ৮৯ বছৰ বয়সত আজি দিনৰ ১২-৩০ বজাত নিজ বাসভৱনত শেষ নিশ্বাস ত্যাগ কৰে। সৃজনগ্ৰামৰ ২ নং চিল্ল্যাপাৰাৰ প্ৰয়াত কৃষ্ণমোহন দাস আৰু ডালিমী বালা দাসৰ জ্যেষ্ঠা জীয়ৰী ৰেণু বালা মেধিয়ে সৃজনগ্ৰাম মজলীয়া বিদ্যালয়ত প্ৰাথমিক শিক্ষা সাং কৰে। পাছত ১৯৬৩ চনৰ ১০ এপ্ৰিলত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰা বিদ্যালয়খনতে শিক্ষকতা জীৱন আৰম্ভ কৰা ৰেণু বালা মেধিয়ে বিৱাহ পাশত আৱদ্ধ হৈ বিপ্লৱী নেতা ফণী মেধিৰ সৈতে বৈবাহিক জীৱনৰ পাতনি মেলে। তেওঁ আছিল যথেষ্ট ধৈৰ্য্য আৰু সহিষ্ণুতা গুণৰ অধিকাৰিণী। বিপ্লৱী চিন্তাচেতনাৰে উদ্বুদ্ধ স্বামীৰ লগত সংসাৰৰ দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত জীৱনত বহু কঠিন পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হয় তেওঁ। সমাজৰ শোষিত বঞ্চিত জনতাৰ হকে যুঁজি পৰিয়ালৰ চিন্তা কৰিবলৈ আহৰি নোপোৱা স্বামীৰ বিৰুদ্ধে নাছিল তেওঁৰ কোনো অভিযোগ। শিক্ষকতাৰ দৰে গধুৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰাৰ সমান্তৰালকৈ এগৰাকী দায়িত্বশীল মাতৃৰ লগতে বহু ক্ষেত্ৰত এজন পিতৃৰ দায়িত্বও সমানে সমানে পালন কৰি এক নিদৰ্শন দাঙি ধৰিছে প্ৰয়াত ৰেণু বালা মেধিয়ে। লগতে সংসাৰৰ সমস্ত দায়িত্ব সুকলমে পালন কৰি স্বামীৰ জনতাৰ ন্যায্য প্ৰাপ্তিৰ জীৱনযোৰা সংগ্ৰামখনলৈ সম্পূৰ্ণ সহযোগিতা আগবঢ়াই এগৰাকী মহিয়ষী নাৰী হিচাপে পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে তেওঁ। ১৯৯৯ চনৰ ২৮ জুলাইত চাকৰি জীৱনৰ পৰা অৱসৰ লোৱা ৰেণু বালা মেধি আছিল মিতভাষী আৰু বিনম্ৰতাৰ প্ৰতীক। শিক্ষকতা জীৱনত তেওঁ চেকনিৰ আগত বিদ্যা নীতিক সমৰ্থন কৰা নাছিল। মাতৃত্বৰ মৰমেৰে পাঠ পঢ়াই ছাত্ৰছাত্ৰীক আকৰ্ষিত কৰিছিল। তেওঁৰ মাজত মাতৃৰ মৰম বিচাৰি পোৱা ছাত্ৰছাত্ৰী সকলে কোনো কথাৰে অবাধ্য হোৱাৰ সাহস গোটাব পৰা নাছিল। এক কথাত তেওঁ আছিল এগৰাকী আদৰ্শ শিক্ষয়িত্ৰী। আজি তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ পাছতে বাসভৱনত অসংখ্য গুণমুগ্ধ, শুভাকাংক্ষী, আত্মীয় স্বজনৰ লগতে প্ৰাক্তন ছাত্ৰছাত্ৰী আৰু শিক্ষক-শিক্ষয়েত্ৰী তথা ৰাইজ সমবেত হয়। পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে কাইলৈ নশ্বৰ দেহৰ শেষকৃত সম্পন্ন কৰা হ'ব।

## নিষিদ্ধ হ'ল গাহৰিৰ মাংস বিক্ৰী আৰু সৰবৰাহ

# পুৰণিগুদামৰ হালোৱা গাঁৱত ছোৱাইন ফ্লু'ৰ প্ৰাদুৰ্ভাৱ

**অসম বাৰ্তা, পুৰণিগুদাম, ৪ জুলাই ঃ** নগাঁও জিলাৰ চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত পুৰণিগুদামৰ হালোৱাগাঁৱত পোহনীয়া গাহৰিৰ শৰীৰত বিপজ্জনক আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ ধৰা পৰিছে। সেয়ে জিলা প্ৰশাসনৰ তৰফৰ পৰা সুৰক্ষামূলক ব্যৱস্থা হিচাপে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩নং ধাৰাৰ অধীনত বৰমপুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত হালোৱাগাঁৱৰ ১০ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত গাহৰি বা গাহৰিৰ মাংস বা ইয়াৰ পৰা উৎপাদিত সামগ্ৰীৰ বিক্ৰী আৰু সৰবৰাহ সম্পূৰ্ণৰূপে নিষিদ্ধ ঘোষণা কৰা হৈছে। জিলা আয়ুক্ত দেৱাশিস শৰ্মাই কালি জাৰি কৰা এই নিৰ্দেশ অনুসৰি হালোৱাগাঁৱৰ এক কিলোমিটাৰ ব্যাসাৰ্ধৰ অঞ্চলটোক সংক্ৰমিত অঞ্চল আৰু ১০ কিলোমিটাৰ ব্যাসাৰ্ধক নিৰীক্ষণ অঞ্চল হিচাপে ঘোষণা কৰা হৈছে। এই নিৰীক্ষণ অঞ্চললৈ বা ইয়াৰ পৰা জীৱন্ত গাহৰিও আন ঠাইলৈ সৰবৰাহ কৰিব নোৱাৰিব বুলি নিৰ্দেশটোত স্পষ্ট কৰি দিয়া হৈছে। গাহৰি পালকসকলক পশুপালন বিভাগৰ তৰফৰ পৰা প্ৰদান কৰা নিৰ্দেশনাসমূহ মানি চলিবলৈ কোৱা হৈছে। তদুপৰি অঞ্চলটোত কোনো গাহৰিৰ মৃত্যু হ'লে তাৎক্ষণিকভাৱে ওচৰৰ পশুপালন বিভাগৰ লোকক অৱগত কৰিবলৈ আহ্বান জনোৱা হৈছে। এই নিৰ্দেশ উলংঘা কৰিলে আইন অনুসৰি দণ্ডনীয় হ'ব বুলি নিৰ্দেশটোত সকীয়াই দিয়া হৈছে।

# সেউজ সমবায় দিৱস উপলক্ষে কোকৰাঝাৰত বৃক্ষৰোপণ কাৰ্যসূচী

**অসম বাৰ্তা, কোকৰাঝাৰ, ৪ জুলাই ঃ** সেউজ সমবায় দিৱস উপলক্ষে বিটিচিৰ সমবায় বিভাগে জিলা উপ-পঞ্জীয়ক, কোকৰাঝাৰৰ কাৰ্যালয়ৰ জৰিয়তে আজি কোকৰাঝাৰ জিলাৰ কাক্ৰিঘোলা নায়েকগাঁৱৰ মাদাৰ টি ফেক্টৰী কো-অপাৰেটিভ ছ'চাইটি লিমিটেডত এক বৃক্ষৰোপণ কাৰ্যসূচী আয়োজন কৰে। উক্ত কাৰ্যসূচীত মুঠ ১০০টা গছপুলি ৰোপণ কৰা হয়। অনুষ্ঠানটিত বিটিচিৰ এমচিএলএ ধনেশ্বৰ গয়াৰী মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে কোকৰাঝাৰ জিলাৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে। কোকৰাঝাৰৰ জিলা উপ-পঞ্জীয়ক জয়ন্ত খেৰকাটাৰীৰ নেতৃত্বত এই কাৰ্যসূচী আয়োজন কৰা হয়। ভাৰত চৰকাৰৰ সমবায় মন্ত্ৰালয়ৰ ৫ ম প্ৰতিষ্ঠা দিৱস আৰু সমবায় সপ্তাহ ২০২৬ (২৯ জুনৰ পৰা ৬ জুলাইলৈ) উপলক্ষে এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সমবায় আন্দোলনৰ জৰিয়তে পৰিৱেশ সংৰক্ষণৰ প্ৰতি সজাগতা বৃদ্ধি কৰাৰ লগতে সমাজৰ সকলো স্তৰৰ লোকক এই দিশত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰাই আছিল এই পদক্ষেপৰ মূল উদ্দেশ্য। অনুষ্ঠানত ভাষণ প্ৰদান কৰি অতিথিসকলে পৰিৱেশ সংৰক্ষণ আৰু বহনক্ষম গ্ৰাম্য উন্নয়নত সমবায় প্ৰতিষ্ঠানসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে আলোকপাত কৰে। তেওঁলোকে কয় যে সেউজ, পৰিষ্কাৰ আৰু বহনক্ষম ভৱিষ্যৎ গঢ়ি তোলাৰ বাবে বৃক্ষৰোপণ এক সামূহিক দায়িত্ব, আৰু এই ক্ষেত্ৰত সকলোৰে সক্ৰিয় সহযোগিতা একান্তই প্ৰয়োজন। ১০০টা গছপুলি সফলতাৰে ৰোপণ কৰাৰ জৰিয়তে কাৰ্যসূচীৰ সামৰণি পৰে। ইয়াৰ জৰিয়তে বিটিচিৰ সমবায় বিভাগ আৰু কোকৰাঝাৰৰ সমবায় প্ৰতিষ্ঠানসমূহে পৰিৱেশ সংৰক্ষণ, পৰিৱেশগত বহনক্ষমতা আৰু সামূহিক উন্নয়নৰ ক্ষেত্ৰত নিজৰ দায়বদ্ধতা পুনৰ দৃঢ়ভাৱে প্ৰকাশ কৰে। উক্ত অনুষ্ঠানত সমবায় বিভাগৰ বিষয়া-কৰ্মচাৰী, গাঁওবুঢ়া, ভিচিডিচিৰ অধ্যক্ষ, বহুমুখী কৃষি ঋণ সমবায় সমিতিৰ প্ৰতিনিধি, স্থানীয় কৃষক আৰু আয়োজক সমবায় সমিতিৰ সদস্যসকল উপস্থিত থাকে।

## ১০০ দিনৰ পৰা ১২৫ দিনলৈ বৃদ্ধি নিয়োগ নিশ্চিতকৰণ, দৈনিক মজুৰি ৩০০ টকালৈ বৃদ্ধি

# কামৰূপ জিলাৰ হাজোত VB-G RAM-G কাৰ্যসূচীৰ ৰাষ্ট্ৰীয় শুভাৰম্ভণি

**অসম বাৰ্তা, হাজো, ৪ জুলাই ঃ** সমগ্ৰ দেশজুৰি আয়োজিত ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ উদ্যোগত VB-G RAM-G-ৰ আঁচনি খনৰ আজি ৰাষ্ট্ৰীয় শুভাৰম্ভণি কৰা হয়। ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে অন্ধ্ৰ প্ৰদেশৰ তিৰুপতিত VB-G RAM-G-ৰ ৰাষ্ট্ৰীয় পৰ্যায়ত এই অনুষ্ঠানৰ শুভ উদ্বোধন কৰে। সমান্তৰালভাৱে ৰাজ্যিক পৰ্যায়ৰজন সন্মিলন তথা শুভ উদ্বোধনী অনুষ্ঠানটি কামৰূপ জিলাৰ হাজোস্থিত লৌহ মানৱ বিষ্ণুৰাম মেধি প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। দেশজুৰি একে সময়তে অনুষ্ঠিত এই কাৰ্যসূচীত কামৰূপ জিলায়ো উৎসাহেৰে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে হাজো শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসৰ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অসমৰ অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্থী, কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, কামৰূপ জিলা পৰিষদৰ অধ্যক্ষ নিপন ভূএগ্ৰা, কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী আদি উপস্থিত থাকে। অনুষ্ঠানত হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে ভাষণ প্ৰদান কৰি মহাত্মা গান্ধীৰ গ্ৰাম্য ভাৰত গঢ়াৰ দৃষ্টিভংগীৰ কথা উল্লেখ কৰে। তেওঁ কয় যে "ভাৰতৰ ভৱিষ্যৎ গাঁৱত নিহিত হৈ আছে আৰু গাঁওসমূহেই দেশৰ মেৰুদণ্ড। গাঁৱৰ উন্নয়ন অবিহনে সমৃদ্ধ ভাৰত গঢ়া সম্ভৱ নহয়।" তেওঁ জনায় যে চৰকাৰে গ্ৰাম্য নিয়োগ অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে এই আঁচনিৰ অধীনত নিয়োগ নিশ্চিতকৰণ ১০০ দিনৰ পৰা ১২৫ দিনলৈ বৃদ্ধি কৰিছে। লগতে দৈনিক মজুৰি ৩০০ টকালৈ বৃদ্ধি কৰা হৈছে, যাৰ ফলত গ্ৰাম্য পৰিয়ালসমূহৰ জীৱিকা অধিক সুৰক্ষিত হোৱাৰ লগতে আৰ্থিকভাৱে স্বাৱলম্বী সমাজ গঠনত সহায়ক হ'ব। তেওঁ লগতে কয় যে ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীৰ নেতৃত্বত ৰাজ্যজুৰি বিভিন্ন জনকল্যাণমূলক আঁচনি সফলভাৱে ৰূপায়ণ হৈ আছে, যাৰ ফলত গ্ৰামাঞ্চলৰ পৰিয়ালসমূহ অধিক আত্মনিৰ্ভৰশীলতাৰ দিশে আগবাঢ়িছে। অনুষ্ঠানত উপস্থিত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব ড° বল্লেপু কল্যাণ চক্ৰৱৰ্তীয়ে ডিজিটেল যুগত স্বচ্ছতা আৰু কাৰ্যদক্ষতা নিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ অংগীকাৰৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয় যে ডিজিটেল ব্যৱস্থাৰ জৰিয়তে আঁচনি ৰূপায়ণৰ প্ৰতিটো পৰ্যায়ত অধিক স্বচ্ছতা নিশ্চিত কৰা হ'ব। লগতে বিভাগটোৱে গ্ৰাম্য উন্নয়নৰ স্বাৰ্থত বিভিন্ন উন্নয়নমূলক আঁচনি ৰূপায়ণ কৰি থকা বুলিও তেওঁ উল্লেখ কৰে। এই অনুষ্ঠানত ভাষণ প্ৰদান কৰি কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই কয় যে ৰাজ্য চৰকাৰে গ্ৰাম্য উন্নয়নক অগ্ৰাধিকাৰ প্ৰদান কৰি অহাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে এই কাৰ্যসূচী আৰম্ভ কৰা হৈছে। তেওঁ আশা প্ৰকাশ কৰে যে এই অভিযানৰ জৰিয়তে কামৰূপ জিলাৰ প্ৰতিখন গাঁও "বিকশিত গাঁও" হিচাপে গঢ় লৈ উঠিব আৰু গ্ৰাম্য উন্নয়নৰ নতুন দিগন্ত উন্মোচিত হ'ব। লগতে তেওঁ কাৰ্যসূচীখনৰ সফল ৰূপায়ণৰ বাবে সকলোকে আন্তৰিক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

## আধাৰশিলা স্থাপন স্থানীয় বিধায়ক নাৰায়ণ ডেকাৰ

# দৌলাশাল স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসকৰ আৱাসৰ মেৰামতিৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, দৌলাশাল, ৪ জুলাই ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত দৌলাশালস্থিত দৌলাশাল ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসকৰ চৰকাৰী আৱাসৰ মেৰামতিৰ আধাৰশিলা আজি স্থাপন কৰা হয়। আধাৰশিলা স্থাপন কৰে বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাই। ২০২৫-২০২৬ বৰ্ষৰ পঞ্চদশ বিত্তীয় আয়োগৰ আঞ্চলিক পঞ্চায়তৰ আৱণ্টিত পুঁজিৰ প্ৰথম কিস্তিৰ ধনেৰে চিকিৎসকৰ চৰকাৰী আৱাসটো মেৰামতি কৰা হ'ব বুলি জানিব পৰা গৈছে। দৌলাশাল ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসকৰ চৰকাৰী আৱাসটো দীৰ্ঘদিন ধৰি বসবাসৰ বাবে অনুপোযোগী হৈ আছিল। স্বাস্থ্য কেন্দ্ৰটোৰ চিকিৎসকজনে চৰকাৰী আৱাসত থাকিব নোৱাৰাৰ বাবে বৃহত্তৰ দৌলাশালকে ধৰি নলবাৰী আৰু বৰপেটা জিলাৰ দাঁতিকাষৰীয়া কেইবাখনো গাঁৱৰ জনসাধাৰণে চিকিৎসাজনিত বিষয়ত দুৰ্ভোগ ভুগিব লগীয়া হৈছিল। চৰকাৰী আৱাসটো মেৰামতি হোৱাৰ পাছত চিকিৎসকজন চৰকাৰী আৱাসত থাকিলে ৰোগীসকলে নিশাৰ ভাগতো চিকিৎসা লাভ কৰিব। চৰকাৰী আৱাসত চিকিৎসকজনক পালে বিশেষকৈ দৰিদ্ৰ পৰিয়ালৰ ৰোগীসকলৰ বাবে সকাহ হ'ব। স্বাস্থ্য কেন্দ্ৰটোত উপস্থিত হৈ চিকিৎসকৰ লগতে স্বাস্থ্যকৰ্মীৰ স'তেও মত-বিনিময় কৰে বিধায়ক নাৰায়ণ ডেকাই। স্বাস্থ্য কেন্দ্ৰটোৰ ভাৰপ্ৰাপ্ত স্বাস্থ্য বিষয়া ডাঃ সোণাবৰ আলীৰ পৰা স্বাস্থ্য কেন্দ্ৰটোৰ অভাৱ-অভিযোগৰো বুজ লয় বিধায়ক ডেকাই। নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ দৌলাশাল, বামুণবড়ী, ৰামপুৰ, গোৰাক্ষাট্টাৰী, লাৰকুছি, আম্ৰাট্ৰাৰী, লচিমা, মুগদি, সোণাপুৰ, ঘোৰাথাল, বৰপেটা জিলাৰ মাজদিয়া, গৰেমাৰী, ছটলা, গাদেশালী পাম, চনেট্টাৰী, বালাট্টাৰী, ৰৌমাৰী পাথাৰ, ৰৌমাৰী গাঁও, ছাটাগাঁও আদি কেইবাখনো গাঁৱৰ ৰোগীয়ে দৌলাশাল স্বাস্থ্য কেন্দ্ৰলৈ চিকিৎসা সেৱা গ্ৰহণ কৰিবলৈ আহে বুলি বিধায়কগৰাকীক স্বাস্থ্যকৰ্মীসকলে জানিবলৈ দিয়ে। চিকিৎসালয়খনৰ ভাৰপ্ৰাপ্ত স্বাস্থ্য বিষয়া ডাঃ সোণাবৰ আলী, দৌলাশাল উন্নতি সাধিনী সভাৰ সভাপতি গৰ্গনাৰায়ণ বৰ্মন, বিৰিণা গোষ্ঠী অসমৰ সম্পাদক বনজিৎ বৈশ্য, পশ্চিম বৰক্ষেত্ৰী-ধৰ্মপুৰ মণ্ডল বিজেপিৰ সভাপতি ৰাজু ডেকা, উপ সভানেত্ৰী ববিতা ডেকা বৈশ্য, দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী নিশামণি মেধি, দৌলাশাল- ৰামপুৰ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য কামেশ্বৰ নাথ, বিজেপি নেতা জয়ন্ত কলিতা, ৰবেন বৈশ্যকে ধৰি আধাৰশিলা স্থাপন অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট লোক উপস্থিত থাকে।

## বিষয়া-কৰ্মচাৰীৰ অনিয়মীয়া উপস্থিতিত অতিষ্ঠ কৃষক ৰাইজ

# গৰৈমাৰী কৃষি উন্নয়ন খণ্ডত চৰম অৰাজকতা

**অসম বাৰ্তা, গৰৈমাৰী, ৪ জুলাই ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰী কৃষি উন্নয়ন খণ্ড কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীৰ অনিয়মীয়া উপস্থিতিৰ বাবে কৃষক ৰাইজ অতিষ্ঠ হৈ পৰিছে। জানিব পৰামতে চৰকাৰী নিয়মানুসৰি বিয়লি ৪ৰ পৰা ৫ বজালৈ চৰকাৰী কাৰ্যালয় খোলা থকাৰ কথা থাকলেও গৰৈমাৰী কৃষি কাৰ্যালয়ত সেয়া কেৱল কাগজ-কলমতে সীমাবদ্ধ। অভিযোগমতে গৰৈমাৰী কৃষি উন্নয়ন খণ্ড কাৰ্যালয়টোৰ বিষয়া-কৰ্মচাৰীসকলে কাৰ্যালয়ত দীৰ্ঘদিন ধৰি নিজৰ ইচ্ছানুসৰি অহা-যোৱা কৰি আহিছে। কেতিয়াবা দিনৰ ১১ বজাত কাৰ্যালয়ত উপস্থিত হৈ কিছু সময় পাৰ কৰিয়েই দুপৰীয়াৰ ভাগতে বিষয়া-কৰ্মচাৰীসকল কাৰ্যালয়ৰ পৰা অন্তৰ্ধান হয়। ফলত চৰকাৰী কাম-কাজৰ বাবে অহা সাধাৰণ ৰাইজে প্ৰতিদিনে বিমুখ হৈ ঘৰলৈ উভতিবলগীয়া হয়। উক্ত কাৰ্যালয়টোৰ সমগ্ৰ অৰাজকতাৰ বাবে স্থানীয় ৰাইজে গৰৈমাৰী কৃষি উন্নয়ন খণ্ডৰ এডিঅ' আৰ্চিতা ওজাৰ কৰ্তব্যত গাফিলতি আৰু দায়িত্বহীনতাক প্ৰধান কাৰণ বুলি অভিযোগ তুলিছে। কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীৰ এনে অবাধ স্বাধীনতাৰ বাবে উচ্চপদস্থ বিষয়াৰ নিৰ্লিপ্ততাকো জগৰীয়া কৰিছে সচেতন মহলে। বিভাগীয় কৰ্তৃপক্ষই এই ক্ষেত্ৰত কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবেই বিষয়া-কৰ্মচাৰীসকলৰ এনে সাহস বৃদ্ধি পোৱা বুলি স্থানীয় ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। গৰৈমাৰী কৃষি উন্নয়ন খণ্ড কাৰ্যালয়ৰ কৰ্তব্যত ফাকি দিয়া আৰু নিয়ম বহিৰ্ভূতভাৱে কাৰ্যালয় বন্ধ কৰা বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে তদন্ত চলাই শীঘ্ৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগৰ জিলা মুৰব্বীৰ ওচৰত ভুক্তভোগী কৃষক ৰাইজে দাবী জনাইছে।

## নম্বৰ প্লেটবিহীন বাহনৰ খুন্দাত মহিলাৰ কৰুণ মৃত্যু

# ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ ভঙামন্দিৰত শোকাৱহ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৪ জুলাই ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষী থানাৰ এলেকাৰ অসম মালা পথৰ বৰছলা টি প্ৰাইভেট লিমিটেডৰ সমীপত আজি সন্ধ্যা প্ৰায় ৬ বজাত এক শোকাৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। উক্ত পথ দুৰ্ঘটনাটোত এগৰাকী ৫৬ বছৰীয়া মহিলাৰ কৰুণ মৃত্যু হয়। জানিব পৰা মতে নম্বৰ প্লেটবিহীন এখন বাহন চালনা কৰি থকা জাহাংগীৰ আলম (১৮), পিতৃ- আব্দুল বাচেত, গাঁও- মইলাআলি, ঢেকীয়াজুলি আৰক্ষী থানাৰ অন্তৰ্গত, বাহনখনৰ নিয়ন্ত্ৰণ হেৰুৱাই পথচাৰী লক্ষ্মীমায়া দেৱী (৫৬)ক খুন্দিয়াই। লক্ষ্মীমায়া দেৱী লোকবাহাদুৰ দাৰ্জীৰ পত্নী আৰু ভাঙামন্দিৰ গাঁৱৰ বাসিন্দা। দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত মহিলাগৰাকীক তৎক্ষণাত স্থানীয় লোকে উদ্ধাৰ কৰি তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল (TMCH)লৈ প্ৰেৰণ কৰে। কিন্তু চিকিৎসকে পৰীক্ষা কৰি তেওঁক মৃত বুলি ঘোষণা কৰে। ঘটনাৰ পিছতে ঢেকীয়াজুলি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। দুৰ্ঘটনাত জড়িত নম্বৰ প্লেটবিহীন বাহনখন জব্দ কৰাৰ লগতে চালক জাহাংগীৰ আলমৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া চলি থকা বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।

## জৰাজীৰ্ণ পথ-দলং মেৰামতিৰ দাবীত জিলা আয়ুক্তক স্মাৰকপত্ৰ আছুৰ

# বামাখাটা-কৰ্দৈগুৰিত নিৰ্মাণ নহ'ল বানবিধ্বস্ত দলং

**অসম বাৰ্তা, পাঠশালা, ৪ জুলাই ঃ** বজালী জিলাৰ অন্তৰ্গত এক অতি গুৰুত্বপূৰ্ণ আৰু ব্যস্ত গড়কাপ্তানি পথ হৈছে বামাখাটা-কৰ্দৈগুৰি পথ। পথটোৰে প্ৰতিদিনে হেজাৰ হেজাৰ লোকৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে পাঠশালাকে ধৰি বিভিন্ন প্ৰান্তলৈ যাতায়াত কৰে। আনহাতে সম্প্ৰতি বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ দ্বিতীয়টো চৌহদ মেধিকুছিত হোৱাৰে পৰা অঞ্চলটোৰ লগতে গড়কাপ্তানি পথটোৰ গুৰুত্ব আৰু বৃদ্ধি পাইছে। কিন্তু পৰিতাপৰ বিষয় যে পহুমাৰা নৈ পাৰ হৈ মেধিকুছি হাঠিনাপুৰত পথটো বিগত ২০২২ চনৰ প্ৰলয়ংকৰী বানে ছিঙি নিয়াৰ পাচত বিভাগীয়ভাৱে এখন বেইলী ব্ৰীজৰ ব্যবস্থা কৰি যাতায়াত অব্যাহত ৰাখিছে যদিও অস্থায়ীভাবে নিৰ্মাণ কৰা দলংখন অতিকে ঠেক হোৱাত সম্প্ৰতি যথেষ্ট অসুবিধাৰ সম্মুখীন হৈ আহিছে পথচাৰীসকল। আজি পথটোৰ ওপৰত থকা বেইলী ব্ৰীজখনৰ ঠাইত পকী দলং নিৰ্মাণ আৰু পথটোৰ হাঠিনাপুৰ চ'কলৈ ছিঙি থোৱা অংশ মেৰামতিৰে ব্যৱস্থা কৰাৰ দাবীত হস্তিনাপুৰ আঞ্চলিক ছাত্ৰ সন্থাই বজালী জিলা আয়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰি ব্যবস্থা গ্ৰহণৰ আহ্বান জনায়। উল্লেখ্য যে বিগত বৰ্ষত পথটোৰ ভগ্ন অংশত পকী দলং নিৰ্মাণৰ বাবে সেই সময়ৰ ভবাণীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে আধাৰশিলা স্থাপন কৰিছিল যদিও আজিলৈকে দলংখনৰ কাম আৰম্ভ নোহোৱাৰ লগতে আশ্চৰ্যজনকভাৱে আধাৰশিলা ফলকখনো সেই স্থানৰ পৰা নোহোৱা হয়। বিগত চাৰি বছৰ অতিক্ৰম কৰাৰ পাচতো আজিলৈকে দলংখন নিৰ্মাণ নোহোৱাত এক বৃহত্তৰ অঞ্চলৰ ৰাইজে দুৰ্ভোগ ভোগ কৰিছে। আনহাতে বিধানসভা নিৰ্বাচনৰ পূৰ্বে পথটোৰ বেইলী ব্ৰীজৰ পৰা আৰম্ভকৰি হাঠিনাপুৰ চ'কলৈ ঠিকাদাৰে পিচসমূহ একৰাই থৈ আজিলৈকে মেৰামতি নকৰাত পথছোৱাত প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈছে। ভাল পথ এটা খহাই পেলাই আজিপৰ্যন্ত মেৰামতি নকৰাত লোকনিৰ্মাণ বিভাগৰ লগতে ঠিকাদাৰৰ ওপৰত খৰ্গহস্ত হৈ পৰিছে স্থানীয় ৰাইজ। ভৱানীপুৰ-সৰভোগ সমষ্টিৰ অন্তৰ্গত বামাখাটা-কৰ্দৈগুবি গড়কাপ্তানি পথটোৰ ওপৰত থকা বেইলী ব্ৰীজখনৰ ঠাইত পকী দলং নিৰ্মাণৰ কাম আৰম্ভ কৰা আৰু পথটোৰ ছিত্তি থোৱা অংশ নিৰ্মাণৰ ব্যৱস্থা কৰি যাতায়াতৰ সুব্যৱস্থা কৰাৰ বাবে আহ্বান জনাই আজি হস্তিনাপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া সীমান্ত তালুকদাৰ আৰু অংকুৰ পাটগিৰিয়ে বজালী জিলা আযুক্ত পাৰ্থপ্ৰতিম মজুমদাবক স্মাৰক পত্ৰ প্ৰদান কৰাৰ লগতে বিধায়ক তথা অসম বিধানসভাৰ অধ্যক্ষ বঞ্জিত কুমাৰ দাসক শীঘ্ৰে পথছোৱাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনায়।

ভূই ৰুব পৰা অৱস্থা নাজিৰা সমষ্টিৰ এটা পথ

# অসম-নাগালেণ্ড সীমান্তৱৰ্তী শিঙিবিল শিমলুবাৰী গাঁৱৰ বিধস্ত পথে যমৰ-যাতনা ভোগাইছে জনগণক



**অসম বাৰ্তা, নামতি, ৪ জুলাই ঃ** দেশৰ স্বাধীনতাৰ ৭৯ বছৰ অতিক্ৰম কৰাৰ পিছতো আজিও ভূই ৰুব পৰা এটা অতি বিধস্ত পথেৰেই যাতায়াত কৰি থকা হৈছে জনগণে। চৰকাৰে বাট-পথ উন্নয়ন কৰা বুলি বহুল প্ৰচাৰ কৰি আহিছে যদিও বৰ্তমানৰ ৯৭ নং নাজিৰা বিধানসভা সমষ্টিৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী এলেকাৰ শিমলুবাৰী অঞ্চলৰ ২ নং লাহন গাঁৱৰ এই জৰাজীৰ্ণ পথটো এজাক পাতল বৰষুণ দিলেই ভূই ৰুব পৰা অৱস্থা হৈ পৰে। যাৰ ফলত কণকণ শিশু ছাত্ৰ-ছাত্ৰীকে ধৰি ৰোগী, জনগণ যাতায়ত কৰাত স্বাধীনতাৰ ৭৯ বছৰৰ পিছতো যমৰ যাতনা ভোগ কৰিবলগীয়া হৈছে। স্থানীয় ৰাইজে বছৰ বছৰ ধৰি স্থানীয় গাঁও পঞ্চায়তৰ লগতে বিধায়ক আৰু প্ৰশাসন কৰ্তৃপক্ষক আবেদন-নিবেদন কৰি আহিছে যদিও প্ৰায় দুই কিলোমিটাৰ পথটো পুনৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত কোনো গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হোৱা নাই। স্থানীয় ৰাইজৰ এই দুৰ্ভূগৰ পৰা পৰিত্ৰাণ বিচাৰি পুনৰ সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক আৰু স্থানীয় পঞ্চায়ত কৰ্তৃ পক্ষক পথটো বিজ্ঞানসন্মত ভাৱে নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# মৈৰাবাৰীত ভাৰত স্কাউট এণ্ড গাইডৰ পাঁচদিনীয়া গ্ৰীষ্মকালীন আৱাসিক প্ৰশিক্ষণ শিবিৰ আৰম্ভ

**অসম বাৰ্তা, মৈৰাবাৰী, ৪ জুলাই ঃ** যুৱ প্ৰজন্মৰ মাজত শৃংখলাবোধ, সেৱা মনোভাৱ আৰু আত্মবিশ্বাস গঢ়ি তোলাৰ লক্ষ্যৰে মৰিগাঁও জিলাৰ মৈৰাবাৰীত বৃহস্পতিবাৰৰ পৰা আৰম্ভ হৈছে ভাৰত স্কাউট এণ্ড গাইডৰ পাঁচদিনীয়া গ্ৰীষ্মকালীন আৱাসিক প্ৰশিক্ষণ শিবিৰ। মৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ শিবিৰটোত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় ১৫০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। বৃহস্পতিবাৰে পুৱা লাহৰীঘাট সমজিলাৰ আয়ুক্ত শিল্পী কলিতাই বন্তি প্ৰজ্বলন কৰি আনুষ্ঠানিকভাৱে এই প্ৰশিক্ষণ শিবিৰটোৰ শুভাৰম্ভ কৰে। উদ্বোধনী ভাষণত আয়ুক্ত গৰাকীয়ে শিক্ষাৰ সমান্তৰালকৈ ছাত্ৰ-ছাত্ৰীসকলক এনেধৰণৰ প্ৰশিক্ষণে কেনেদৰে সু-নাগৰিক হিচাপে গঢ়ি তোলাত সহায় কৰিব, সেই বিষয়ে আলোকপাত কৰে। আনহাতে, বিয়লিৰ ভাগত মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তিৱাৰীয়ে প্ৰশিক্ষণ শিবিৰস্থলীত উপস্থিত হৈ সমগ্ৰ পৰিৱেশ পৰ্যবেক্ষণ কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰশিক্ষণৰ প্ৰতি থকা অদম্য উৎসাহ আৰু শিবিৰৰ সুচাৰু পৰিচালনা ব্যৱস্থা দেখি সন্তুষ্টি প্ৰকাশ কৰে। পাঁচদিন ধৰি চলিবলগীয়া এই আৱাসিক শিবিৰত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক স্কাউট এণ্ড গাইডৰ বিভিন্ন কাৰিকৰী দিশৰ লগতে নেতৃত্ব বহনৰ কৌশল আৰু গুণাৱলী সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। এই প্ৰশিক্ষণ কাৰ্যসূচীক লৈ মৈৰাবাৰী অঞ্চলৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ মাজত যথেষ্ট উৎসাহ আৰু উদ্দীপনা পৰিলক্ষিত হৈছে।

টংলাত অবৈধ কাঠফলা মিলৰ বিৰুদ্ধে বন বিভাগৰ অভিযান

# মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ সকীয়নিৰ পিছতেই একশ্যন মুডত বন বিভাগ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৪ জুলাই ঃ** অসমৰ বন আৰু পৰিৱেশ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই বি টি চি বন বিভাগক ৰাজহ বৃদ্ধিক লৈ কঠোৰ সকীয়নি প্ৰদান কৰিছিল। তেওঁ স্পষ্ট কৰি দিছিল যে বি টি চি অঞ্চলৰ পৰা অহা ডাম্পাৰ সমূহে ৰাজ্যৰ পথ-ঘাটৰ ক্ষতিসাধন কৰিছে। তেওঁ আৰু কয় চৰকাৰে বন বিভাগৰ পৰা পোৱা ৰাজহ ব্যৱস্থা অধিক শক্তিশালী কৰিব লাগিব লগতে ৰাজ্য খনত অবৈধ ভাৱে চলি থকা কাঠ ফলা কল সমূহ উৎখাত কৰিব লাগে। ৰাজ্যৰ বনমন্ত্ৰীৰ শেহতীয়া কঠোৰ নিৰ্দেশনা আৰু বনধ্বংসৰ বিৰুদ্ধে চৰকাৰে গ্ৰহণ কৰা শূন্য সহনশীলতাৰ নীতিৰ পাছতে যেন অৱশেষত গা লৰিছে বিটিচিৰ বন বিভাগৰ। বনমন্ত্ৰীগৰাকীৰ সতৰ্ক বাণীৰ প্ৰভাৱত এক বৃহৎ অভিযান চলাই ধনশিৰী বন সংমণ্ডলৰ অন্তৰ্গত টংলা খণ্ড বনাঞ্চলিক বন বিভাগৰ এলেকাত অভিযান চলাই এটা অবৈধ কাঠফলা কল জব্দ কৰিবলৈ সক্ষম হয় বন বিভাগৰ এটি সন্মিলিত দলে। প্ৰাপ্ত তথ্য অনুসৰি, ধনশিৰী বন সংমণ্ডলৰ অধীনস্থ নৈনে বনাঞ্চলিক কাৰ্যালয়, পানেৰী বিট কাৰ্যালয়, শান্তিপুৰ বিট কাৰ্যালয় আৰু টংলা বিট কাৰ্যালয়ৰ এক যুটীয়া দলে এই অভিযান চলায়। গোপন সূত্ৰৰ পম খেদি চলোৱা এই অভিযানত টংলা বিট কাৰ্যালয়ৰ অন্তৰ্গত ঘুৰণিখাত অঞ্চলত দীৰ্ঘদিন ধৰি চলি থকা এটা অবৈধ কাঠফলা কলৰ বিৰুদ্ধে বন বিভাগে এই ব্যৱস্থা গ্ৰহণ কৰে। অভিযানকাৰী দলটোৱে অবৈধ কাঠফলা কলটোৰ সা-সঁজুলিসমূহ জব্দ কৰাৰ লগতে ইয়াৰ সৈতে জড়িত সকলৰ বিৰুদ্ধে তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে। বন বিভাগৰ এনে তৎপৰতাক স্থানীয় সচেতন মহলে আদৰণি জনাইছে। অৱশ্যে বন বিভাগৰ এই সক্ৰিয়তা ধাৰাবাহিকভাৱে অব্যাহত থাকিব নে কেৱল মন্ত্ৰীৰ ধমকৰ পাছতহে প্ৰদৰ্শিত এক সাময়িক তৎপৰতা, সেয়াই এতিয়া লক্ষণীয় হ'ব। অঞ্চলটোত এতিয়াও বিভিন্ন স্থানত বহুকেইটা অবৈধ কাঠফলা কল চলি থকা বুলি অভিযোগ উত্থাপন হৈ আহিছে, সেইসমূহৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়াই হ'ব পৰৱৰ্তী সময়ৰ প্ৰশ্ন।

# মাজুলী ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ উদ্যোগত ২৭ দিনীয়া চিত্ৰকলা আৰু মুখা নিৰ্মাণ কৰ্মশালা আৰম্ভ

**অসম বাৰ্তা, উজনী মাজুলী, ৪ জুলাই ঃ** মাজুলীৰ অন্যতম অগ্ৰণী কলা শিক্ষাৰ অনুষ্ঠান 'ৰূপবৰণ চিত্ৰকলা বিদ্যালয়'ৰ উদ্যোগত আজিৰে পৰা ২৭ দিনীয়া চিত্ৰকলা আৰু মুখা নিৰ্মাণ কৰ্মশালাৰ আজি শুভাৰম্ভ কৰা হয়। নতুন প্ৰজন্মৰ মাজত চিত্ৰশিল্পৰ লগতে অসমৰ ঐতিহ্যমণ্ডিত মুখা শিল্পৰ চৰ্চা আৰু সংৰক্ষণৰ উদ্দেশ্যৰে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে। সেই উপলক্ষে আজি পুৱা বিদ্যালয় সভাগৃহত অনুষ্ঠিত হোৱা কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত সভাপতিত্ব কৰে বিশিষ্ট সমাজকৰ্মী তথা তথা সদৌ অসম মইনা পাৰিজাতৰ উপ সভাপতি লোহিত বৰাই। বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰাই আঁত ধৰা সভাত কৰ্মশালা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰ নেতা বীৰেন শইকীয়াই। শইকীয়াই উদ্বোধনী ভাষণত কয় যে "আমাৰ ন-শিকাৰুসকলৰ মাজত থকা প্ৰতিভা বিকাশৰ বাবে এনেধৰণৰ কৰ্মশালাৰ প্ৰয়োজনীয়তা অপৰিসীম। বিশেষকৈ সত্ৰীয়া সংস্কৃতিৰ অনন্য অংগ মুখা শিল্পক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত এই প্ৰয়াসে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব।" কৰ্মশালাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী আৰু অংশগ্ৰহণকাৰীসকলক উৎসাহিত কৰাৰ লগতে কয় যে, বৰ্তমান সময়ত কেৱল পৰম্পৰাগত শিক্ষাই নহয়, বৰঞ্চ এনে কাৰিকৰী আৰু সৃষ্টিশীল শিক্ষাই যুৱ প্ৰজন্মক স্বাৱলম্বী হোৱাত সহায় কৰিব পাৰে। মুখা নিৰ্মাণৰ দৰে কলাক উদ্যোগিক ৰূপ দি কেনেকৈ সংস্থাপনৰ পথ মুকলি কৰিব পাৰি, সেই দিশতো যুৱ নেতাগৰাকীয়ে আলোকপাত কৰে। সভাত শিশু প্ৰেমী দীপাঞ্জলী দত্ত, অসম সেনাৰ আহ্বায়ক দীপক নেওগ, মুখ্য প্ৰশিক্ষক কৃষ্ণ বৰুৱা, সাংবাদিক বিপুল শইকীয়াই মাজুলীৰ ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লোৱাৰ লগতে মাজুলীৰ থলুৱা শিল্প কলাক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি উল্লেখ কৰে। কৰ্মশালাৰ প্ৰথম দিনটোতে অঞ্চলটোৰ মাজুলীৰ বিভিন্ন স্থানৰ ৩৮ গৰাকী কিশোৰ-কিশোৰীৰ লগতে শিল্প অনুৰাগী যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। অভিজ্ঞ শিল্পীৰ তত্ত্বাৱধানত অংশগ্ৰহণকাৰীসকলক চিত্ৰকলাৰ সূক্ষ্ম কাৰিকৰী দিশসমূহ আৰু বাঁহ, গোবৰ-মাটি ব্যৱহাৰ কৰি পৰম্পৰাগতভাৱে তৈয়াৰ কৰা মুখা নিৰ্মাণৰ ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। আজিৰ উদ্বোধনী অনুষ্ঠানত আন তিনিজন প্ৰশিক্ষক ক্ৰমে ত্ৰিনয়ন নেওগ, পল্লৱী শইকীয়া আৰু কল্পনা দত্ত আৰু স্থানীয় কেই বাগৰাকীও গণ্য-মান্য ব্যক্তি, অভিভাৱক আৰু বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীসকল উপস্থিত থাকে।

# পলাশবাৰীৰ গুইমাৰাত পুখুৰীৰ পৰা উদ্ধাৰ ৩৭ বছৰীয়া লোকৰ মৃতদেহ

**অসম বাৰ্তা, মিৰ্জা, ৪ জুলাই ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ বিজয়নগৰ আৰক্ষী চকীৰ অন্তৰ্গত গুইমাৰা অঞ্চলত চাঞ্চল্যৰ সৃষ্টি কৰা এক ঘটনাত নিজ বাসগৃহৰ পিছফালে থকা এটা পুখুৰীৰ পৰা উদ্ধাৰ হৈছে এজন লোকৰ মৃতদেহ। মৃত লোকজনক ৩৭ বছৰীয়া জিতু ভাগৱতী বুলি চিনাক্ত কৰা হৈছে। জানিব পৰা মতে, যোৱা মঙলবাৰৰ নিশাৰ পৰা জিতু ভাগৱতী নিৰুদ্দেশ হৈ আছিল। তেওঁ নিৰুদ্দেশ হোৱাৰ পিছৰে পৰা পৰিয়ালৰ সদস্যই আত্মীয়-স্বজন, চুবুৰীয়া আৰু বিভিন্ন ঠাইত ব্যাপক বিচাৰ-খোচাৰ চলাইছিল যদিও তেওঁৰ কোনো সম্ভেদ লাভ কৰিব পৰা নাছিল। পৰৱৰ্তী সময়ত ঘটনাৰ সন্দৰ্ভত পৰিয়ালৰ লোকে আৰক্ষীৰ কাষ চাপি এজাহাৰ দাখিল কৰিছিল। আৰক্ষীয়েও ঘটনাটোক কেন্দ্ৰ কৰি অনুসন্ধান আৰম্ভ কৰিছিল। ইফালে শুকুৰবাৰে পুৱা স্থানীয় লোকে জিতু ভাগৱতীৰ বাসগৃহৰ পিছফালে থকা এটা খালত মৃতদেহ উপঙি থকা প্ৰত্যক্ষ কৰে। খবৰ পোৱাৰ লগে লগে আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। ঘটনাটোৰ প্ৰকৃত কাৰণ এতিয়াও স্পষ্ট হোৱা নাই। এই মৃত্যু দুৰ্ঘটনা, আত্মহত্যা নে আন কোনো কাৰণত সংঘটিত হৈছে, সেয়া আৰক্ষীৰ তদন্ত আৰু মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন পোৱাৰ পিছতহে স্পষ্ট হ'ব। ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ নামি অহাৰ লগতে চাঞ্চল্যৰ সৃষ্টি হৈছে।

# লক্ষ্য স্থিৰ নহ'লে জীৱনলৈ সফলতা নাহে ঃ ৰাজু ডেকা

**অসম বাৰ্তা, দৌলাশাল, ৪ জুলাই ঃ** ভাৰতীয় জনতা পাৰ্টী, পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ উদ্যোগত আৰু ৫৭নং দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ৮১নং বুথৰ সহযোগত বৰক্ষেত্ৰীৰ ৰামপুৰত আজিৰে পৰা গ্ৰীষ্মকালীন বিনামুলীয়া পাঠদান শিৱিৰ আৰম্ভ হৈছে। নলবাৰী জিলাৰ পশ্চিম বৰক্ষেত্ৰী মৌজাৰ ৰামপুৰস্থিত ৫৪৪নং ৰামপুৰ প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত বিনামূলীয়া পাঠদান শিৱিৰটো উদ্বোধন কৰে পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডল বিজেপিৰ সভাপতি ৰাজু ডেকাই। মণ্ডল বিজেপিৰ সম্পাদক যুগল গোস্বামীয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত উদ্বোধক ৰাজু ডেকাই ছাত্ৰ-ছাত্ৰীসকলে উপকৃত হ'ব পৰাকৈ ভাষণ প্ৰদান কৰে। ৰাজু ডেকাই কয় যে, শৈশৱ কালতেই ছাত্ৰ- ছাত্ৰীৰ ভৱিষ্যত পন্থা নিৰ্ভৰ হয়। সেয়ে শৈশৱ কালৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে মানসিকভাৱে স্থিৰ হৈ লক্ষ্যত উপনীত হ'ব লাগিব। লক্ষ্য স্থিৰ নহ'লে জীৱনলৈ সফলতা নাহে। মণ্ডল বিজেপিৰ সভাপতি ৰাজু ডেকাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি এই বুলিও কয় যে- মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে খেল-ধেমালিতো মনোনিবেশ কৰিব লাগে। এইক্ষেত্ৰত বিশ্ব ক্ৰিকেটৰ নৱতম চাঞ্চল্য ভাৰতীয় ক্ৰিকেটাৰ বৈভৱ সূৰ্যবংশীৰ উদাহৰণ দাঙি ধৰে। উদ্বোধনী অনুষ্ঠানত ৮১নং বুথ সমিতিৰ শক্তিকেন্দ্ৰৰ আহ্বায়ক অচ্যুৎ নাথ উপস্থিত থাকে। অঞ্চলটোৰ অষ্টম আৰু নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অনুষ্ঠিত কৰা গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান শিৱিৰত শিক্ষক ভগৱান নাথ, অপূৰ্ব নাথ, উদ্দিপ্ত চৌধুৰী আৰু জ্যোতিৰঞ্জন নাথে ইংৰাজী, বিজ্ঞান আৰু গণিত বিষয়ত ছাত্ৰ-ছাত্ৰীসকলক পাঠদান কৰিব। প্ৰতিদিনাই পুৱা ১০ বজাৰ পৰা ১ বজালৈকে ৩০ জুলাইলৈ এই পাঠদান শিৱিৰ অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিয়ে বুথ সভাপতি কুশল নাথ আৰু সম্পাদক টিকেন দাসে। ইতিমধ্যেই এই শিৱিৰত অঞ্চলটোৰ অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে।

চৰকাৰী ভূমি বেদখলমুক্ত কৰাৰ দাবী প্ৰতিবাদকাৰীৰ

# চামগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, পুৰণিগুদাম, ৪ জুলাই ঃ** নগাঁও জিলাৰ চামগুৰি ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ চৌহদত কালি বৃহত্তৰ চামগুৰি অঞ্চলৰ বিভিন্ন দল-সংগঠনৰ নেতা-কৰ্মীয়ে চামগুৰিৰ বৃহৎ পৰিমাণৰ চৰকাৰী ভূমি বেদখলমুক্ত কৰাৰ দাবীত এক উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। জানিব পৰা মতে, চামগুৰি ৰাজহ চক্ৰৰ এলেকাধীন বিভিন্ন প্ৰান্তত চৰকাৰী ভূমিত অবৈধ দখল বৃদ্ধি পোৱাৰ ফলত খিলঞ্জীয়া লোকসকলৰ অস্তিত্ব আৰু অধিকাৰ সংকটাপন্ন হৈছে। প্ৰতিবাদকাৰীসকলে এই সন্দৰ্ভত চামগুৰি ৰাজহ চক্ৰৰ কাৰ্য্যালয়ত অভিযোগ উত্থাপন কৰি আবেদন দিছিল যদিও উৰ্দ্ধতন কৰ্তৃপক্ষই দীৰ্ঘদিনে বিষয়টোক গুৰুত্ব প্ৰদান নকৰাৰ পৰিপ্ৰেক্ষিত উক্ত প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে, প্ৰতিবাদকাৰীসকলে ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন, চামগুৰিৰ বিধায়ক তাঞ্জিল হুছেইনৰ বিৰুদ্ধে প্ৰচণ্ড ক্ষোভ প্ৰকাশ কৰি সংবাদ মাধ্যমৰ আগত কয়, একাংশ বেদখলকাৰীয়ে বিভিন্ন অসামাজিক কাৰ্যকলাপৰ সৈতে জড়িত থকা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপন কৰাৰ লগতে চৰকাৰী ভূমি বেদখলমুক্ত কৰাৰ ক্ষেত্ৰত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। ইয়াৰ উপৰিও চৰকাৰী ভূমি বেদখলৰ সৈতে এজন চৰকাৰী গাঁওপ্ৰধান জড়িত থকাৰ অভিযোগ উত্থাপন কৰি প্ৰতিবাদকাৰীসকলে বিষয়টো তদন্ত প্ৰক্ৰিয়াৰ মাজেৰে বিচাৰ বিশে-ষণ কৰি প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনায়।

# জেচিআই বৰপেটাৰোডৰ উদ্যোগত দত্তক লোৱা বিদ্যালয়ত আৰ.অ'.-ইউ.ভি. পানী শোধন যন্ত্ৰ স্থাপন

**অসম বাৰ্তা, বৰপেটাৰোড, ৪ জুলাই ঃ** সমাজসেৱা আৰু বহনক্ষম উন্নয়নৰ প্ৰতি দায়বদ্ধতা অব্যাহত ৰাখি জেচিআই বৰপেটাৰোডে নিজৰ "সুজল-বিশুদ্ধ পানী, সুস্থ জীৱন" প্ৰকল্পৰ অধীনত দত্তক লোৱা মদুলীঝাৰ দক্ষিণ মছুৱাগাঁও এল.পি. স্কুল, হতাপাৰাত ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয় পৰিয়ালৰ বাবে আৰ.অ'.-ইউ.ভি. পানী শোধন যন্ত্ৰসহ সংৰক্ষণ টেংক স্থাপন কৰে। এই জনকল্যাণমূলক প্ৰকল্পটো সমাজসেৱী বিনোদ কুমাৰ ছাৰাফৰ সৌজন্যত সম্পন্ন হয়। উক্ত পানী শোধন ব্যৱস্থাৰ শুভ উদ্বোধন বিনোদ কুমাৰ ছাৰাফৰ লগতে তেওঁৰ পৰিয়ালবৰ্গ, বিশিষ্ট সমাজসেৱী শ্ৰীধৰ শৰ্মা, পৱন খেমকা সহ জেচিআই বৰপেটা ৰোডৰ বিষয়ববীয়া আৰু সদস্যসকল, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত সম্পন্ন হয়। অনুষ্ঠানত মুখ্য দাতা আৰু আমন্ত্ৰিত অতিথিসকলক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। জেচিআই বৰপেটা ৰোডৰ সভাপতি জেচি আয়ুষী কেডিয়াই অতিথিসকলক আদৰণি জনাই "সুজল" প্ৰকল্পৰ তাৎপৰ্যবৰ্ণনা কৰে। শেষত সম্পাদক জেচি আশা ছাৰাফই সকলো দাতা, অতিথি আৰু উপস্থিত সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

# বেজৰ নাকত খৰ; মৈৰাবাৰীত মহিলাৰ শ্লীলতা হানিৰ অভিযোগত গ্ৰেপ্তাৰ তথাকথিত সাংবাদিক

**অসম বাৰ্তা, ভূৰাগাঁও, ৪ জুলাই ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীত সংঘটিত হোৱা এক জঘন্য ঘটনাই সকলোৰে লজ্জানত কৰিছে। বেজৰ নাকত খৰে খোৱাৰ দৰে নিজকে সাংবাদিক বুলি পৰিচয় দিয়া ইমৰান খান নামৰ এজন লোকক মহিলাৰ শ্লীলতা হানিৰ অভিযোগত মৈৰাবাৰী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ পাছতে পলায়ন কৰিছিল যদিও যোৱা নিশা মৈৰাবাৰী আৰক্ষীয়ে ইমৰান খানক গ্ৰেপ্তাৰ কৰি সোধ পোছৰ অন্তত আজি আদালতত হাজিৰ কৰাই। ভোক্তভোগী মহিলা গৰাকীয়ে এজাহাৰত উল্লেখ কৰা অভিযোগ মতে, নিজকে সাংবাদিক বুলি পৰিচয় দিয়া ইমৰান খানে দীৰ্ঘদিনৰ পৰা মহিলা গৰাকীক অসৎ দৃষ্টিৰে চাই আহিছিল। নিজৰ স্বামী ঘৰত নথকা অৱস্থাত মহিলা গৰাকীৰ ঘৰলৈ গৈ ইমৰানে প্ৰায়ে আমনি কৰিছিল। যোৱা ২৭ জুনৰ দিনা মহিলা গৰাকীয়ে নিজৰ সন্তানক টিউচনৰ পৰা আনিবলৈ ঘৰৰ পৰা ওলাই যোৱা সময়ত ঘৰৰ পদূলিতে ইমৰানে মহিলাগৰাকীক অসৎ প্ৰস্তাৱ দিয়ে। মহিলা গৰাকীয়ে ইমৰানৰ প্ৰস্তাৱ মানি নোলোৱাত মহিলা গৰাকীক হাতত ধৰি টানি একপ্ৰকাৰ চোচোৰাই কাষৰ ঘৰ এটালৈ টানি নি ধৰ্ষণৰ অপচেষ্টা চলাই। তেনে সময়ত মহিলা গৰাকীয়ে চিএৱ বাখৰ কৰাত তেওঁৰ স্বামীৰ লগতে প্ৰতিবেশী লোক সমৱেত হয়। তেনে সন্ধিক্ষণত লম্পট ইমৰান খানে আত্মৰক্ষাৰ বাবে মহিলা গৰাকীৰ স্বামীৰ ওপৰত আক্ৰমণ কৰি পলায়ন কৰে। ইয়াৰ পাছতো এখন সৰু হোটেল দি ঘৰ চলোৱা মহিলা গৰাকীৰ স্বামীক হোটেললৈ গলে প্ৰাণে মৰাৰ ভাবুকি প্ৰদান কৰে। মহিলা গৰাকীয়ে সমগ্ৰ ঘটনাৰ সন্দৰ্ভত মৈৰাবাৰী থানাত এজাহাৰ দাখিল কৰাৰ পাছতে ইমৰান খানে পলায়ন কৰে। কিন্তু বৃহস্পতিবাৰে নিশা মৈৰাবাৰী আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি ইমৰান খানক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। যোৱা নিশা সোধ পোছৰ অন্তত আজি ইমৰান খানক আদালতত হাজিৰ কৰে মৈৰাবাৰী আৰক্ষীয়ে। ইমৰান খানৰ এনে লজ্জা জনক কাণ্ডই সকলোৰে লজ্জানত কৰিছে। উল্লেখ্য যে ইমৰান খানৰ বিৰুদ্ধে অঞ্চল টোত আছে বহু গুৰুতৰ অভিযোগ। নিজকে সাংবাদিক বুলি পৰিচয় দি বিভিন্ন ক্ষেত্ৰত উদ্ভণ্ডালী আৰু ব্লেকমেইলিং কৰা ইমৰান খানৰ বিৰুদ্ধে আৰক্ষীৰ দৃঢ় পদক্ষেপক সকলোৱে শলাগ লৈছে।

স্থানীয় বিধায়ক আছিফ নাজাৰৰ বিৰুদ্ধে ৰাইজৰ ক্ষোভ প্ৰকাশ

# লাহৰীঘাটৰ জৰিবৰত ৰাইজৰ ধনেৰে নিৰ্মাণ কৰা বাঁহৰ দলং উদ্বোধন

**অসম বাৰ্তা, লাহৰীঘাট, ৪ জুলাই ঃ** আজি লাহৰীঘাটত ৰাইজৰ গাঁঠিৰ ধন আৰু পৰিশ্ৰমেৰে সাজি উলিওৱা এখন বাঁহৰ দলঙৰ শুভ উদ্বোধন হয়। স্থানীয় ৰাইজে বেলুন, ৰঙা-নীলা ফিতাৰে সজাই পৰাই দলংখন উদ্বোধন কৰে। দলঙখন নিৰ্মাণে এটা বৃহত্তৰ অঞ্চলৰ বহুলোকৰ চেহেৰাত হাঁহি দেখিবলৈ পোৱা যায়। দলঙখন লাহৰীঘাট বিধান সভা সমষ্টিৰ অন্তৰ্গত তিনিচুকীয়া মহমাৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত উত্তৰ জৰিবৰ গাঁৱত লালি বিলত অৱস্থিত। উল্লেখ্য যে, উক্ত বাঁহৰ দলংখনেই কেইবাখন গাঁৱৰ ৰাইজৰ লগতে সহস্ৰাধিক স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ একমাত্ৰ যাতায়তৰ সাৰথি। স্বাধীনতাৰ সাতটা দশক অতিক্ৰম কৰাৰ পিছতো সমষ্টিটোৰ চেতুৱাইখাইতি, ধোৱাংখাইতি আৰু জৰিবৰ



গাঁৱৰ লগতে আন কেইবাখনো গাঁৱৰ ৰাইজে যাতায়তৰ ক্ষেত্ৰত যমৰ যাতনা ভুগি আহিছে। উল্লেখ্য যে, সমষ্টিটোৰ পৰা প্ৰায় পঞ্চাছ বছৰ ধৰি একেটা পৰিয়ালৰ লোকে বিধায়ক হোৱাৰ পিছতো অঞ্চলটোৰ যাতায়তৰ ক্ষেত্ৰত কোনো গুৰুত্ব নিদিয়াৰ অভিযোগ স্থানীয় ৰাইজৰ। আজি দলংখন উদ্বোধন কৰি স্থানীয় ৰাইজে সমষ্টিটোৰ বিধায়ক আছিফ মহম্মদ নাজাৰৰ প্ৰতি ক্ষোভ উজাৰি কয় যে- পিতৃ প্ৰয়াত ডাঃ নজৰুল ইছলাম তিনিবাৰৰ মন্ত্ৰী আছিল কিন্তু দলংখন নিৰ্মাণ কৰি দিব পৰা নাই, এতিয়া বিধায়ক পুত্ৰই কেনেকৈ পাৰিব! সেয়ে বিধায়ক আছিফ নাজাৰৰ প্ৰতি আস্থা হেৰুৱাই অৱশেষত স্থানীয় ৰাইজে গাঁঠিৰ ধন আৰু নিজে শ্ৰমদান কৰি নিৰ্মাণ কৰিছে এখন বাঁহৰ দলংখন। বছৰ বছৰ ধৰি লাহৰীঘাটৰ জৰিবৰ লালি বিলৰ ওপৰত এখন দলঙৰ বাবে কেবাখনো গাঁৱৰ ৰাইজে প্ৰয়াত মন্ত্ৰী নজৰুল ইছলামক আবেদন কৰিও সফল হোৱা নাছিল। কিন্তু প্ৰয়াত প্ৰাক্তন মন্ত্ৰী ডাঃ নজৰুল ইছলামৰ পুত্ৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰ হ'ল কিন্তু লালি বিলত বৃহত্তৰ ৰাইজৰ যাতায়তৰ বাবে দলং নিৰ্মাণ কৰিব নোৱাৰিব বুলি অৱশেষত ৰাইজে নিৰ্মাণ কৰিলে বাঁহৰ দলংখন। লালি বিলত এই দলংখন নোহোৱাত দীৰ্ঘদিন ধৰি জৰিবৰ, ধোৱাংখাইতি আৰু অঘৰী পাম গাঁৱৰ ৰাইজে যমৰ যাতনা ভুগি আহি ছিল। অৱশেষত কেবাখনো গাঁৱৰ ৰাইজে নিজৰ গাঁঠিৰ ধন আৰু শ্ৰমদান কৰি বাঁহৰ দলং নিৰ্মাণ কৰি আজি ৰাইজেই শুভ উদ্বোধন কৰে। ৰাইজে বাঁহৰ দলং উদ্বোধন কৰি এই স্থানত এখন স্থায়ী দলং নিৰ্মাণ কৰিবলৈ চৰকাৰক অনুৰোধ জনায়।

# যোৰহাটৰ জাঁজী হাহচৰাৰ বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হেমন্ত বৰুৱাৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, চেলেংহাট, ৪ জুলাই ঃ** যোৰহাট জিলাৰ জাঁজী হাহচৰা চাংমাই গাঁও নিবাসী তথা অঞ্চলটোৰ এগৰাকী শিক্ষাবিদ সমাজ সচেতক ব্যক্তি হেমন্ত বৰুৱাৰ আজি দুপৰীয়া তেওঁৰ নিজা বাস গৃহত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল প্ৰায় ৭০ বছৰ। উল্লেখযোগ্য যে, ১৯৫৬ চনত জন্মগ্ৰহণ কৰা হেমন্ত বৰুৱাই অঞ্চলটোৰ শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁ ১৯৮৩ চনত স্থাপিত বৰ্তমান বিলুপ্ত হোৱা জাঁজী হাহচৰা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়খন প্ৰতিষ্ঠা কৰাত আগভাগ লৈছিল আৰু পৰৱৰ্তী সময়ত বিনা বেতনত বিদ্যালয়খনৰ প্ৰধান শিক্ষক হিচাপে সুদীৰ্ঘ বছৰ ধৰি সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰিছিল। কেৱল শিক্ষাগতেই নহয়, প্ৰয়াত বৰুৱা অঞ্চলটোৰ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতেও ওতপ্ৰোতভাৱে জড়িত আছিল। তেওঁ হাঁহচৰা ৰাসোৎৱ উদযাপন সমিতিৰ একাধিকবাৰ সম্পাদকৰ দায়িত্ব বহন কৰাৰ লগতে পূবেৰুণ কৃষ্টি সমাজৰ পুৰোধা আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী একমাত্ৰ বিবাহিত কন্যা আৰু বহু ইষ্ট কুটুম এই সংসাৰত এটি যায়। তেওঁৰ বিয়োগৰ খবৰ বিয়পি পৰাৰ লগে লগে সমগ্ৰ হাহচৰা অঞ্চলত গভীৰ শোকৰ ছা পৰিছে। বিভিন্ন গুণমুগ্ধ তথা স্থানীয় ৰাইজে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন